# অসমীয়া সাহিত্যত লিংগ-প্ৰসংগ

## (ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন' উপন্যাসৰ বিশেষ উল্লিখনসহ)

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ২০২৫ বৰ্ষৰ চতুৰ্থ ষাণ্মাসিকৰ MA-ASM-04-406 (A) কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


**তত্ত্বাৱধায়ক**

ড° চন্দ্ৰ কমল চেতিয়া

সহকাৰী অধ্যাপক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

নগাঁও, অসম

**গৱেষক**

হিমশিখা সন্দিকৈ

স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

নগাঁও, অসম

ৰোল নং : AS-12/23


**২০২৩-২৫ বৰ্ষ**

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও

MAHAPURUSHA SRIMANTA SANKARADEVA VISWAVIDYALAYA

Recognised Under Section 2(f) of UGC Act. 1956

Srimanta Sankardeva Sangha Complex, Haladhar Bhuyan Path

Kalongpar, Nagaon, PIN-782001, Assam, India

## তত্ত্বাৱধায়কৰ প্ৰমাণপত্ৰ

ইয়াৰ দ্বাৰা জনোৱা হয় যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী হিমশিখা সন্দিকৈয়ে আমাৰ তত্ত্বাৱধানত স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ MA-ASM-04-406(A) কাকতৰ অংশ হিচাপে "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ (ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৱম শৰ্মাৰ 'আকাভাইন' উপন্যাসৰ বিশেষ উল্লিখনসহ)" শীৰ্ষক গৱেষণা প্ৰকল্পটো সম্পন্ন কৰিছে। বিশ্লেষণাত্মক আৰু তুলনামূলক পদ্ধতি অৱলম্বন কৰি এই গৱেষণা কৰ্ম সম্পন্ন কৰা হৈছে। গৱেষণা কৰ্ম কৰি পোৱা সিদ্ধান্তসমূহ তেওঁৰ নিজৰ আৰু এই প্ৰকল্পটোৰ কোনো অংশ আন কোনো বিশ্ববিদ্যালয় বা অনুষ্ঠানৰ ডিগ্ৰীৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই।

তাৰিখঃ

স্থানঃ

ড° চন্দ্ৰ কমল চেতিয়া

সহকাৰী অধ্যাপক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

নগাঁও, অসম

# ঘোষণা পত্ৰ

মই হিমশিখা সন্দিকৈয়ে জনাওঁ যে স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিকৰ অসমীয়া বিভাগৰ অন্তৰ্গত MA-ASM-04-406(A) কাকতৰ বাবে "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ (ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন' উপন্যাসৰ বিশেষ উল্লিখনসহ)" শীৰ্ষক গৱেষণা প্ৰকল্পটো ব্যক্তিগত প্ৰচেষ্টাত প্ৰস্তুত কৰা হৈছে।


হিমশিখা সন্দিকৈ

চতুৰ্থ ষাণ্মাসিক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

নগাঁও, অসম

# কৃতজ্ঞতা স্বীকাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় 'নগাঁও চৌহদ'ৰ অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত MA-ASM-04-406(A) কাকতৰ বাবে "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ (ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন' উপন্যাসৰ বিশেষ উল্লিখনসহ)" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটো আগবঢ়াই নিয়াত বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা বিভাগৰ সহকাৰী অধ্যাপক তথা মোৰ ক্ষুদ্ৰ গৱেষণাৰ তত্ত্বাৱধায়ক ড° চন্দ্ৰকমল চেতিয়া ছাৰলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিষয়টি নিৰ্বাচনত সহায় কৰাৰ লগতে বিভিন্ন দিশত নিৰ্দেশনা প্ৰদান কৰা বিভাগীয় প্ৰধান ড° শ্যামলী দলৈ বাইদেউ, ড° পাৰ্থপ্ৰতীম ফুকন ছাৰ, ড° শিখামণি শৰ্মা বাইদেউ আৰু ড° চাহিন জাফ্ৰি বাইদেউক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বিভিন্ন ক্ষেত্ৰত সহায় কৰা বিভাগৰ সহপাঠী আৰু অগ্ৰজ সকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে,

হিমশিখা সন্দিকৈ

চতুৰ্থ ষান্মাসিক

অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়

নগাঁও, অসম

# ভূমিকা

আধুনিক সমালোচনা সাহিত্যৰ এটা উল্লেখযোগ্য বিষয় হৈছে লিংগবাদ। সমাজত সকলো লিংগৰ মাজত সমতা স্থাপনৰ উদ্দেশ্যে এই লিংগবাদৰ সূচনা হৈছিল। নাৰী-পুৰুষভেদে পৃথিৱীত অন্য লিংগৰ উপস্থিতিৰো ইতিহাস প্রসিদ্ধ প্রমাণ পোৱা যায়। কিন্তু সমাজে অতীতৰে পৰা এই লিংগসমূহৰ উপস্থিতিক অস্বীকাৰ কৰি আহিছে আৰু তেওঁলোকক নিজৰ অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। সমাজৰ সকলো লিংগৰ মাজত সকলো দিশত সমতা স্থাপন আৰু সকলো লিংগকে তেওঁলোকৰ প্রাপ্য অধিকাৰ প্রদানৰ নিমিত্তে সৃষ্টি হোৱা বৌদ্ধিক, সামাজিক আন্দোলনেই হৈছে লিংগবাদ।

লিংগবাদে বৰ্তমান কেৱল মাত্র এটা আন্দোলনতেই সীমাবদ্ধ নাথাকি সাহিত্যৰ মাজেৰেও চৰ্চা লাভ কৰিছে। বিশ্বৰ বিভিন্ন প্রান্তৰ লগতে লাহে লাহে অসমীয়া সাহিত্যতো লিংগবাদে ঠাই লাভ কৰিছে। অসমীয়া সাহিত্যত লিংগবাদৰ চৰ্চাই কিদৰে বিকাশ লাভ কৰিছে আৰু লিংগবাদ সম্পৰ্কীয় দুখন উপন্যাসত লিংগবাদৰ কি কি দিশ কিদৰে উপস্থাপন কৰা হৈছে সেই সম্পৰ্কে বিশ্লেষণৰ উদ্দেশ্য আগত ৰাখিয়েই "অসমীয়া সাহিত্যত লিংগ প্রসংগ (ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন' উপন্যাসৰ বিশেষ উল্লিখনসহ)" বিষয়টি নিৰ্বাচন কৰি অধ্যয়ন কৰা হৈছে।

# সংক্ষিপ্তিকৃত শব্দসূচী

ক্র. - ক্রমিক

পৃ. - পৃষ্ঠা

সম্পা. - সম্পাদক

# সূচীপত্র

**০.০ অৱতৰণিকা**

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ গুৰুত্ব

০.৪ অধ্যয়নৰ পদ্ধতি

০.৫ অধ্যয়নৰ পৰিসৰ

০.৬ তথ্য আহৰণৰ উৎস

০.৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

০.৮ প্ৰাককল্পনা

**প্ৰথম অধ্যায়**

**১.০ লিংগবাদৰ তাত্ত্বিক অৱধাৰণা**

১.১ লিংগৰ ধাৰণা

১.২ লিংগবাদৰ ধাৰণা

১.৩ লিংগবাদৰ বিকাশ

১.৪ লিংগবাদ আৰু কুইয়ৰ তত্ত্ব

১.৫ সাহিত্যত লিংগবাদ

১.৬ অসমীয়া সাহিত্যত লিংগবাদ

**দ্বিতীয় অধ্যায়**

**২.০ নিৰ্বাচিত উপন্যাসৰ পৰিচয়**

**২.১ ড° আকাশীতৰাৰ 'নিষিদ্ধ'**

২.১.১ 'নিষিদ্ধ' উপন্যাসৰ বিষয়বস্তু

২.১.২ 'নিষিদ্ধ' উপন্যাসৰ কাহিনী

২.১.৩ 'নিষিদ্ধ' উপন্যাসৰ চৰিত্ৰ

**২.২ পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন'**

২.২.১ 'আকাভাইন' উপন্যাসৰ বিষয়বস্তু

২.২.২ 'আকাভাইন' উপন্যাসৰ কাহিনী

২.২.৩ 'আকাভাইন' উপন্যাসৰ চৰিত্ৰ

**তৃতীয় অধ্যায়**

**৩.০ নিৰ্বাচিত উপন্যাসত লিংগ প্ৰসংগ**

**৩.১ 'নিষিদ্ধ' উপন্যাসত লিংগ-প্ৰসংগ**

৩.১.১ 'নিষিদ্ধ' উপন্যাসত গে' বা সমকামী পুৰুষৰ প্ৰসংগ

৩.১.২ 'নিষিদ্ধ' উপন্যাসত লেজবিয়ান বা সমকামী স্ত্ৰীৰ প্ৰসংগ

**৩.২ 'আকাভাইন' উপন্যাসত লিংগ-প্ৰসংগ**

৩.২.১ 'আকাভাইন' উপন্যাসখনত তৃতীয় লিংগৰ প্ৰসংগ

৩.২.২ 'আকাভাইন' উপন্যাসত কিন্নৰ সমাজৰ প্ৰতিফলন

৩.২.৩ 'আকাভাইন' উপন্যাসত তৃতীয় লিংগ সম্পৰ্কীয় কাহিনী আৰু বিশ্বাসৰ প্ৰতিফলন

৩.২.৪ 'আকাভাইন' উপন্যাসত কিন্নৰসকলে সন্মুখীন হোৱা শাৰীৰিক-মানসিক নিৰ্যাতনৰ প্ৰতিফলন

**চতুৰ্থ অধ্যায়**

**৪.০ তুলনাত্মক অধ্যয়ন**

৪.১ নিৰ্বাচিত উপন্যাস দুখনত উপস্থাপিত লিংগ প্ৰসংগৰ এক তুলনামূলক অধ্যয়ন

৪.১.১ সামাজিক লিংগ নিৰ্মাণ সম্পৰ্কীয় দৃষ্টিভংগীৰ তুলনা

৪.১.২ চৰিত্ৰসমূহৰ লিংগ নিৰ্মাণ সম্পৰ্কীয় উপস্থাপন শৈলীৰ তুলনা

**০.০ উপসংহাৰ**

০.১ সিদ্ধান্ত

০.২ ভৱিষ্যৎ অধ্যনৰ সম্ভাৱনীয়তা

০.৩ সামৰণি

গ্ৰন্থপঞ্জী

# অৱতৰণিকা

## ০.১ বিষয়ৰ পৰিচয়

আধুনিক সমালোচনা সাহিত্যৰ অন্তৰ্গত এটা উল্লেখযোগ্য বিষয় হৈছে লিংগবাদ। বৰ্তমান এই লিংগবাদে সাহিত্যৰ মাজেৰে বিস্তৃতভাৱে চৰ্চা লাভ কৰিছে।

সামাজিকভাৱে, পৰম্পৰাগতভাৱে মানুহৰ শাৰীৰিক গঠন আৰু সামাজিক শ্ৰেণী হিচাপে সমাজত লিংগৰ বিভাজন কৰি অহা হৈছে। লিংগৰ বিভাজন কৰি লিংগৰ ভিত্তিত মানুহক সম অধিকাৰ, সম মৰ্যাদা নিদিয়া আদি কাৰ্যই সমাজত লিংগ বৈষম্যৰ সৃষ্টি কৰে। এনে লিংগ বৈষম্যৰ বিৰোধিতা কৰিয়েই গঢ় লৈ উঠিছে লিংগবাদ। প্ৰচলিত সমাজত লিংগ সম্পৰ্কীয় ধাৰণাটোক বিৰোধিতা কৰি লিংগৰ ভিত্তিত সমতাৰ কথাত গুৰুত্ব দি সমাজ-সাহিত্যত যি লিংগভিত্তিক নতুন চিন্তা-চেতনাই জন্ম বা বিকাশ লাভ কৰিছে, সেয়াই লিংগবাদ। মূলতঃ ই এক বৌদ্ধিক, সামাজিক আন্দোলন। সমাজৰ সকলো লিংগৰ মানুহক সমস্থান, সুবিধা, সমান অধিকাৰ প্ৰদানেই হৈছে লিংগবাদৰ মূল উদ্দেশ্য। বৰ্তমান লিংগবাদে এটা জনপ্ৰিয় বিষয় ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে।

সাহিত্য হৈছে সমাজৰ দলিল স্বৰূপ। সমাজৰ বিভিন্ন দিশ সাহিত্যত প্ৰতিফলিত হয়। অন্যান্য বিষয়সমূহৰ দৰে লিংগবাদেও সাহিত্যত লাহে লাহে ঠাই পাইছে। লিংগবাদ তথা লিংগবাদৰ সৈতে সম্পৰ্কিত বিভিন্ন বিষয়ক আধাৰ কৰি বিশ্বৰ বিভিন্ন ঠাইৰ বিভিন্ন ভাষাত ভিন্ ভিন্ সাহিত্য ৰচিত হৈ আহিছে। ভাৰততো এই বিষয়ৰ অনেক সাহিত্যৰ সৃষ্টি হৈছে। সম্প্ৰতি অসমীয়া সাহিত্যতো এনেবোৰ বিষয়বস্তুৱে ঠাই লাভ কৰিছে।

অসমীয়া সাহিত্যত নাৰী আৰু পুৰুষৰ মাজৰ লিংগভিত্তিক বৈষম্যৰ ভিত্তিত ৰচিত সাহিত্য বহু সময়ৰ আগৰ পৰাই পোৱা যায়। কিন্তু আধুনিক লিংগবাদৰ ধাৰণাটো বা বিষয়টো অসমীয়া সাহিত্যত বৰ বেছি পুৰণি নহয়। বিংশ শতিকাৰ শেষভাগত আৰু একবিংশ শতিকাৰ আগভাগত আধুনিক লিংগবাদৰ ভিত্তিত অসমীয়া সাহিত্যত কেতবোৰ উপন্যাস বা অন্যান্য সাহিত্য ৰচিত হৈছে।

এইক্ষেত্ৰত মণিকুন্তলা ভট্টাচাৰ্যৰ *'মুক্তি'*, অনুৰাধা শৰ্মা পূজাৰীৰ *'নীল-প্ৰজাপতি'*, মাইনি মহন্তৰ '*স্পৰ্শ*', ৰুদ্ৰাণী শৰ্মাৰ *'ত্ৰিভুজ'* আদি উপন্যাস; গোবিন্দ প্ৰসাদ শৰ্মাৰ 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান' মৌচুমী কন্দলীৰ 'কলা-বীথিকাত এটা ফিনিক্স', 'তৃতীয়ত্বৰ গল্প', অৰূপ কুমাৰ নাথৰ 'নিষিদ্ধ শিলালিপিৰ পাঠ', 'ভগ্নস্বপ্ন'

'বাজীকৰ', গীতালি বৰাৰ 'জন্নত' আদি গল্পৰ লগতে জোনমনি দাসৰ *'সমকামী সূৰ্য',* ময়ূৰ ডেকাৰ *'বন্ধ কোঠাৰ দুৱাৰ খুলি'* আদি কবিতাৰ কথা উল্লেখ কৰিব পাৰি।

## ০.২ অধ্যয়নৰ উদ্দেশ্য

কোনো এটা বিষয়ৰ গৱেষণামূলক অধ্যয়নৰ আঁৰত নিৰ্দিষ্ট কেতবোৰ উদ্দেশ্য জড়িত হৈ থাকে। ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ বাবে প্ৰস্তাৱিত "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ অন্তৰালতো নিৰ্দিষ্ট কেইটামান উদ্দেশ্য আছে।

উদ্দেশ্যসমূহ—

**ক)** লিংগবাদৰ চমু ধাৰণা দিয়া।

**খ)** লিংগবাদৰ বিকাশ সম্পৰ্কে অৱগত হোৱা।

**গ)** অসমীয়া সাহিত্যত লিংগবাদৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰা।

**ঘ)** নিৰ্বাচিত উপন্যাস দুখনত প্ৰতিফলিত সামাজিক লিংগ নিৰ্মাণ প্ৰসংগৰ বিষয়ে অধ্যয়ন কৰা।

**ঙ)** নিৰ্বাচিত উপন্যাস দুখনত প্ৰতিফলিত লিংগ প্ৰসংগৰ এক তুলনামূলক অধ্যয়ন আগবঢ়োৱা।

## ০.৩ অধ্যয়নৰ গুৰুত্ব

লিংগবাদ হৈছে সাম্প্ৰতিক সময়ত বিস্তৃতৰূপত চৰ্চা লাভ কৰা এটা বিষয়। লিংগবাদে সাহিত্য-সমাজ সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছে। এইক্ষেত্ৰত ক্ষুদ্ৰ গৱেষণা কৰ্মৰ প্ৰস্তাৱিত বিষয় "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" সম্পৰ্কে অধ্যয়ন কৰাৰ যথেষ্ট গুৰুত্ব আছে।

**ক)** লিংগবাদে সকলো লিংগৰ মাজত সমতা স্থাপনত পৃষ্ঠপোষকতা কৰে, সেয়ে এনে প্ৰেক্ষাপটত লিংগবাদ সম্পৰ্কে বিস্তৃত অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

**খ)** সাম্প্ৰতিক সময়ৰ এটা জনপ্ৰিয় বিষয় হিচাপে লিংগবাদৰ চৰ্চা অসমীয়া সাহিত্যত কিধৰণে হৈছে সেই বিষয়ে অৱগত হোৱাৰ ক্ষেত্ৰত এই ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ গুৰুত্ব দেখা যায়।

**গ)** নিৰ্বাচিত উপন্যাস দুখনত লিংগ প্ৰসংগক কিদৰে উপস্থাপন কৰা হৈছে সেই বিষয়ে আলোচনা কৰাৰ যথেষ্ট গুৰুত্ব পৰিলক্ষিত হয়।

## ০.৪ অধ্যয়নৰ পদ্ধতি

"অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটি আগবঢ়াই নিবলৈ মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। প্ৰয়োজন সাপেক্ষে তুলনামূলক পদ্ধতিও গ্ৰহণ কৰা হৈছে।

তাত্ত্বিক পদ্ধতি হিচাপে 'লিংগবাদ'ক আধাৰ হিচাপে লোৱা হৈছে।

## ০.৫ অধ্যয়নৰ পৰিসৰ

"অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ বাবে ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৱম শৰ্মাৰ 'আকাভাইন' এই দুখন উপন্যাসক বিশেষভাৱে নিৰ্বাচন কৰি লোৱা হৈছে। গৱেষণা কৰ্মটিৰ পৰিসৰত লিংগবাদৰ ধাৰণা, বিকাশ, সাহিত্যত লিংগবাদ, নিৰ্বাচিত উপন্যাসত লিংগ চেতনাৰ প্ৰতিফলন আদি বিষয়ক সামৰি লোৱা হৈছে।

লিংগবাদে নাৰীবাদকে আদি কৰি এটা বৃহৎ পৰিসৰক সামৰি লয়। এই ক্ষুদ্ৰ গৱেষণা কৰ্মটিত লিংগবাদৰ সকলো দিশ আলোচনা কৰা হোৱা নাই। ইয়াত কেৱল লিংগবাদৰ অন্তৰ্গত কুইয়ৰ বিষয়টোকহে অধ্যয়ন কৰা হৈছে।

## ০.৬ তথ্য আহৰণৰ উৎস

**ক)মুখ্য উৎস :** ক্ষুদ্ৰ গৱেষণা কৰ্মৰ প্ৰস্তাৱিত বিষয়টি অধ্যয়নৰ ক্ষেত্ৰত মুখ্য উৎস হিচাপে ড° আকাশীতৰাৰ 'নিষিদ্ধ' আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন' এই দুখন উপন্যাসক লোৱা হৈছে।

**খ)গৌণ উৎস :** বিষয়টো অধ্যয়নৰ বাবে গৌণ উৎস হিচাপে লিংগবাদ সম্পৰ্কীয় চিন্তা-চৰ্চা, আলোচনা থকা বিভিন্ন গ্ৰন্থ, আলোচনী, ইণ্টাৰনেট আদিৰ সহায় লোৱা হৈছে।

## ০.৭) পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাই একোটা বিষয় নিৰ্বাচন কৰাৰ পাছত সেই সম্পৰ্কে কেনেধৰণৰ আলোচনা হৈছে আৰু কেনেধৰণৰ আলোচনাৰ থল আছে সেই বিষয়ে জনাত সহায় কৰে। "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ পূৰ্বকৃত অধ্যয়নসমূহক দুটা ভাগত ভাগ কৰি লোৱা হৈছে —

**ক) তাত্ত্বিক গ্ৰন্থ**

**খ) প্ৰায়োগিক গ্ৰন্থ**

**ক) তাত্ত্বিক গ্ৰন্থ**

প্ৰস্তাৱিত ক্ষুদ্ৰ গৱেষণা কৰ্মটি আগবঢ়াই নিবলৈ লিংগ অধ্যয়নৰ তাত্ত্বিক দিশসমূহৰ আলোচনাৰ প্ৰয়োজন হ'ব। এইক্ষেত্ৰত বিশেষ কেইখনমান তাত্ত্বিক গ্ৰন্থৰ সহায় লোৱা হৈছে। গ্ৰন্থসমূহ এনেধৰণৰ —

**অসমীয়া:**

নাহেন্দ্ৰ পাদুনৰ ***"সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব"(২০০৯)*** শীৰ্ষক গ্ৰন্থত নাৰীবাদৰ বিভিন্ন দলসমূহে নাৰীবাদৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় লিংগ অধ্যয়ন, লিংগ বৈষম্য, সামাজিক লিংগ নিৰ্মাণ প্ৰসংগ সম্পৰ্কে গ্ৰহণ কৰা দৃষ্টিভংগী সমূহৰ আলোচনা পোৱা যায়।

গীতাশ্ৰী তামুলীৰ "*সাহিত্য আৰু সমালোচনা" (২০১৫)* শীৰ্ষক গ্ৰন্থৰ অন্তৰ্গত *'লিংগ নিৰ্মাণ আৰু সাহিত্য'* শীৰ্ষক আলোচনাত সাহিত্যত লিংগ নিৰ্মাণ কেনেদৰে হয় সেই সম্পৰ্কে আলোচনা পোৱা যায়।

ড° বিৰিঞ্চি কুমাৰ বৰা আৰু ড° হেমন্ত বৰাৰ *"সামাজিক লিঙ্গৰ সমাজতত্ত্ব"(২০২০)* শীৰ্ষক গ্ৰন্থত সামাজিক লিংগৰ পৰিচয়, লিংগৰ ধাৰণাৰ উৎপত্তি-বিকাশ, সামাজিক লিঙ্গৰ তত্ত্ব, সামাজিক লিংগৰ পাৰ্থক্য আৰু অসমতা, সামাজিক লিঙ্গ বৈষম্য, পিতৃতান্ত্ৰিকতা, এল জি বি টি প্ৰসংগ আদিৰ কথা পোৱা যায়।

জিতেন বেজবৰুৱাৰ *"প্ৰসংগ: এল জি বি টি"(২০২৩)* শীৰ্ষক গ্ৰন্থত এল জি বি টিৰ ধাৰণা, এল জি বি টি আন্দোলন আদিৰ বিষয়ে বিস্তৃত আলোচনা পোৱা যায়।

জয়ন্ত দত্ত আৰু গীতাশ্ৰী শইকীয়াৰ সম্পাদিত "*একবিংশ শতিকাৰ অসমীয়া উপন্যাস"* শীৰ্ষক গ্ৰন্থত প্ৰকাশিত প্ৰবন্ধ মৃদুল মৰাণৰ *'একবিংশ শতিকাৰ অসমীয়া উপন্যাসত সামাজিক লিংগ নিৰ্মাণ প্ৰসংগঃ এক সংক্ষিপ্ত আলোকপাত (LGBTQৰ বিশেষ উল্লেখেৰে)'*ত LGBTQৰ তাত্ত্বিক ধাৰণা সম্পৰ্কে অৱগত হ'ব পাৰি।

**ইংৰাজী:**

Jyoti Prasad Saikiaৰ "*Gender Themes and Issues"(2017)* গ্ৰন্থত লিংগ ধাৰণাৰ ব্যাখ্যা, লিংগ বৈষম্য, লিংগ তত্ত্ব আদিৰ সম্পৰ্কে আলোচনা আছে।

## খ) প্ৰায়োগিক গ্ৰন্থ :

গৱেষণা কৰ্মটিৰ বাবে প্ৰস্তাৱিত বিষয়টিৰ অধ্যয়ন কৰোঁতে নিৰ্বাচিত উপন্যাস দুখন তথা ড ° আকাশীতৰা শইকীয়া আৰু পুষ্পাঞ্জলি শিৰম শৰ্মাৰ উপন্যাসৰ আলোচনা থকা গ্ৰন্থ, আলোচনী আদিক প্ৰায়োগিক গ্ৰন্থৰ ভিতৰত সামৰি লোৱা হৈছে।

ড° ডালিমা কাকতিৰ *"ভাষা, সাহিত্য, সংস্কৃতিত তৃতীয়ত্বৰ পৰিসৰ"(২০২৪)* শীৰ্ষক গ্ৰন্থত ড° আকাশীতৰাৰ *'নিষিদ্ধ'* উপন্যাসৰ এটা আলোচনা পোৱা যায়।

## ০.৮ প্ৰাক্-কল্পনা

"অসমীয়া সাহিত্যত লিংগ প্ৰসংগ" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ জৰিয়তে তলত দিয়া দিশসমূহ পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

**ক)** এই ক্ষুদ্ৰ গৱেষণা কৰ্মটিৰ জৰিয়তে লিংগৰ ধাৰণা, সামাজিক লিংগ নিৰ্মাণ প্ৰসংগ আদি সম্পৰ্কে পদ্ধতিগত আলোচনা পোৱা যাব।

**খ)** এই অধ্যয়নৰ জৰিয়তে সাহিত্যত লিংগ প্ৰসংগক কিদৰে উপস্থাপন কৰা হৈছে সেই বিষয়ে পোহৰলৈ আহিব।

**গ)** এই অধ্যয়নৰ জৰিয়তে নিৰ্বাচিত উপন্যাস দুখনৰ মাজেৰে লিংগ প্ৰসংগ কিদৰে প্ৰতিফলিত হৈছে আৰু ই সমাজত বা মানুহৰ দৃষ্টিভংগীত পেলোৱা প্ৰভাৱ সম্পৰ্কে পোহৰলৈ আহিব।

# প্রথম অধ্যায়

# ১.০ লিংগবাদৰ তাত্ত্বিক অৱধাৰণা

## ১.১ লিংগৰ ধাৰণা

লিংগ হৈছে এক সামাজিক ধাৰণা। ইংৰাজী ভাষাৰ Gender, Sex এই দুয়োটা শব্দৰেই পৰিপূৰক হিচাপে অসমীয়া ভাষাত লিংগ শব্দটোৰ ব্যৱহাৰ কৰা হয়। কিন্তু এই Gender আৰু Sex দুয়োটা শব্দৰে অৰ্থৰ গভীৰ পাৰ্থক্য আছে। Sex শব্দটোৱে শাৰীৰিক গঠন হিচাপে নিৰূপণ কৰা লিংগক বুজায়। আনহাতে Gender শব্দটোৱে লিংগ সম্পৰ্কীয় সামাজিক স্বীকৃতিক বুজায়। বাস্তৱতে Gender শব্দটোৰ বিপৰীতে প্ৰচলিত লিংগৰ সামাজিক ধাৰণাটো বহুপৰিমাণে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ দ্বাৰা আৰোপিত ধাৰণা।

লিংগৰ সামাজিক নিৰ্মিত্তিৰ মূল আধাৰ তিনিটা। সেইকেইটা হৈছে-

১) জীৱ বিজ্ঞান

২) মনোবিজ্ঞান

৩) সমাজ

লিংগ নিৰূপণৰ ক্ষেত্ৰত মূলতঃ এই তিনিটা দৃষ্টিকোণ বিশেষভাৱে উল্লেখযোগ্য।

জীৱবিজ্ঞান অনুসৰি জিনীয় প্ৰভাৱৰ ফলত আৰু হৰম'নৰ পাৰ্থক্যৰ বাবে শাৰীৰিক ভিন্নতাৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত ভিন্ন লিংগৰ বিভাজন কৰা দেখা যায়। যেনে- X-Y ক্ৰম'জমৰ মিলনৰ ফলত ল'ৰা, X-X ক্ৰম'জমৰ ফলত ছোৱালী আৰু X-X-Y বা X-Y-Y ক্ৰম'জমৰ মিলনৰ ফলত জন্মা সন্তানক তৃতীয় লিংগৰ বুলি ধৰা হয়।

সামাজিক দিশৰ পৰা লিংগৰ বিভাজন প্ৰধানতঃ দুই প্ৰকাৰে কৰা হয়। সামাজিক দিশৰ পৰা স্বীকৃতি প্ৰাপ্ত লিংগ দুটা হৈছে- নাৰী আৰু পুৰুষ। অৰ্থাৎ পুং লিংগ আৰু স্ত্ৰী লিংগ। তৃতীয় লিংগও সামাজিক বিভাজনৰে এটা অংশ যদিও ইয়াক স্বীকৃতি প্ৰদান কৰা নহয়।

আকৌ, মনোবিজ্ঞানৰ দিশৰ পৰা বিচাৰ কৰি মানুহৰ মানসিক চেতনাৰ আধাৰত ভিন্ন লিংগৰ বিভাজন কৰা হয়। যেনে- লেজবিয়ান, গে', মধ্যলিংগী, উভয়লিংগী আদি। লিংগৰ এনে ধাৰণাবোৰ মনোবৈজ্ঞানিক দৃষ্টিকোণৰ ওপৰত আধাৰিত।

## ১.২ লিংগবাদৰ ধাৰণা

লিংগবাদ হৈছে এটা বৌদ্ধিক, সামাজিক আন্দোলন। প্ৰচলিত সমাজত লিংগ সম্পৰ্কীয় ধাৰণাটোক বিৰোধিতা কৰি যি লিংগভিত্তিক নতুন চিন্তা-চেতনাৰ আৰম্ভণি হৈছে সেয়াই লিংগবাদ।

লিংগবাদৰ ইংৰাজী প্ৰতিশব্দ হৈছে- 'Sexism' (সেক্সিজিম)। আইন বিশেষজ্ঞ ফ্ৰেড আৰ. শ্যাপিৰো অনুসৰি 'Sexism' শব্দটো সম্ভৱত প্ৰথম ব্যৱহাৰ কৰা হৈছিল ১৯৬৫ চনত, ফ্ৰেংকলিন এণ্ড মাৰ্শেল কলেজত।[১]

লিংগৰ ভিত্তিত মানুহক সম ব্যৱহাৰ নকৰা, সম অধিকাৰ নিদিয়া আদি কাৰ্যই সমাজত লিংগ বৈষম্যৰ সৃষ্টি কৰে।

সামাজিক লিংগ বৈষম্যৰ সম্পৰ্কত ফ্ৰেডৰিক এংগেলচে কৈছে যে – "পৰিয়াল আৰু ব্যক্তিগত সম্পত্তিৰ ধাৰণাই লিংগ বিভাজনৰ মূল কাৰণ।"

একেদৰে কমলা ভাচিনৰ মতে- "লিংগই পুৰুষ আৰু মহিলাৰ ওপৰত আৰোপিত সামাজিক, সাংস্কৃতিক সংজ্ঞাক বুজায়। সমাজে পুৰুষ আৰু মহিলাক যিদৰে পৃথক কৰে একেদৰে তেওঁলোকৰ সামাজিক ভূমিকাও পৃথকে নিৰ্ধাৰণ কৰে।"

লিংগৰ সামাজিক ধাৰণাৰ সৈতে জড়িত মূল দিশটো হল যৌন ৰাজনীতি আৰু এই যৌন ৰাজনীতিৰ মুখ্য পৃষ্ঠপোষক হৈছে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা। সমাজে পূৰ্বৰে পৰা স্বীকৃতি দিয়া বিষমলৈংগিক যৌনতাৰ ধাৰণাটো পুৰুষতান্ত্ৰিক যৌন ৰাজনীতিৰ মূল তত্ত্ব। এই ধাৰণা অনুসৰি পুৰুষতন্ত্ৰই বিষম লৈংগিক বিবাহ বা যৌনতাৰ

[১] https://en.wikipedia.org › wiki › Sexism

ধাৰণাটোক স্বাকৃতি দিয়ে তথা পুৰুষ আৰু নাৰীসত্ত্বাৰ এক বৈপৰীত্যমূলক কটকটীয়া ধাৰণাৰ সৃষ্টি কৰে। তাৰ ভিত্তিতে সমাজৰ বস্তুগত আৰু সাংস্কৃতিক সম্পদৰ বিতৰণ বা বিভাজন নিয়ন্ত্ৰিত হৈ থাকে। অতীতৰ পৰা পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত সমাজে কেৱল নাৰী আৰু পুৰুষ এই দুটা সত্ত্বাকহে স্বীকৃতি দি আহিছে। পৃথিৱীত নাৰী-পুৰুষ ভেদে অন্য লিংগৰ মানুহৰ অৱস্থিতিৰ ইতিহাস প্ৰসিদ্ধ প্ৰমাণ পোৱাৰ সত্ত্বেও কিন্তু এই লিংগসমূহক সমাজে সদায় অগ্ৰাহ্য কৰি আহিছে। সমাজৰ লিংগৰ প্ৰতি থকা এনে বৈষম্যমূলক আচৰণৰ বিৰোধিতা কৰিয়েই জন্ম হয় লিংগবাদৰ। লিংগৰ ভিত্তিত সমাজত প্ৰচলিত নীতি-নিয়ম, আচাৰ-আচৰণৰ পৃথকীকৰণৰ আৰু লিংগ সম্পৰ্কীয় সামাজিক, মানসিক ধাৰণাৰ বিৰোধিতা কৰি লিংগ বৈষম্যৰ প্ৰচেষ্টাত গঢ়ি উঠা বৌদ্ধিক, সামাজিক আন্দোলনেই হল লিংগবাদ। লিংগবাদৰ মূল উদ্দেশ্য হৈছে সমাজত জীয়াই থকা সকলো লিংগৰ মানুহে শিক্ষা, ৰাজনীতি, অৰ্থনীতি, সমাজ আদি সকলো ক্ষেত্ৰতে সংযোজিত হোৱাৰ সুবিধা পোৱা সমস্থান পোৱা। লিংগবাদে নাৰী-পুৰুষ এই প্ৰচলিত ধাৰণাক বাদ দি সকলো লিংগৰ মানুহৰ প্ৰতি সমভাৱ ৰাখি সামাজিক স্থান নিৰ্ণয় কৰাৰ প্ৰচেষ্টা কৰে আৰু পুৰুষতান্ত্ৰিক মানসিকতাৰ বিৰোধিতা কৰে।

## ১.৩ লিংগবাদৰ জন্ম আৰু বিকাশ

অতীতৰ পৰা পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাৰ দ্বাৰা পৰিচালিত সমাজে কেৱল নাৰী আৰু পুৰুষ এই দুটা সত্ত্বাকহে স্বীকৃতি দি আহিছে আৰু অন্য লিংগক অগ্ৰাহ্য কৰি আহিছে। কিন্তু পৃথিৱীত নাৰী-পুৰুষ ভেদে অন্য লিংগৰ মানুহৰ অৱস্থিতিৰো ইতিহাস প্ৰসিদ্ধ প্ৰমাণ পোৱা যায়। এই ক্ষেত্ৰত গ্ৰীক কাহিনীৰ এক চৰিত্ৰ দেৱী ভেনাছৰ কথা ক'ব পাৰি। ভেনাছ প্ৰেমৰ দেৱী। নিজৰ নাৰীসুলভ চৰিত্ৰৰ অদম্য বাসনাক চৰিতাৰ্থ কৰিবলৈ পুৰুষৰ শৰীৰত নাৰীসুলভ মনক আৱদ্ধ কৰি ৰখা প্ৰেমৰ দেৱী ভেনাছ (ভেনাছ কাষ্টিনা)ৰ কাহিনীয়ে পৃথিৱীত নাৰী-পুৰুষৰ উপৰি অন্য লিংগৰ অৱস্থিতিৰ প্ৰমাণ দিয়ে। ঠিক সেইদৰে ভাৰতীয় মহাকাব্য মহাভাৰতত বৰ্ণিত শিখণ্ডীৰ চৰিত্ৰ নাইবা অৰ্জুনৰ বৃহন্নলা ৰূপটোৰ কথাও এই ক্ষেত্ৰত উল্লেখযোগ্য। একেদৰে মহাদেৱৰ অৰ্ধনাৰীশ্বৰ অৱতাৰ, বিষ্ণুৰ মোহিনী অৱতাৰ আদিয়েও তথাকথিত পুৰুষ আৰু নাৰী সত্ত্বাৰ বাদেও লিংগৰ আন কিছুমান পৃথক অৱধাৰণাৰ তথ্য দিয়ে। তদুপৰি প্ৰাচীন ভাৰতৰ বিভিন্ন মঠ-মন্দিৰৰ পৃষ্ঠত খোদিত কলা-কৃতি সমূহ যেনে কৰ্নাটকৰ সূৰ্য মন্দিৰৰ পৃষ্ঠত খোদিত মৈথুনৰত সমলৈংগিক মুৰ্ত্তি, মধ্যপ্ৰদেশৰ খেজুৰাহু মন্দিৰ, কৰ্ণাটকৰ

বিৰুপ্ৰকাশ মন্দিৰ, ৰাজস্থানৰ জৈন মন্দিৰ, উৰিষ্যাৰ লিংগৰাজ মন্দিৰ, তামিলনাডুৰ সত্যমূৰ্ত্তি পেৰুমল মন্দিৰ আদিৰ পৃষ্ঠত খোদিত মুৰ্ত্তিবোৰে কেৱল নাৰী আৰু পুৰুষৰ তথাকথিত যৌন সম্পৰ্কৰ ভিত্তিত চিহ্নিত লিংগ সত্ত্বা দুটা(নাৰী-পুৰুষ)ৰ বাদেও আন কিছুমান পৃথক লিংগ সত্ত্বাৰো পৰিচয় বহন কৰে।

নাৰী আৰু পুৰুষৰ উপৰি পৃথিৱীত অন্য লিংগৰ অৱস্থিতিৰ ইমানবোৰ প্ৰমাণ থকাৰ তৎসত্ত্বেও কিন্তু এই তৃতীয় সত্ত্বাক সমাজত সদায় অস্বীকাৰ কৰি অহা হৈছে। ইয়াৰ মূল কাৰণ হৈছে পুৰুষতান্ত্ৰিক সমাজে সৃষ্টি কৰা ধন-সম্পত্তিৰ বিশুদ্ধ উত্তৰাধিকাৰী সৃষ্টিৰ ধাৰণা। এনে তথাকথিত পুৰুষতান্ত্ৰিকতাত বিষম লৈংগিক যৌনতাৰ উচ্চ আদৰ্শৰ যি দৃষ্টিভংগী তাৰ বিপৰীতে অন্যান্য লিংগৰ মানুহৰ প্ৰতি থকা অৱহেলাৰ বিৰোধিতা কৰি তথাকথিত পুৰুষতান্ত্ৰিক চিন্তা-চেতনাক প্ৰত্যাহ্বান জনাই সমাজচ্যুত কৰি অহা লিংগ সমূহৰ অধিকাৰ আৰু সমতাৰ দাবী তুলি জন্ম হয় লিংগবাদৰ। যি উত্তৰাধিকাৰী সৃষ্টি হয় কেৱল বিষম লিংগৰ সম্পৰ্কৰ ফলশ্ৰুতিতহে। তৃতীয় লিংগ অথবা অন্য সমলিংগী সম্পৰ্কৰ জৰিয়তে যিহেতু সন্তান উৎপাদন সম্ভৱ নহয়। ই মাত্ৰ দৈহিক, মানসিক প্ৰয়োজনহে। গতিকে, পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই ইয়াক স্বীকৃতি প্ৰদান নকৰে। এনে তথাকথিত পুৰুষতান্ত্ৰিকতাত বিষম লৈংগিক যৌনতাৰ উচ্চ আদৰ্শৰ যি দৃষ্টিভংগী তাৰ বিপৰীতে অন্য লিংগৰ মানুহৰ প্ৰতি থকা অৱহেলাৰ বিৰোধিতা কৰি তথাকথিত পুৰুষতান্ত্ৰিক চিন্তা-চেতনাক প্ৰত্যাহ্বন জন্মাই সমাজচ্যুত কৰি অহা লিংগ সমূহৰ অধিকাৰ আৰু সমতাৰ দাবী তুলি জন্ম হৈছিল লিংগবাদৰ।

অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিতে সমাজত নাৰীৰ সম অধিকাৰৰ বাবে ইউৰোপত এক আন্দোলনৰ সূচনা হৈছিল। ব্যক্তিবাদী নাৰীবাদৰ পৰা মৌলবাদী নাৰীবাদ আৰু তাৰ পাছত সমাজবাদী নাৰীবাদৰলৈকে এই আন্দোলনে বিকাশ লাভ কৰিছিল। এই সমাজবাদী নাৰীবাদৰ পৰাই লেজবিয়ানিজিমৰ সৃষ্টি হৈছিল আৰু ইয়াৰ পৰাই ঊনবিংশ শতিকাৰ শেষ, বিংশ শতিকাৰ প্ৰথমাৰ্ধত লিংগবাদ নামে এক নতুন আন্দোলনে জন্ম তথা বিকাশ লাভ কৰিছিল।

## ১.৪ লিংগবাদ আৰু কুইয়ৰ তত্ত্ব

লিংগবাদৰ অন্তৰ্গত এটা বিষয় হৈছে ‘কুইয়ৰ তত্ত্ব’। কুইয়ৰ শব্দটো সাধাৰণতে সামাজিকভাৱে স্বীকৃতিপ্ৰাপ্ত লিংগৰ বাহিৰৰ ব্যক্তিক বুজাবলৈ ব্যৱহাৰ কৰা হয়। ১৯ শতিকাৰ শেষৰ ফালে সমকামী সম্পৰ্ক আৰু আকাংক্ষাক বুজাবলৈ কুইয়ৰ শব্দটো প্ৰথম ব্যৱহাৰ হৈছিল যদিও বৰ্তমান ই LGBTI+ ধাৰণাক সামৰি লয়। এই LGBTI+ ধাৰণাৰ অন্তৰ্গত আটাইকেইটা লিংগক একেলগে যি তত্ত্বৰ মাধ্যমেৰে আলোচনা কৰা হয়, সেই তত্ত্বটোকে ‘কুইয়ৰ তত্ত্ব’ বুলি কোৱা হয়।

*'সাহিত্য, সমাজ আৰু সাহিত্যতত্ত্ব'* শীৰ্ষক গ্ৰন্থখনত জুৰি দত্তই কুইয়ৰ চেতনা সম্পৰ্কে আলোচনা কৰি কুইয়ৰ তত্ত্ব সম্পৰ্কে কৈছে – *“কুইয়ৰ চেতনা বা কুইয়ৰ চিন্তনে সেইসকল লোকক প্ৰতিনিধিত্ব কৰে, যিসকল লোকে নাৰী-পুৰুষ, ল'ৰা-ছোৱালী, মতা-মাইকী আদি সুনিৰ্দিষ্ট বিভাজনৰ ধাৰণাটোৰ বাহিৰত অৱস্থান কৰে। ব্যক্তিৰ যৌনচেতনাৰ নাৰী-পুৰুষ আদিৰ যুগ্ম বৈপৰীত্যৰ ধাৰণাৰ বাহিৰৰ আন যিকোনো যৌন চেতনাৰ অস্তিত্ব স্বীকাৰ কৰি এনে চেতনাক প্ৰাকৃতিক আৰু স্বাভাৱিক বুলি প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাৰে সমাজতত্ত্ব, সাহিত্য, দৰ্শন আৰু সংস্কৃতি অধ্যয়নৰ যি তত্ত্বই আলোচনা কৰে, সহজ ভাষাত সেয়াই কুইয়ৰ তত্ত্ব।”*

## ১.৫ সাহিত্যত লিংগবাদ

লিংগবাদ হৈছে সাম্প্ৰতিক সময়ত বহুলভাৱে চৰ্চা লাভ কৰা এটা বিষয়। লিংগবাদে সাহিত্য-সমাজ সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছে। সাহিত্যত প্ৰতিফলিত হয় সমাজৰ নানান বিষয়। অন্যান্য বিষয়সমূহৰ দৰে লিংগবাদেও সাহিত্যত লাহে লাহে ঠাই পাইছে। এনে ক্ষেত্ৰত সাহিত্যিকসকলে সামাজিক লিংগ প্ৰসংগ, সামাজিক লিংগ বৈষম্য, তৃতীয় লিংগৰ চৰিত্ৰ, বিকল্প প্ৰেম আৰু যৌনাচাৰ, শাৰীৰিক লিংগ পৰিচয় আৰু মানসিক লংগ চেতনাৰ মাজত থকা বিৰুধমূলক চিন্তাধাৰা, সমলিংগৰ সম্পৰ্ক আদি বিষয়সমূহ নিৰ্বাচন কৰি লোৱা পৰিলক্ষিত হয়। এনে বিষয়সমূহক আধাৰ কৰি বিশ্বৰ বিভিন্ন ঠাইৰ বিভিন্ন ভাষাত ভিন্ ভিন্ সাহিত্য ৰচিত হৈ আহিছে। এইক্ষেত্ৰত, জেমছ বেল্ডউইনৰ পেৰিছৰ পটভূমিত দুজন পুৰুষৰ মাজৰ সম্পৰ্কক লৈ ৰচনা কৰা *"Giovanni's*

*Room"*, এলিছ ৱাকৰৰ *"The Color Purple"*, কেছি মেককুইষ্টনৰ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পুত্ৰ আৰু এজন ব্ৰিটিছ ৰাজপুত্ৰৰ মাজত হোৱা প্ৰেমৰ সম্পৰ্কক প্ৰতিফলিত কৰা *"Red, White & Royal Blue"*, এটা সমলিংগী সম্পৰ্কৰ বাস্তৱতা আৰু সমাজৰ সমলিংগী-বিৰোধী মনোভাৱৰ মাজত হোৱা সংঘাতৰ ওপৰত আধাৰিত ই.এম. ফৰষ্টাৰৰ *"Maurice"* আদি উপন্যাস বিশেষভাৱে উল্লেখযোগ্য।

ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰত অৰুন্ধতী ৰয়ৰ *'The Ministry of Utmost Happiness'* উপন্যাসখনৰ নাম লব পাৰি। ইয়াত এগৰাকী ৰূপান্তৰিত লিংগৰ মহিলাৰ জীৱন আৰু তেওঁ গঠন কৰা পৰিয়ালৰ কাহিনীৰ জৰিয়তে সমাজৰ অন্যায়, প্ৰেম, ক্ষতি আৰু সহনশীলতাৰ কথা প্ৰকাশ পাইছে। একেদৰে দুজন সমলিংগী পুৰুষৰ জীৱন, ভালপোৱা আদিক আধাৰ কৰি ৰচনা কৰা নীল মুখাৰ্জীৰ *'A Life Apart'*, আমেৰিকাত বসবাস কৰা এজন ভাৰতীয় সমলিংগী পুৰুষৰ জীৱন, তেওঁৰ আত্মপৰিচয়ৰ সংগ্ৰাম আদিক কেন্দ্ৰ কৰি লিখা ৰাকেশ সাত্যালৰ *'No One Can Pronounce My Name'*, অমৃতা পাতিলৰ এগৰাকী সমলিংগী মহিলাৰ মুম্বাইত ঘটা জীৱনৰ কাহিনী, প্ৰেম, বেদনা আৰু আত্ম-আৱিষ্কাৰৰ বিষয়বস্তুক লৈ ৰচনা কৰা 'Kari' আদি উপন্যাস উল্লেখযোগ্য। চুটিগল্পৰ ক্ষেত্ৰত ৱাসুধেন্দ্ৰৰ *'Mohanaswamy'*, দেৱদত্ত পট্টনায়কৰ *'Shikhandi and Other Tales They Don't Tell You'*, অৰুণি কাশ্যপৰ *'The Way You Want to Be Loved'* আদি ৰচনা অন্যতম।[২]

এইদৰেই বিশ্ব সাহিত্য তথা ভাৰতীয় সাহিত্যত লিংগবাদৰ চৰ্চা হৈ আছে।

## ১.৬ অসমীয়া সাহিত্যত লিংগবাদ

অসমীয়া সাহিত্যত নাৰী আৰু পুৰুষৰ মাজৰ লিংগভিত্তিক বৈষম্যৰ ভিত্তিত ৰচিত সাহিত্য বহু সময়ৰ আগৰ পৰাই পোৱা যায়। কিন্তু আধুনিক লিংগবাদৰ ধাৰণাটো বা কুইয়ৰ বিষয়টো অসমীয়া সাহিত্যত বহুত বেছি পুৰণি নহয়। সেয়ে অসমীয়া সাহিত্যত ইয়াৰ চিন্তা-চৰ্চা বৰ পাতলীয়া। বিংশ শতিকাৰ শেষভাগত আৰু একবিংশ

[২] https://www.waterstones.com › lgbtq-fiction-books

শতিকাৰ আগভাগত আধুনিক লিংগবাদৰ ভিত্তিত অসমীয়া সাহিত্যত কেতবোৰ উপন্যাস বা অন্যান্য সাহিত্য ৰচিত হৈছে।

লিংগ প্ৰসংগ সম্পৰ্কীয় উপন্যাসৰ ক্ষেত্ৰত ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যৰ 'মুক্তি' উপন্যাসখন উল্লেখযোগ্য। পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাটোৱে আৰোপ কৰা যি পুৰুষ আৰু নাৰীৰ যুগ্ম লিংগ বৈপৰীত্যৰ ধাৰণা, এই ধাৰণাৰ উপৰি অন্যান্য চেতনাসমূহকো প্ৰাকৃতিক আৰু স্বাভাৱিক বুলি প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস অসমীয়া সাহিত্যতো পৰিলক্ষিত হয়। এই ধাৰণাৰ প্ৰতিষ্ঠা লাভত বলিষ্ঠ ভূমিকা পালন কৰে 'মুক্তি' উপন্যাসখনে। এই উপন্যাসখন প্ৰথম প্ৰকাশিত হৈছিল ২০০৫ চনৰ 'আমাৰ অসম' কাকতৰ বিহুৰ সংখ্যাৰ আলোচনীত। পৰৱৰ্তী সময়ত ২০০৬ চনত এই উপন্যাসখনে গ্ৰন্থ আকাৰে প্ৰকাশ পায়। উপন্যাসখনত পুৰুষ যৌনকৰ্মী, লিংগ পৰিচয় গোপন আৰু সমকামী পুৰুষে আন পুৰুষৰ ওপৰত চলোৱা যৌন নিৰ্যাতন আদিৰ দৰে স্পৰ্শকাতৰ ঘটনাবোৰ অতি বলিষ্ঠ ৰূপত উপস্থাপিত হৈছে। সামাজিক লিংগ নিৰ্মিতিৰ প্ৰসংগ উপস্থাপন হোৱা আন এখন অসমীয়া উপন্যাস হৈছে ২০১৩ চনত প্ৰকাশিত অনুৰাধা শৰ্মা পূজাৰীৰ 'নীল-প্ৰজাপতি'। এই উপন্যাসখনৰ সম্পূৰ্ণ বিষয়বস্তু লিংগভিত্তিক নহয়, তথাপি ইয়াৰ কাহিনীৰ মাজত সামাজিক লিংগ প্ৰসংগৰ এটা বিষয় পোৱা যায়। উপন্যাসখনত কম পৰিসৰৰ ভিতৰতে তৃতীয় লিংগৰ বিষয়টো মানৱীয় দৃষ্টিকোণেৰে উপস্থাপিত হোৱা দেখা যায়। 'স্বপন' চৰিত্ৰটোৰ মাধ্যমেৰে উপন্যাসখনত তৃতীয় লিংগ, বিকল্প প্ৰেম আৰু যৌনাচাৰ তথা ইয়াৰ সৈতে জড়িত জটিল মানসিক সমস্যা আদি চিত্ৰিত হৈছে। তদুপৰি উপন্যাসখনৰ মাজত লিংগবাদী সমাজখনত তৃতীয় লিংগৰ লোকসকলে সন্মুখীন হোৱা শাৰীৰিক, মানসিক শোষণ আৰু সমস্যাৰো আভাস পোৱা যায়। শাৰীৰিক লিংগ পৰিচয় আৰু মানসিক লিংগ চেতনাৰ মাজত থকা বিৰোধমূলক চিন্তাধাৰা প্ৰকাশিত আন এখন উপন্যাস হৈছে মাইনী মহন্তৰ 'স্পৰ্শ'। উপন্যাসখনৰ মূল বিষয়বস্তুয়েই হৈছে লিংগবাদ বা লিংগভিত্তিক চিন্তা-চেতনা। এই উপন্যাসখনত স্বামীৰ দ্বাৰা উপেক্ষিত নাৰীয়ে পুৰুষতান্ত্ৰিক সমাজখনৰ নিৰ্ধাৰিত নিয়মৰ প্ৰতি প্ৰত্যাহ্বান জনাই আন নাৰীৰ সৈতে কৰা যৌনাচাৰ, বিপৰীত লিংগৰ ব্যক্তিক আকৰ্ষিত কৰাৰ প্ৰয়াস কৰিও ব্যৰ্থ হৈ অৱশেষত সমলৈংগিক সম্পৰ্কৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা আদি ঘটনা উপস্থাপিত হৈছে। পুৰুষতান্ত্ৰিক সমাজৰ তথাকথিত নিয়ম, পুৰুষ আৰু নাৰীৰ বৈপৰীত্যমূলক সম্বন্ধক স্বীকৃতি দিয়াৰ ধাৰণাক উপেক্ষা বা ব্যংগ কৰি, সমলিংগৰ সম্পৰ্কৰ জৰিয়তে পুৰুষতান্ত্ৰিক সমাজখনত লাভ কৰা অৱহেলা, অৱদমনৰ পৰা মুক্তি পোৱাৰ যি আগ্ৰহ বা প্ৰয়াস সেয়া এই 'স্পৰ্শ' নামৰ

উপন্যাসখনত এটি নাৰী চৰিত্ৰৰ মাজেৰে সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়। লিংগবাদ ধাৰণাৰ প্ৰতিফলন ঘটা আন এখন বিশিষ্ট উপন্যাস হৈছে ২০২০ চনত প্ৰকাশিত ৰুদ্ৰাণী শৰ্মাৰ 'ত্ৰিভুজ'। উপন্যাসখনৰ মূল বিষয়বস্তু হৈছে 'LGBTI(Q)' । ইয়াত 'LGBTI' বা 'কুইয়ৰ' ধাৰণাৰ ভিতৰুৱা মানুহখিনিৰ জীৱন, তেওঁলোকৰ মানসিক অৱস্থাৰ এক পৰিচয় পোৱাৰ লগতে সেই মানুহখিনিৰ দুৰৱস্থা, জীৱন-যান্ত্ৰণা তথা তেওঁলোকৰ আত্মপৰিচয়ৰ সংগ্ৰামৰ সজীৱ বৰ্ণনা পোৱা যায়। অসমীয়া সাহিত্যত লিংগবাদৰ ক্ষেত্ৰত 'জঁটাধাৰী' উপন্যাসখনো উল্লেখযোগ্য। ইয়াত লেজবিয়ানিজিম ধাৰণা বা চিন্তাধাৰাৰ প্ৰতিফলন পৰিলক্ষিত হয়। পুৰুষতান্ত্ৰিক সমাজখনে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ পৰা হাত সাৰিবৰ বাবে নাৰীয়ে পুৰুষৰ সংগ ত্যাগ কৰি নাৰী সংগিনীৰ সৈতে নিৰাপদ অনুভৱ কৰাৰ যি মানসিকতা বা চিন্তা সেয়া উপন্যাসখনত স্পষ্ট ৰূপত ফুটি উঠা পৰিলক্ষিত হয়।

উপন্যাসৰ দৰে অসমীয়া গল্প সাহিত্যতো লিংগ চেতনাৰ প্ৰতিফলন পৰিলক্ষিত হয়। অসমীয়া সাহিত্যত লিংগ চেতনা বা কুইয়ৰ বিষয়টো বৰ বেছি পুৰণি নহয় যদিও গল্পৰ ক্ষেত্ৰত এই বিষয়টোক লৈ একেবাৰে কাম নোহোৱাকৈও থকা নাই। অসমীয়া গল্পত লিংগ চেতনা সম্পৰ্কে আলোচনা কৰোঁতে প্ৰথমেই ক'ব লাগিব গোবিন্দ প্ৰসাদ শৰ্মাৰ 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান' নামৰ গল্পটোৰ কথা। প্ৰায় সমালোচকে তেখেতৰ এই গল্পটোকে প্ৰথম অসমীয়া কুইয়ৰ গল্প বুলি মতপোষণ কৰে। সমালোচক সকলৰ মতে শৰ্মাৰ এই গল্পটোৱেই প্ৰথম সমকামিতাৰ প্ৰতি থকা সমাজৰ দৃষ্টিভংগী সলনিৰ দুৱাৰখন মুকলি কৰিছিল। গোবিন্দ প্ৰসাদ শৰ্মাৰ পাছতে লিংগ চেতনাৰে গল্প ৰচনা কৰাৰ ক্ষেত্ৰত নাম ল'ব লাগিব গল্পকাৰ মৌচুমী কন্দলীৰ। তেখেতৰ 'কলা-বীথিকাত এটা ফিনিক্স', 'তৃতীয়ত্বৰ গল্প' আদি অসমীয়া সাহিত্যৰ উল্লেখযোগ্য কুইয়ৰ গল্প। লিংগ চেতনাৰে গল্প ৰচনা কৰা আন এজন গল্পকাৰ হৈছে অৰূপ কুমাৰ নাথ। তেখেতৰ 'নিষিদ্ধ শিলালিপিৰ পাঠ', 'ভগ্নস্বপ্ন' আৰু 'বাজীকৰ' এই তিনিটাৰ মাজেৰে প্ৰকাশ পাইছে সমকামী ব্যক্তি সকলৰ জীৱন সংগ্ৰাম, গভীৰ মানসিক অন্তৰ্দ্বন্দ্ব তথা অনিচ্ছা সত্ত্বেও সামাজিক পৰম্পৰাৰ সৈতে কৰিব লগীয়া হোৱা সহবস্থানৰ কথা। একেদৰে গল্পকাৰ গীতালি বৰাৰ 'জন্নত' নামৰ গল্পটোতো অংকিত হৈছে সমকামী ব্যক্তিৰ জীৱন গাথা। পঞ্চানন হজৰিকাৰ 'আন্ধাৰতকৈ উদাস বতাহতকৈ স্বাধীন', 'ৰৈ যোৱা গানত বাজি থকা ভালপোৱা', 'নিচা' আদিও উল্লেখযেগ্য কুইয়ৰ গল্প। মণিকা দেৱীৰ 'খোদাই' নামৰ গল্পটোও এইক্ষেত্ৰত অন্যতম। গল্পটোত সমকামী স্ত্ৰীৰ মনোজগতখন প্ৰতিফলিত হৈছে। গল্পকাৰে এটা হোষ্টেলৰ দুজনী ছোৱালীৰ মাজত গঢ়ি উঠা সমকামী আকৰ্ষণক আধাৰ হিচাপে লৈ গল্পটো ৰচনা কৰিছে।

এইবোৰৰ উপৰি অপু ভৰদ্বাজৰ 'মাইকীমুৰা', জিন্তু গীতাৰ্থৰ 'বিলয়', 'ছবিৰ ভ্ৰম, ভ্ৰমৰ ছবি', অনুৰাধা শৰ্মা পূজাৰীৰ 'যাত্ৰাসংগী', নন্দিতা দেৱীৰ 'বৃহন্নলা', অপূৰ্ব কুমাৰ শৰ্মাৰ 'অসামাজিক', প্ৰণৱ কুমাৰ বৰ্মনৰ 'ভেটিকানৰ গধূলি', মাইনী মহন্তৰ 'একোঠালী সেউজীয়া আন্ধাৰ', সপোন জ্যোতি ঠাকুৰৰ 'জ্যামিতিক প্ৰগ্ৰেছ', জুৰি বৰুৱাৰ 'গুগলী', অভিজিত বৰাৰ 'প্ৰাককথন' আদি অসমীয়া সাহিত্যৰ উল্লেখযোগ্য কুইয়ৰ গল্প। এইদৰেই লিংগ চেতনা বা কুইয়ৰ বিষয়টোক আধাৰ হিচেপে লৈ ৰচনা কৰা বিভিন্ন জন গল্পকাৰৰ বিভিন্ন গল্পই অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি ৰাখিছে।[৩]

কবিতাও হৈছে সাহিত্যৰ এক বিশিষ্ট অংশ। প্ৰেম, প্ৰকৃতি, সমাজ আদি বিভিন্ন বিষয়ৰ দৰে কুইয়ৰ বিষয়টোৰেও লাহে লাহে কবিতাত স্থান পাইছে। অসমীয়া সাহিত্যত লিংগ চেতনা বা কুইয়ৰ বিষয়টোক লৈ বিভিন্ন গল্প, উপন্যাসৰ লগতে বুজন সংখ্যক কবিতাও ৰচিত হৈছে। এই বিষয়টোক লৈ কবিতা ৰচনা কবিসকলৰ ভিতৰত অন্যতম হৈছে জনপ্ৰিয় কবি জোনমমি দাস। লিংগ চেতনাক আধাৰ কৰি ৰচিত তেখেতৰ এখন কবিতা পুথি হৈছে 'সমকামী সূৰ্য'। এই কবিতা পুথিখনৰ প্ৰায় ষাঠি শতাংশ কবিতা সমকামিতা বিষয়ক বুলি পুথিখনৰ পাতনিতে কবিয়ে উল্লেখ কৰিছে। জোনমণি দাসৰ কেইটামান উল্লেখযোগ্য কু ইয়ৰ কবিতা হৈছে – 'বটলৰ বৰষুণে', 'এটা বহল বৃত্তৰ ব্যাসাৰ্ধত', 'শুকান গছৰ গান', 'পাপৰ এপৃষ্ঠা' আদি। সাম্প্ৰতিক সময়ৰ আন এগৰাকী জনপ্ৰিয় কবি ময়ুৰী ডেকাৰ কবিতাতো লিংগ চেতনাৰ প্ৰতিফলন দেখা যায়। তেখেতৰ 'আন্ধাৰ কোঠালীৰ দুৱাৰ ভাঙি' এখন কুইয়ৰ চেতনাৰ কবিতা পুথি। ময়ুৰী ডেকাই তেওঁৰ 'চিলনীৰ জীয়েকৰ গান' আৰু 'চম্পাৱতীৰ সাধু' এই দুটা কবিতাত স্ত্ৰী-সমকামিতাক অংকন কৰিছে। আনহাতে, তেখেতৰ 'গ'ৰখীয়াৰ সাধু' কবিতাটো পুৰুষ সমকামিতাৰ সৈতে সম্পৰ্কিত। কবিয়ে এই কবিতাটো দুখন গাঁৱৰ দুজন গৰখীয়া ল'ৰাৰ প্ৰেম কাহিনীক আধাৰ কৰি ৰচনা কৰিছে। আকৌ কবিৰ 'নতুন বছৰ বুলিয়েই' কবিতাটোত প্ৰতিফলিত হৈছে তেখেতে কুইয়ৰ চেতনাক স্বাভৱিক বুলি গ্ৰহণ কৰাৰ মনোভাৱ। জোনমণি দাস আৰু ময়ুৰী ডেকাৰ উপৰি সাম্প্ৰতিক সময়ত আন বহুকেইজন কবিয়ে লিংগ চেতনা সম্পৰ্কীয় বিষয়ক আধাৰ হিচাপে লৈ কবিতা ৰচনা কৰিছে। উদাহৰণস্বৰূপে, দীপাংকৰ জ্যোতি বৰাৰ উশাহ, দাদুল ভূঞাৰ সমকামী আদি। এনেকৈয়ে অসমীয়া সাহিত্যত লাহে লাহে কুইয়ৰ বা লিংগ চেতনা বিষয়টোয়ে ঠাই পাবলৈ ধৰিছে।

---

৩ https://www.anyayug.com/p/article-november-2024_28.html?m=1

# দ্বিতীয় অধ্যায়

## ২.০ নিৰ্বাচিত উপন্যাসৰ পৰিচয়

## ২.১ ড° আকাশীতৰাৰ নিষিদ্ধ

অসমীয়া সাহিত্য জগতৰ এগৰাকী নবীন, উল্লেখযোগ্য সাহিত্যিক হৈছে ড° আকাশীতৰা শইকীয়া। কেইবাখনো উপন্যাসকে আদি কৰি নানান ৰচনাৰ মাজেৰে তেওঁ অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে। 'সেই প্ৰেম...দ্বিতীয় পৃষ্ঠাৰ সেই প্ৰেম', 'মোৰ প্ৰিয় পুৰুষবোৰ আৰু ইত্যাদি' আদি তেওঁৰ জনপ্ৰিয় গ্ৰন্থ। তেওঁৰ আন এখন বিশিষ্ট উপন্যাস হৈছে 'নিষিদ্ধ'। এই উপন্যাসখন প্ৰকাশ পাইছিল ২০১১ চনত। উপন্যাসখনত তেওঁ সমকামীসকলৰ জীৱনৰ বাস্তৱ দিশটো অংকন কৰিছে। পুৰুষ, নাৰী, তৃতীয় লিংগ আদি মানুহে জৈৱিক গঠনৰ ভিত্তিত নিৰ্মাণ কৰি লোৱা এক ধাৰণাহে মাত্ৰ। লিংগ, বৰ্ণৰ উৰ্দ্ধত এটা শৰীৰত থিতাপি লৈ থাকে এটা আত্মাই। প্ৰকৃতাৰ্থত আত্মাই আত্মা বিচাৰে, আত্মাৰ কোনো লিংগ নাথাকে আৰু ইয়েই এজন ব্যক্তিৰ পৰম সত্য। এই সন্দৰ্ভত লেখিকাই উপন্যাসখনৰ পাতনিত লিখিছে –

*" আচলতে মানুহৰ জীৱনত, সমাজক দোহাই দি পিন্ধা মুখাবোৰৰ আঁৰত আচল যিটো মানুহে হাহাঁকাৰ কৰি থাকে, সেই মানুহটোৰ লিংগ নাই, আত্মা আছে। আচল সত্যটো হৈছে- মৰম বিচৰাৰ, জৈৱিক প্ৰবৃত্তি সাম কটোৱাৰ আৰু মনৰ কথাবোৰ কবলৈ সঁচা কাৰোবাক বিচৰাৰ সত্য- সকলোৰে বাবে বেলেগ বেলেগ সত্য।"*

উপন্যাসখনত এনে কথাবোৰৰ স্পষ্ট প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। সমকামীসকলৰ প্ৰেম, সমাজত স্থান, তেওঁলোকে সন্মুখীন হোৱা শাৰীৰিক-মানসিক নিৰ্যাতন আদি বিভিন্ন দিশ উপন্যাসখনত জীৱন্ত ৰূপত তুলি ধৰা হৈছে। সেয়ে 'নিষিদ্ধ'ই সমকামীসকলৰ সকলো দিশ সামৰি লিখা এখন জনপ্ৰিয় সাহসী উপন্যাস হিচাপে স্বীকৃতি লাভ কৰিছে।

### ২.১.১ নিষিদ্ধ উপন্যাসৰ বিষয়বস্তু

অতীজৰে পৰা সমাজত নাৰী-পুৰুষৰ বাহিৰেও অন্যান্য লিংগৰ উপস্থিতিৰ প্ৰমাণ পোৱা যায়। নাৰী-পুৰুষৰ উপৰিও সমকামী পুৰুষ, সমকামী স্ত্ৰী, উভয়লিংগী আদি লিংগসমূহো সমাজৰ একোটা অংশ। কিন্তু

সমাজে এই লিংগসমূহক স্বীকৃতি প্ৰদান নকৰে। এই লিংগসমূহৰ দুখ-যন্ত্ৰণা, মানসিক অৱস্থা আদিক কেন্দ্ৰ কৰিয়ে 'নিষিদ্ধ' উপন্যাসখন ৰচনা কৰা হৈছে। এই উপন্যাসখনত তিনিটা ভিন্ন পটভূমিৰ তিনিটা কাহিনীৰ মাজেৰে গে', লেজবিয়ান, বাইচেক্সুৱেলিতি আদি লিংগ ধাৰণাক উপস্থাপন কৰা হৈছে।

উপন্যাসখনৰ প্ৰথম কাহিনীটো পুৰুষ সমকামী অৰ্থাৎ গে' আৰু উভয়লিংগী অৰ্থাৎ বাইচেক্সুৱেল ধাৰণাক আধাৰ হিচাপে লৈ ৰচনা কৰা হৈছে। এই কাহিনীটেত এনে লিংগৰ মানুহৰ সমাজৰ প্ৰতি থকা ভয়, সমাজে কৰা অৱহেলা-বঞ্চনা, আত্মাৰ লগৰী বিচাৰি হাবাথুৰি, প্ৰেমত প্ৰতাৰণা আদি বিষয় উপস্থাপিত হৈছে।

দ্বিতীয় কাহিনীটোৰ বিষয়বস্তু হৈছে স্ত্ৰী সমকামিতা। স্বামীৰ দ্বাৰা অৱহেলিত, নিৰ্যাতিত এগৰাকী নাৰীৰ জীৱনৰ প্ৰতি হেৰাই যোৱা বাসনা আৰু এগৰাকী নাৰীৰ পৰশত হেৰুৱা বাসনাৰ জী উঠাৰ হাবিয়াস এই কাহিনীটোত পোৱা যায়।

উপন্যাসখনৰ তৃতীয় অৰ্থাৎ শেষৰটো কাহিনীত ট্ৰান্সজেণ্ডাৰ, পুৰুষ বেশ্যা বা জিগল, গে আদিৰ কথা পোৱা যায়। ট্ৰান্সজেণ্ডাৰ সকলৰ মানসিক দ্বন্দ্ব জীৱনটো নতুনকৈ জীয়াৰ বাসনা, তেওঁলোকৰ ওপৰত সামাজে কৰা নিৰ্যাতন, যৌনতা, পুৰুষ বেশ্যা সকলৰ মানসিক অৱস্থা আদিক বিষয়বস্তু হিচাপে লৈ এই কাহিনীটো নিৰ্মাণ কৰা হৈছে।

## ২.১.২ নিষিদ্ধ উপন্যাসৰ কাহিনী

'নিষিদ্ধ' উপন্যাসখনত তিনিটা প্লটত তিনিটা ভিন্ন কাহিনী অংকণ কৰা হৈছে। গাওঁ, চহৰ আৰু সৰু চহৰ এখনৰ পটভূমিক লৈ এই কাহিনী তিনিটা নিৰ্মাণ কৰা হৈছে।

প্ৰথম প্লটৰ কাহিনীটোৰ নাম দিছে – 'যি কথা নহ'ল কোৱা'। এই কাহিনীটো এজন পুৰুষ সমকামীৰ। অভিমন্যু চলিহা চহৰৰ সম্ভ্ৰান্ত ঘৰৰ এজন নামী চিত্ৰকৰ, কবি, ভাস্কৰ্যশিল্পী। কাহিনীটোত তেওঁৰ ডায়াৰীৰ পৃষ্ঠাৰ মাজেৰে তেওঁৰ জীৱনটোক উপস্থাপন কৰা হৈছে। সহজ-সৰল অভিমন্যু চলিহাই চিত্ৰ-ভাস্কৰ্যবোৰৰ মাজতেই নিজকে জীয়াই ৰাখিছিল। বিবাহ বিচ্ছেদ, দুটাকৈ প্ৰেম বিচ্ছেদ, ঘৰুৱা কন্দল আদিয়ে অভিমন্যুক মানসিকভাৱে

হতাশ কৰি পেলাইছিল। এনে এক সময়তে অভিমন্যুয়ে লগ পাইছিল সমালোচক সূৰুযলোচন বৰুৱাক। সূৰুযলোচন বৰুৱাই অভিমন্যুৰ চিত্ৰৰ সমালোচনা কৰিছিল। ক্ৰমে দুয়োৰে মাজত বন্ধুত্ব আৰু তাৰ পাছত প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। অভিমন্যুয়ে সূৰুযক আত্মাৰ লগৰী বুলি বিবেচনা কৰিছিল। কিন্তু অভিমন্যুয়ে এই সম্পৰ্কতো প্ৰতাৰণা পাইছিল। হতাশাত অভিমন্যুয়ে নিজকে শেষ কৰি দিব খোজিছিল। কিন্তু বীৰৰ দৰে বন্ধুৰ সাহসত তেওঁ জীৱনটো নতুনকৈ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল।

উপন্যাসখনৰ দ্বিতীয় কাহিনীটোৰ প্লটৰ নাম হৈছে- 'ক'ত যে আছিলা'। ইয়াত ঝৰ্ণা বনিয়া আৰু ৰুবী বৰা এই দুটা চৰিত্ৰৰ মাজেৰে স্ত্ৰী সমকামীতা বিষয়টোক উপস্থাপন কৰা হৈছে। ৰুবী আৰু ঝৰ্ণাৰ চিনাকী হৈছিল এটা ক্লাৱত। ঝৰ্ণা আৰু ৰুবীৰ মাজত বন্ধুত্বৰ সম্পৰ্ক হৈছিল। ঝৰ্ণা অবিবাহিত সাহসী নাৰী। ৰুবী বিবাহিত, দুই সন্তানৰ মাতৃ। স্বামীৰ অৱহেলা, শাৰীৰিক-মানসিক নিৰ্যাতনে ৰুবীক পুৰুষ সংগীৰ প্ৰতি বিদ্বেষী কৰি তুলিছিল। জীৱনৰ আধা বয়সত ৰুবীয়ে নিজকে সমকামী ৰূপত অনুভৱ কৰিছিল। ৰুবীয়ে ঝৰ্ণাৰ মাজত নিজৰ জীৱন সংগীক বিচাৰি পাইছিল। দুয়ো প্ৰেমৰ সম্পৰ্কত বান্ধ খাই পৰিছিল। নাৰী-পুৰুষৰ বৈবাহিক স্বীকৃতিৰ যি সামাজিক বান্ধোন তাক নস্যাৎ কৰি তেওঁলোক বিবাহপাশত আৱদ্ধ হৈছিল। ঝৰ্ণা আৰু ৰুবীয়ে সমাজৰ লিংগভিত্তিক পৰম্পৰাগত দৃষ্টিভংগীৰ বিৰুদ্ধে সাহসেৰে থিয় দিছিল আৰু নিজৰ এখন সুকীয়া পৃথিৱী গঢ়ি তুলিছিল।

উপন্যাসখনৰ তৃতীয়টো কাহিনী হৈছে- 'নিষিদ্ধ'। এই কাহিনীটোত ট্ৰান্সজেণ্ডাৰ, পুৰুষ বেশ্যা বা জিগল', গে' আদিৰ কথা পোৱা যায়। ট্ৰান্সজেণ্ডাৰ সকলৰ মানসিক দ্বন্দ, জীৱনটো নতুনকৈ জীয়াৰ বাসনা, তেওঁলোকৰ ওপৰত সামাজে কৰা নিৰ্যাতন, যৌনতা, পুৰুষ বেশ্যা সকলৰ মানসিক অৱস্থা আদিক বিষয়বস্তু হিচাপে লৈ এই কাহিনীটো নিৰ্মাণ কৰা হৈছে। এখন সৰু গাঁৱৰ দুজন ল'ৰা কাৱৈ আৰু বুম্বাৰ কথাৰে কাহিনীটো আৰম্ভ কৰা হৈছে। কাৱৈ সমকামী আছিল আৰু বুম্বা আছিল ছোৱালীৰ দৰে। গাঁৱত দুয়োটাই যৌন কৰ্ম কৰি থকাৰ অৱস্থাত ধৰা পৰি গাঁৱৰ মানুহবোৰৰ পৰা বাচিবলৈ পলাই গুৱাহাটী পালেগৈ। গুৱাহাটীলৈ গৈ দুয়ো নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিল। বুম্বাই তাত মেক-আপ শিকি চিনেমা, ফেশ্বন আদিৰ জগতখনলৈ সোমাই গ'ল। আনহাতে কাৱৈ যৌন কৰ্মৰ লগত জড়িত হৈ HIVৰ চিকাৰ হৈ পৰিল। পাছত বুম্বাৰ সহায়ত ডাক্টৰৰ চিকিৎসা লৈ সি সুস্থ হবলৈ ধৰিলে। বুম্বাইও চিকিৎসা কৰি নিজৰ পুৰুষত্ব ঘূৰাই পালে। কাহিনীটোত যৌনতা, দেহ ব্যৱসায়, চিনেমা, ফেশ্বন জগত আদিৰ নিৰ্মম সত্য কিছুমান পোৱা যায়।

## ২.১.৩ নিষিদ্ধ উপন্যাসৰ চৰিত্ৰ

'নিষিদ্ধ' উপন্যাসখন তিনিটা ভিন্ন কাহিনীৰে ৰচিত। এই তিনিওটা কাহিনীৰ প্লট, চৰিত্ৰ আদিও ভিন্ন। প্ৰতিটো চৰিত্ৰৰ বৈশিষ্ট্য, জীৱন সংগ্ৰাম বেলেগ বেলেগ।

**প্ৰথম কাহিনীৰ চৰিত্ৰঃ-**

**মুখ্য চৰিত্ৰঃ**

**অভিমন্যু চলিহা-**

অভিমন্যু চলিহা এখন চহৰৰ নামী চিত্ৰকৰ তথা ভাস্কৰ্যশিল্পী। তেওঁ এজন ভাল কবিও। চল্লিশ বছৰ বয়সীয়া অভিমন্যুক দেখাত ত্ৰিশ বছৰীয়া যেনহে লাগে। তেওঁ প্ৰকৃতিক ভাল পায়, মানুহৰ চৰিত্ৰ অধ্যয়ন তেওঁৰ এক নিচা। অভিমন্যু মানুহজন সৃষ্টিশীল, বাস্তৱবাদী, অনুভূতিপ্ৰৱণ আৰু যথেষ্ট আশাবাদী।

অভিমন্যু এজন সমকামী। তেওঁ পুৰুষ যদিও নিজকে নাৰী হিচাপে পৰিচয় দি, নাৰীৰ দৰে সাজ-পোছাক কৰি ভাল পায়। তেওঁ কেৱল পুৰুষৰ প্ৰতিহে আকৰ্ষিত হয়। নাৰীক তেওঁ বান্ধৱী বা ভগ্নীৰ দৰে ব্যৱহাৰ কৰে।

"...মোৰ মানুহটো ক'ত আছা?' নিজকে সুধিলোঁ।..."[৪]

"...ডাঙৰেই কাম কৰিলোঁ। নিজৰ কথা কৈ দিলোঁ। স্থানীয় মুখ্য বাতৰিত এই বিবৃতিটো দি ক'লোঁ- মই যে সমকামী বা এয়া মোৰ 'Bromance' হ'ব পাৰে। ১৯৯০৩ এই শব্দটো net-ৰ পৰা উদ্ধাৰ কৰিছোঁ- এৰিষ্টটলে ৩০০ BCEতে কৈ গৈছিল, একে লিঙ্গৰ মাজত ৰোমান্স- ইয়াত যৌনতাৰ কোনো কথা নাই।..."[৫]

"...মোৰ বিবৃতিৰ পাছত চহৰে জানে মই পুৰুষৰ আকৃতিৰ এক নাৰী - মোৰ প্ৰিয়সঙ্গী পুৰুষ... ।"

---

[৪] ড° আকাশীতৰা, *নিষিদ্ধ*, পৃ. ০৯

[৫] উল্লিখিত, পৃ. ১১

নিজক সুধিবলৈ মোৰ দৰকাৰ নহ'ল, কাৰণ নিজক ভালকৈ চিনি পাওঁ। একেবাৰে জটিলতা নোহোৱাকৈ নিজক পঢ়িব পাৰোঁ। সেয়ে লোককো চিনি পাওঁ...।"[৬]

অভিমন্যুৰ ডায়েৰীৰ এনে কথাবোৰে তেওঁৰ সমকামিতাক স্পষ্টকৈ তুলি ধৰাৰ লগতে তেওঁৰ শক্তিশালী চৰিত্ৰৰো আভাস দিয়ে। কাৰণ, সমাজে সহজে স্বীকাৰ নকৰে বুলি জানিও তেওঁ সকলোৰে আগত নিজৰ সমকামিতাৰ কথা অকপটভাৱে প্ৰকাশ কৰিছে। তদুপৰি তেওঁৰ অন্তৰত থকা নাৰী হোৱাৰ বাসনা উপন্যাসখনত প্ৰকাশ পাইছে এইদৰে-

"...মোৰ এই ধুনীয়া পুৰুষৰ শৰীৰটোৰ ভিতৰত এজনী অকণমানী নাৰী শুই আছে। তাই তোমাৰ পৰিবাৰ ৰুমীতকৈ চাগৈ বেছি সংবেদনশীল।.."[৭]

"...এইয়া wax কৰি সৰ্বশৰীৰৰ পৰা আঁতৰাই পেলালোঁ নোমবোৰ, বিউটি পাৰ্লাৰলৈ গৈ চেলাউৰিখিনি থ্ৰেডিং কৰিলোঁ, ফেচিয়েল এটাও ল'লোঁ। চেলাউৰিখিনি মোৰ ধুনীয়া। এদিন সূৰুযে লিখিছিল- 'তুমি, তোমাৰ অহংকাৰ, তোমাৰ এটিটিউড, তোমাৰ টেলেন্ট আৰু তোমাৰ চেলাউৰিখিনি, আৰু তুমি বেলেগ সেয়ে ভালপাওঁ তোমাক'... নখত নেইলপলিচ লগালোঁ খোপা এটা বান্ধিলোঁ... ৰাম্নাই দি যোৱা বগা ৰঙৰ শাৰীখন উলিয়াই আনিলোঁ.....

আজি এইখন পিন্ধিম। কপালত এটা ক'লা বঙৰ ফোঁট...

আজি সম্পূৰ্ণ নাৰী হৈ ধৰা দিম।..."[৮]

উপন্যাসখনত এইদৰেই সমকামী পুৰুষ অভিমন্যুৰ চৰিত্ৰটো অংকন কৰিছে।

---

৬ উল্লিখিত, পৃ. ১৭

৭ উল্লিখিত, পৃ. ২০

৮ উল্লিখিত, পৃ. ৩৯

**গৌণ চৰিত্ৰঃ**

**সূৰুযলোচন বৰুৱা-**

সূৰুযলোচন বৰুৱা এজন সমালোচক তথা ব্যৱসায়ী। মানুহজন দ্বৈত চৰিত্ৰৰ। তেওঁ আচলতে যি হয়, সমাজৰ আগত তেনেকৈ নিজক প্ৰকাশ নকৰে। এক কথাত কবলৈ গ'লে সমাজৰ মুখা পিন্ধা ভদ্ৰলোক। তেওঁ সাংঘাটিক স্বাৰ্থপৰ আৰু অনুভূতিহহীন মানুহ। নিজৰ স্বাৰ্থৰ বাবে তেওঁ বহুত তললৈ যাব পাৰে, যিকোনো কাম কৰিব পাৰে।

সূৰুযলোচন বাইচেক্সুৱেল বা উভয়লিংগী। তেওঁ বিবাহিত আৰু দুই সন্তানৰ পিতৃ যদিও অভিমন্যু চলিহাৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলিছিল। অৱশ্যে এই সম্পৰ্কতো আছিল তেওঁৰ নিজা স্বাৰ্থ। তেওঁ সমাজলৈ ভয় কৰিছিল। সমাজৰ আগত নিজৰ বাস্তৱ ৰূপ উদঙাই দিয়াৰ সাহস তেওঁৰ নাই।

"...বাওঁ ছাঁটটোত, সূৰুয... হাতখন ধৰিব খোজোঁতে সূৰুযে কঠোৰকৈ ক'লে ইয়াত নহয়, মোৰ ব'চৰ ঘৰ সেইটো দেখি যাব... কৈ গ'ল সূৰুযে..."[৯]

উপন্যাসখনৰ এনে কথবোৰে সূৰুযৰ সমাজলৈ থকা ভয়ৰ আভাস দিয়ে।

**বীৰ-**

বীৰ অভিমন্যুৰ ভাল বন্ধু। বীৰৰ সৈতে অভিমন্যুৰ বন্ধুত্ব ত্ৰিশ বছৰীয়া। সকলো সময়তে, সকলো পৰিস্থিতিতে তেওঁ অভিমন্যুক লগ দিছিল। অভিমন্যুক ভাল-বেয়াৰ পথ দেখুৱাইছিল। বীৰ অভিমন্যুৰ শুভ চিন্তক। সি অভিমন্যুক সূৰুযলোচন বৰুৱাৰ আচল স্বৰূপৰ বিষয়ে বাৰে বাৰে সকীয়াই দিছিল।

"...Watch out... চাবি। নিজক চাবি। তোৰ পৰা একো নিবিচৰাকে; তই কি সেয়া জানি-শুনি আমি বন্ধুবোৰে তোক ভাল পাওঁ। তোক লৈ গৌৰৱ অনুভৱ কৰোঁ। নিজক দুখ নিদিবি। নিজৰ আত্মসন্মান সদায় যেনেকৈ ৰাখিছ তেনেকৈ ৰাখিবি।..."[১০]

---

[৯] উল্লিখিত, পৃ. ৩০
[১০]উল্লিখিত, পৃ. ৭১

বীৰে অভিমন্যুক বুজি পাইছিল, তেওঁৰ সৰলতাৰ কথা জানিছিল। অভিমন্যুৰ ভাল-বেয়া সকলো সময়ত সি নিস্বাৰ্থভাৱে লগ দিছিল।

## দ্বিতীয় কাহিনীৰ চৰিত্ৰঃ-

### মুখ্য চৰিত্ৰঃ

### ঝৰ্ণা বনিয়া-

ঝৰ্ণা বনিয়া এগৰাকী অভিযন্তা। তেওঁৰ বয়স সাতচল্লিশ বছৰ। তেওঁ চিধা-চাধা মানুহ। ঝৰ্ণাৰ আদৱ-কায়দা, পিন্ধন-উৰণ আদি একেবাৰে ল'ৰাৰ দৰে। কথা কম কয় কিন্তু যুক্তিৰ কথা কয়। সাহসী মনৰ। ঝৰ্ণা সমকামী বা লেজবিয়ান।

"...সাতচল্লিশ বছৰত প্ৰথমবাৰৰ বাবে মই প্ৰেমত পৰিছোঁ। এজনী নাৰী আনজনী নাৰীৰ প্ৰেমত।..."[১১]

উপন্যাসখনত ঝৰ্ণাৰ এনে স্বগোক্তিবোৰে তেওঁৰ সমকামিতাক তুলি ধৰে।

### ৰুবী বৰা-

ৰুবী বৰা পঞ্চল্লিশ বছৰীয়া এগৰাকী গৃহিনী। তেওঁ ভাল গান গায়। ৰুবী সহজ-সৰল, একেবাৰে নিৰ্জু প্ৰকৃতিৰ মানুহ। তেখেত বিবাহিত আৰু দুটি সন্তানৰ মাতৃ। স্বামীৰ অৱহেলা, নিৰ্যাতনে ৰুবীক পুৰুষ বিদ্বেষী কৰি তুলিছিল আৰু পাছত তেওঁ নিজকে সমকামী ৰূপত আৱিষ্কাৰ কৰিছিল। ৰুবী এগৰাকী আৱেগিক নাৰী আছিল। উপন্যাসখনত এই কথাৰ প্ৰতিফলন ঘটিছে এইদৰে-

"...কেতিয়াবা কোনোবাই, হাতেৰে স্পৰ্শ নকৰাকে অনুভূতিৰে চুই যায়। কেতিয়াবা শৰীৰৰ দূৰত্বই আৰু শৰীৰে কোনো ধৰণৰ প্ৰভাৱেই নেপেলাই সম্পৰ্কত কেতিয়াবা মৰম আৰু শ্ৰদ্ধাত দোঁ খাই যায় শব্দ- মন- আত্মা-

[১১] উল্লিখিত, পৃ. ১৪১

কেতিয়াবা কেতিয়াবা... নোৱাৰিলে আৰু কান্দোন ৰখাব ৰুবীয়ে CD-খিনি হাতত লৈয়েই ঝৰ্ণাক সাৱটি ধৰিলে... ঝৰ্ণাক আচৰিত কৰি।...”[১২]

## গৌণ চৰিত্ৰঃ

### অম্লান-

অম্লান বৰুৱা ৰুবীৰ স্বামী। তেওঁ এজন অহংকাৰী পুৰুষ। নিজৰ পত্নীক লৈ তেওঁ কেতিয়াও সুখী নহয়। বহু মহিলাৰ লগত তেওঁৰ অবৈধ সম্পৰ্ক আছিল। পত্নী ৰুবীৰ ওপৰত তেওঁ শাৰীৰিক-মানসিক অত্যাচাৰ চলাইছিল।

## তৃতীয় কাহিনীৰ চৰিত্ৰঃ-

### বুম্বা-

বুম্বা বিশ্বনাথ চাৰিয়ালিৰ জোকতলি নামৰ এখন গাঁৱৰ এটা পোন্ধৰ বছৰীয়া ল’ৰা। তাৰ ভাল নাম অৰ্থাৎ স্কুলৰ নাম আছিল নীৰৱ হাতীমূৰীয়া। ল’ৰা যদিও সি ছোৱালীৰ দৰে থাকিবলৈ, ছোৱালীৰ দৰে সাজ-পোছাক পিন্ধি সাজোন-কাছোন কৰিবলৈ ভাল পাইছিল। ঊল গোঁথা, চিলাই কৰা আদি কামবোৰ তাৰ নিচা আছিল। সহজ-সৰল, সৎ মনৰ হোৱাৰ লগতে সি এটা কঠোৰ পৰিশ্ৰমী ল’ৰা। সি ঘৰুৱা প্ৰায় কাম-কাজতে পাকৈত। ছোৱালীৰ দৰে হলেও পাছত বুম্বাই নিজৰ পুৰুষত্ব ঘূৰাই পাইছিল। নিজৰ পৰিশ্ৰমৰ বলতে সি পাছত এজন ভাল মেক-আপ আৰ্টিষ্ট হৈছিল।

---

[১২] উল্লিখিত, পৃ. ১৪০

**কাৰৈ-**

কাৰৈও বুম্বাৰ একে গাঁৱৰ। কাৰৈ আৰু বুম্বা একে পৰিয়ালৰ। কাৰৈৰ বয়স চৈধ্য বছৰ। তাৰ ভাল নামটো হৈছে নিবিড় হাতীমূৰীয়া। সি সৰুৰে পৰা ভাং, বিড়ি, চিগাৰেট আদি নিচা কৰে। তাৰ স্বাস্থ্য পাতিও দুৰ্বল। অৱশ্যে সি যথেষ্ট সাহসী আৰু টেঙৰ। কিন্তু কামত তাৰ কোনো ৰাপ নাই। সি এলেহুৱা আৰু কামচোৰ স্বভাৱৰ। কাৰৈ সমকামী আছিল। উপন্যাসখনত তাৰ সমকামিতা প্ৰকাশ পাইছে এইদৰে-

“....'মোক একেবাৰে চলমান খানৰ দৰে লাগিছে নহয় বু...?' কাৰৈয়ে সুধিলে?

'শুন বু... জেলত অলপমান ব্যায়াম কৰিছিলোঁ চা, এইয়া মোৰ বাহু। তোৰ লগৰ ল'ৰাবোৰে দেখিলে পাগল হৈ যাব??'

: ল'ৰা কিয়? ছোৱালীয়েহে ল'ৰা দেখিলে পাগল হয়?

: তই দেখোন জানই বুম্বা মাত্ৰ দুবছৰতে মানুহৰ স্বভাৱ সলনি নহয়। পাহৰি গ 'লি কথাবোৰ??

: সৰুৰে পৰা মোৰ ল'ৰা মানুহেই ভাল লাগে। আৰু ল'ৰা মানুহবোৰৰো মোকেই ভাল লাগে।.......”[১৩]

## ২.২ পুষ্পাঞ্জলি শিৰম শৰ্মাৰ 'আকাভাইন'

নাৰী-পুৰুষ এই দুটা সত্ত্বাৰ উপৰিও সমাজৰ আন এক অংশ হৈছে ‘তৃতীয় লিংগ(কিন্নৰ)’ বা ‘ট্ৰান্সজ্যেণ্ডাৰ’ ব্যক্তিসকল। পৰম্পৰাগত সমাজখনে স্বীকৃতি প্ৰদান নকৰা এই কিন্নৰ বা তৃতীয় লিংগৰ ব্যক্তিসকলৰো আছে এখন নিজা সমাজ। এই কিন্নৰ সকলৰ, কিন্নৰ সমাজৰ বহু নজনা কথাৰে ৰচিত এখন উপন্যাস হৈছে পুষ্পাঞ্জলি শিৰম শৰ্মাৰ ‘আকাভাইন’। সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী অন্যতম লেখিকা হৈছে পুষ্পাঞ্জলি শিৰম শৰ্মা। সৰুৰে পৰা বিভিন্ন আলোচনী, বাতৰিকাকত আদিত তেওঁ সাহিত্য চৰ্চা কৰি আহিছে। শতাধিক কবিতা, প্ৰবন্ধ

---

[১৩] উল্লিখিত, পৃ. ২৫৭

আদি তেওঁ অসমীয়া সাহিত্যলৈ আগবঢ়াইছে। তেখেতৰ আকাভাইন উপন্যাসখন অসমীয়া সাহিত্যত এক নতুন সংযোজন। এই উপন্যাসখন প্ৰকাশ পাইছিল ২০২৪ চনত।

'আকাভাইন' হৈছে প্ৰধানতঃ কুক দ্বীপপুঞ্জৰ এটি মাওৰী শব্দ যিয়ে, কুক দ্বীপপুঞ্জৰ মাওৰী সংস্কৃতিৰ তৃতীয় লিংগৰ মহিলাসকলক বুজায়।[১৪]

যিহেতু 'আকাভাইন' শব্দটোৱে তৃতীয় লিংগৰ ব্যক্তিসকলক প্ৰতিনিধিত্ব কৰে, গতিকে লেখিকাই কিন্নৰৰ জীৱন কাহিনীৰে ৰচিত উপন্যাসখনৰ নাম দিলে 'আকাভাইন'। আকাভাইন শব্দটোৰ সন্দৰ্ভত ঔপন্যাসিকা গৰাকীয়ে উপন্যাসখনৰ পাতনিত লিখিছে-

'আকাভাইন' শব্দটো প্ৰধানকৈ প্ৰশান্ত মহাসাগৰীয় এটা দ্বীপপুঞ্জৰ লোকসকলৰ মাজত সততে ব্যৱহাৰ হয়।

সেই দ্বীপটো কুক দ্বীপপুঞ্জ বুলি জনা যায়।

তাত বসবাস কৰা কিন্নৰসকলক 'আকাভাইন' নামেৰে জনা যায়।

তাত এনে একাংশ পুৰুষ আছে যিয়ে মহিলাৰ কাম কৰি ভাল পায়, দেহৰ ভাৱ-ভংগী বা গঠন তেওঁলোকৰ নাৰীসুলভ হয় আৰু মহিলাৰ দৰে সাজ-পোছাক পিন্ধি ভাল পায়।[১৫]

উপন্যাসখনত লেখিকাই কিন্নৰসকলৰ বাবে গঠিত আইন, কিন্নৰসকলক লৈ প্ৰচলিত বিশ্বাস আদিৰ দৰে কিছু কথাও উল্লেখ কৰিছে।

## ২.২.১ 'আকাভাইন' উপন্যাসৰ বিষয়বস্তু

পৃথিৱীত নাৰী-পুৰুষৰ উপৰি অন্য লিংগৰ উপস্থিতিৰো এক ইতিহাস প্ৰসিদ্ধ প্ৰমাণ পোৱা যায়। তৎসত্ত্বেও কিন্তু সমাজে নাৰী আৰু পুৰুষ এই দুই সত্তাকে স্বীকৃতি প্ৰদান কৰি আহিছে। অন্য লিংগসমূহক সমাজে স্বীকৃতি

[১৪] পুষ্পাঞ্জলি শিৰম শৰ্মা, আকাভাইন, পৃ. ০৫
[১৫] উল্লিখিত, পৃ. ০৪

নিদিয়ে তথা তেওঁলোকৰ উপস্থিতিক নস্যাৎ কৰিব খোজে। বৰ্তমান এই লিংগসমূহৰ অধিকাৰৰ দাবীত বহু আন্দোলন হৈছে তথা আইনেও এই লিংগসমূহক মৰ্যাদা প্ৰদান কৰিছে যদিও সমাজে এই অধিকাৰ বা স্বাকৃতি দিব নিবিচাৰে। সমাজত বৰ্তমানো এইসকল লোক পদে পদে নিৰ্যাতিত, শোষিত আৰু নিজৰ স্বাধীনতা, অধিকাৰৰ পৰা বঞ্চিত। সমাজৰ দ্বাৰা অৱহেলিত এনে লিংগৰ এক শ্ৰেণী হৈছে 'কিন্নৰ' বা 'তৃতীয় লিংগ'ৰ ব্যক্তিসকল। ইংৰাজীত এইসকল লোকক 'ট্ৰান্সজেণ্ডাৰ'( transgender ) বুলি কোৱা হয়। এই তৃতীয়লিংগৰ ব্যক্তিসকলক কেন্দ্ৰ কৰিয়েই ৰচনা কৰা হৈছে 'আকাভাইন' উপন্যাসখন।

আকাভাইন উপন্যাসৰ মূল হৈছে সমাজৰ তৃতীয় লিংগৰ ব্যক্তিসকলৰ জীৱন। এই ব্যক্তিসকলৰ মানসিক দ্বন্দ, হতাশাগ্ৰস্ত জীৱন, ঘাট-প্ৰতিঘাট, সমাজে কৰা শাৰীৰিক-মানসিক নিৰ্যাতন, নিজৰ অধিকাৰৰ বাবে, নিজকে সমাজত প্ৰতিষ্ঠা কৰিবৰ বাবে কৰা সংগ্ৰাম আদি উপন্যাসখনৰ বিষয়বস্তু। উপন্যাসখনত এগৰাকী কিন্নৰে সমাজত জীয়াই থাকিবৰ বাবে, নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে অহৰহ যি কষ্ট, যি সংগ্ৰাম কৰিবলগীয়া হয় তাৰ স্পষ্ট বাস্তৱ চিত্ৰ এখন দেখিবলৈ পোৱা যায়। চৰিত্ৰ, ঘটনা কাল্পনিক হলেও উপন্যাসখন যথেষ্ট বাস্তৱিক আৰু তথ্যসমৃদ্ধ। লেখিকাৰ কথাৰে-

*আকাভাইনৰ প্ৰায়বোৰ চৰিত্ৰ আৰু ঘটনা কাল্পনিক। তথ্য আৰু গৱেষণা পত্ৰৰ উপৰি কিন্নৰ ভিত্তিক কিছুমান গ্ৰন্থৰ পৰা প্ৰাপ্ত সূত্ৰ অনুসৰি আৰু আমি ব্যক্তিগতভাৱে লগ পোৱা কেইজনমান কিন্নৰৰ সাৎক্ষাকাৰ তথা অনুভৱবোধক মূল উপজীব্য কৰি কাহিনীটো আগবঢ়োৱা হৈছে।*

## ২.২.২ 'আকাভাইন' উপন্যাসৰ কাহিনী

আকাভাইন উপন্যাসখনৰ কাহিনীটো এগৰাকী কিন্নৰ অৰ্থাৎ এগৰাকী তৃতীয় লিংগৰ ব্যক্তিৰ। এই কাহিনীটো বিজিতৰ পৰা বিজিতা হোৱাৰ এক সংগ্ৰামী যাত্ৰাৰ। উপন্যাসখন এগৰাকী কিন্নৰৰ অকথিত জীৱন গাথা।

বিজিত এখন সৰু গাঁৱৰ চৈধ্য বছৰীয়া এজন স্কুলীয়া ছাত্ৰ। পৰিয়ালত মাক, দেউতাক, বায়েক আৰু সি। সৰুৰে পৰা তাৰ স্বভাৱ, আচাৰ-আচৰণ বেলেগ ল'ৰাবোৰতকৈ অলপ পৃথক আছিল। সি লগৰ ল'ৰাৰ লগত খেলাতকৈ, থকাতকৈ লগৰ ছোৱালী গৌৰী, মিনু আৰু ৰশ্মিহঁতৰ লগত থাকি, ওমলিহে বেছি ভাল পাইছিল।

ক্ৰিকেট খেল, বল খেলতকৈ তাক বায়েকৰ কাপোৰবোৰে, খাৰু, লিপষ্টিক, গৌৰীহঁতৰ ভৰিৰ পায়েলৰ ৰুণজুণ শব্দ আদিয়েহে আকৰ্ষণ কৰিছিল। সি আইনাৰ আগত নিজকে বাৰে বাৰে চাইছিল কিন্তু নিজৰ ল'ৰাৰ ৰূপটোত যেন সুখী নাছিল। তাৰ মনটোৱে নিজকে ছোৱালীৰ ৰূপতহে চাবলৈ বিচাৰিছিল। সি ছোৱালীৰ লগত ছোৱালীৰ দৰে থাকি বেছি ভাল পাইছিল, তেনেকৈয়ে সি সুখী আছিল।

কিন্তু জীৱনটো সদায় একেই নাথাকে। হঠাতে অহা এজাক ধুমুহাই যেন তাৰ জীৱনটো সলাই পেলালে। লাহে লাহে হৈ অহা তাৰ শাৰীৰিক পৰিৱৰ্তনৰ ফলত সি বহু সমস্যাৰ সমুখীন হবলৈ ধৰিলে। তাৰ লগৰ ল'ৰা আনকি কিছু শিক্ষকেও তাক 'হিজিৰা' বুলি জোকাবলৈ আৰম্ভ কৰিছিল। আনকি মাত্ৰ চৈধ্য বছৰ বয়সতে সি ধৰ্ষণৰ বলি হৈছিল। এই ঘটনাবোৰে বিজিতক মানসিকভাৱে ভাঙি পেলাইছিল। গাঁৱত পোৱা নানা নিৰ্যাতনৰ ফলত সি অতিষ্ঠ হৈ মুম্বাইত থকা মাহীয়েকৰ ঘৰলৈ গুছি গৈছিল, এটা নতুন জীৱনৰ সন্ধানত।

মুম্বাইলৈ যোৱাৰ পাছতো আঘাটবোৰে তাৰ লগ এৰা নাছিল। কিন্তু সেই সময়তে সি লগ পাইছিল তাৰ দৰে ছোৱালী হৈ থাকিব বিচৰা এজন ল'ৰা প্ৰণামক। সিহঁত দুয়োয়ে দুয়োক বুজি পাইছিল আৰু ভাল বন্ধু হৈ পৰিছিল। দুয়ো কিন্নৰ সমাজত যোগদান কৰি 'ডেৰা' নামৰ ঘৰত গুৰুমাৰ ছত্ৰছায়াত থাকিবলৈ লৈছিল। দুয়ো হৈ পৰিছিল বিজিতৰ পৰা বিজিতা আৰু প্ৰণামৰ পৰা প্ৰণামী। আন কিন্নৰসকলৰ দৰে ভিক্ষা কৰা, আশীৰ্বাদ দিয়া, নৃত্য কৰা আদি কামত কিন্তু বিজিতা সুখী নাছিল। তাইৰ চিন্তাধাৰা অলপ ভিন্ন আছিল। পিছে বেলেগ কাম নোপোৱাত তাইও বাকী কিন্নৰসকলৰ দৰেই ভিক্ষা কৰা, আশীৰ্বাদ দিয়া কামবোৰেই কৰিব লগীয়া হৈছিল। বিজিতাই জীৱনটো তাইৰ মতে জীয়াব বিচাৰিছিল। কিতাপৰ প্ৰতি আছিল তাইৰ এক অদ্ভুত নিচা। ৰেলৰ ডবাত ভিক্ষা খোজি থাকোঁতেই তাই এদিন লগ পাইছিল অৰ্ধেন্দু ৰয়ক। ৰয়ে কিন্নৰসকলক লৈ এখন কিতাপ লিখি আছিল, য'ত বিজিতা মুখ্য চৰিত্ৰ হৈ পৰিছিল। ৰয় চাহাবৰ লগত বিজিতাৰ বন্ধুত্ব গঢ়ি উঠিছিল আৰু ৰয়ে অভিৱাকৰ দৰে তাইক সদায় ভাল দিহা-পৰামৰ্শ দিছিল। ৰয়ৰ বিশ্বাসতেই তাই এদিন কলিকতালৈ গুছি গৈছিল আৰু এটা নতুন অধ্যায়ৰ আৰম্ভণি কৰিছিল। কলিকতাত প্ৰথমে তাই কল চেণ্টাৰত কাম কৰিছিল আৰু পাছলৈ ফেশ্বন শ্ব'ত কিন্নৰ মডেল হিচাপেও নিমন্ত্ৰণ পাবলৈ ধৰিলে। বিজিতাই সমাজৰ বাবে, কিন্নৰসকলৰ উন্নয়নৰ বাবে ভাল ভাল কাম কৰি গৈছিল। তাই নিস্বাৰ্থভাৱে সমাজ কল্যাণত ব্ৰতী হৈছিল। লাহে লাহে বিজিতা সকলোৰে

পৰিচিত নাম এটি হৈ পৰিছিল। এইদৰেই বিজিতৰ পৰা বিজিতা হৈ তাই সমাজত আত্মপৰিচয় গঢ়ি তোলাৰ লগতে কিন্নৰসকলৰ বাবে এক আদৰ্শৰ সৃষ্টি কৰিছিল।

এয়া অস্তিত্বৰ সংকটত ভুগা ল'ৰাৰ পৰা ছোৱালী হৈ নতুনকৈ জীৱনটোক সজাই তোলা এজন কিন্নৰৰ অকথিত জীৱন কাহিনী। এই কাহিনীটোক লেখিকাগৰাকীয়ে উপন্যাখনত জীৱন্ত ৰূপত উপস্থাপন কৰিছে। কাহিনীটোত কিন্নৰ সমাজৰ, কিন্নৰ সকলৰ বহু নজনা কথাৰ প্ৰতিফলন ঘটিছে।

## ২.২.৩ 'আকাভাইন' উপন্যাসৰ চৰিত্ৰ

আকাভাইন উপন্যাসখনত বহুতো চৰিত্ৰৰ সমাৱেশ ঘটিছে। উপন্যাসখনৰ কাহিনীটো সুসজ্জিত ৰূপত আগবঢ়াই নিবৰ বাবে লেখিকাই উপন্যাসখনত পৰিৱেশ-পৰিস্থিতি অনুসৰি বিভিন্ন চৰিত্ৰৰ অংকন কৰিছে। আকাভাইন উপন্যাসৰ চৰিত্ৰসমূহক মুখ্য চৰিত্ৰ আৰু গৌণ চৰিত্ৰ এই দুটা শ্ৰেণীত ভগাই আলোচনা কৰিব পাৰি।

### আকাভাইন উপন্যাসৰ মুখ্য চৰিত্ৰঃ-

### (ক) বিজিতা-

উপন্যাসখনৰ মুখ্য চৰিত্ৰটো হৈছে বিজিতা। তেওঁ এগৰাকী 'কিন্নৰ' বা 'ট্ৰান্সজেণ্ডাৰ'। তেওঁ অশেষ কষ্টৰ পাছত ল'ৰাৰ পৰা ছোৱালীলৈ ৰূপান্তৰ হৈছিল, বিজিতৰ পৰা বিজিতা হৈছিল।

সৰুৰে পৰাই বিজিতে ল'ৰা হৈও ছোৱালীৰ দৰে থাকি ভাল পাইছিল। সি ছোৱালীৰ দৰে সাজোন-কাছোন কৰি, কাপোৰ পিন্ধি ভাল পাইছিল। লগৰ বন্ধুবোৰতকৈ বান্ধৱীবোৰৰ লগত থাকি, ওমলিহে সি বেছি ভাল পাইছিল। ছোৱালীৰ বস্তুবোৰেহে তাক আকৰ্ষণ কৰিছিল।

"...ল'ৰা হৈও কিয় জানো তাৰ লগৰ ছোৱালীবোৰৰ স'তেহে ৰং-ধেমালি কৰি, তামাচা-ফূৰ্তি কৰি বেছি আনন্দ পাইছিল।

কাষৰে ঘৰৰ গৌৰীৰ লগতহে বেছি সময় কটাই সি সৰুৰে পৰা ডাঙৰ হৈ এতিয়া স্কুলীয়া দেওনাও পাৰ হ'ব।

লগৰ ল'ৰাবোৰৰ লগত বল-বেট খেলাতকৈ গৌৰী আৰু তাইৰ লগৰকেইজনীৰ নেইলপলিচটোৰ ৰংবোৰতহে সি হেৰাই গৈ আনন্দ পাইছিল।

সিহঁতৰ লগত ভাতৰন্ধা খেলা, ঘৰ ঘৰ খেলা আৰু কুট কুট, লাচ খেলাতহে সি পাকৈত।

সীমাহীন আনন্দ পাইছিল সেইবোৰত সি।

মাজে মাজে গৌৰীয়ে আলতা লগালে আৰু ফুটফুটীয়া ফ্ৰকটো পিন্ধিলে তাৰো সেইদৰে আলতা লগাব আৰু ফ্ৰকটো পিন্ধিব মন যায়।..."[১৬]

উপন্যাসখনৰ এনে কথাবোৰে বিজিতৰ শৰীৰত নাৰী মনৰ অস্তিত্বৰ স্পষ্ট ছবি তুলি ধৰে।

"...শূন্যলৈ চালে সি, যি শূন্যত ভগৱান নিহিত আছে।

: আশাত পাখি লগাই লৈছো, এতিয়া শব্দ নোহোৱাকৈ সুৰ এটি বাজি উঠিব আৰু মই উৰিব সাজু অন্তহীন সীমনালৈ।

স্বগোক্তি কৰিলে বিজিতে ওপৰলৈ চাই।..."[১৭]

এই উপন্যাসখনৰ এনে বাক্য বা বৰ্ণনাবোৰে বিজিতৰ চৰিত্ৰটোক সাহসী তথা আশাবাদী ৰূপে উপস্থাপন কৰে। মানসিক-শাৰীৰিক নিৰ্যাতন, ধৰ্ষণ, বিভিন্নজনৰ ঠাট্টা-মস্কৰা আদিৰ পাছতো বিজিতে জীয়াই থকাৰ হেঁপাহ এৰি দিয়া নাছিল, যুঁজিবলৈ সাজু হৈছিল। আৰু জীৱনটোক নতুনকৈ জীয়াৰ আশা, হেঁপাহ আৰু সাহসবোৰৰ বাবে সি বিজিতৰ পৰা বিজিতা হ'ব পাৰিছিল, সিৰ পৰা তাই হ'ব পাৰিছিল।

---

[১৬] উল্লিখিত, পৃ. ৪০
[১৭] উল্লিখিত, পৃ. ৫৫

বিজিতাৰ চিন্তাধাৰাও আছিল সুকীয়া। আন কিন্নৰসকলতকৈ তাই কথাবোৰ বেলেগকৈ চিন্তা কৰিছিল, জীৱনটো বেলেগকৈ জীয়াব বিচাৰিছিল। উপন্যাসনৰ বহু ঠাইত বিজিতাৰ চৰিত্ৰৰ এই দিশটোৰ প্ৰতিফলন ঘটা দেখা যায়।

"......কিন্তু পেটে পেটে বিজিতাই হিজৰাৰ 'গতানুগতিক' পদ্ধতিৰে কেৱল 'ভিক্ষা' খুজি সিহঁতে ধন উপাৰ্জন কৰিব বিচৰা নাছিল।

বিগলিত এতিয়া তাইৰ অন্তৰাত্মাৰ পৰিধি। কলৈ পোনাব বাট?

কিন্তু তাইৰ সপোনৰ পৰিধি আছিল অন্যতকৈ বিশাল।

মাজে মাজে ওচৰৰ লাইব্ৰেৰীটোলৈ এপাক হ'লেও যাব নাপাহৰে তাই।..."[১৮]

উপন্যাসখনত বিজিতাৰ চৰিত্ৰটোক এটা ব্যতিক্ৰমী চৰিত্ৰৰূপে অধিক স্পষ্ট কৰে এই কথাষাৰে-

".....কিন্নৰসকলে প্ৰায়ে বেশ্যাবৃত্তি আৰু ভিক্ষাৰ আশ্ৰয় লৈয়ে জীৱন নিৰ্বাহ কৰে। বেলেগ কাম কৰিবলৈ সমাজে সহজে অনুমতি নিদিয়ে।

কিন্তু বিজিতাৰ চিন্তাবোৰ যেন অলপ বেলেগ আছিল।

তাই জীৱনটোক অন্য কিন্নৰৰ দৰে ল'ব নিবিচাৰে।

তাইৰো সপোন আছে কিবা এটা ভাল কৰাৰ।

অৰ্থৱহ কৰাৰ।..."[১৯]

বিজিতাৰ চৰিত্ৰত এগৰাকী মমতাময়ী মাতৃৰ ৰূপো দেখিবলৈ পোৱা যায়। ৰেলৰ ট্ৰেকত ভিক্ষা খোজি থকা সৰু ছোৱালী এজনীক ঘৰলৈ আনি তাই নিজৰ ছোৱালী হিচাপে তুলি লৈছিল।

---

[১৮] উল্লিখিত, পৃ, ১৩২
[১৯] উল্লিখিত, পৃ, ১৪৯

"...কল্যাণীক তাই লালন-পালন কৰিব। ডাঙৰ-দীঘল কৰিব আৰু স্কুললৈ পঠিয়াব। এগৰাকী ভাল মানুহ বনাব তাইক। এগৰাকী স্বাবলম্বী নাৰী, তাইৰ দৰে।..."[২০]

উপন্যাসখনত এইদৰেই লেখিকাই মুখ্য চৰিত্ৰটো অংকন কৰিছে। নানা ঘাট-প্ৰতিঘাটৰ মাজেৰে বিজিতাই জীৱনটো নকৈ সজাই তুলিছিল। বিজিতৰ পৰা বিজিতা হৈ বহু সংগ্ৰাম কৰি তাই সমাজত নিজকে প্ৰতিষ্ঠা কৰিছিল।

## আকাভাইন উপন্যাসৰ গৌণ চৰিত্ৰঃ-

### (ক) প্ৰণামী-

প্ৰণামী হৈছে বিজিতাৰ বান্ধৱী। তেওঁ এগৰাকী কিন্নৰ। বিজিতাৰ দৰে তেওঁও প্ৰণামৰ পৰা প্ৰণামী হৈছিল। মুম্বাইলৈ আহি বিজিতাই প্ৰণামীক লগ পাইছিল। প্ৰণামী সহজ-সৰল মনৰ আছিল। তাই সকলো সময়তে বিজিতাক লগ দিছিল। বিজিতাৰ দৰে প্ৰণামীৰ চিন্তাধাৰাও অন্য কিন্নৰসকলতকৈ পৃথক আছিল। কিন্তু বিজিতাৰ দৰে আগবাঢ়ি যাবলৈ, নিজৰ অধিকাৰৰ বাবে যুঁজ দিবলৈ কোনোবাখিনিত তাইৰ সাহসৰ অভাৱ আছিল।

### (খ) অৰ্ধেন্দু ৰয়-

অৰ্ধেন্দু ৰয় এগৰাকী লেখক আছিল। তেওঁ কলিকতাৰ বাসিন্দা আছিল। তৃতীয় লিংগ বা কিন্নৰসকলৰ বিষয়ে তেওঁ এখন গৱেষণাধৰ্মী কিতাপ লিখিছিল। তেওঁ যথেষ্ট অধ্যৱসায়ী আৰু নিস্বাৰ্থ মনৰ ব্যক্তি। সমাজ কল্যাণৰ লগতে কিন্নৰসকলৰ বাবেও তেওঁ নিস্বাৰ্থভাৱে কাম কৰি গৈছিল। বিজিতাক নতুন জীৱন এটা লাভ কৰাত ৰয় বাবুয়ে যথেষ্ট সহায় কৰিছিল। তাই কলিকতালৈ অহাত সহায় কৰা মূল ব্যক্তিজনেই আছিল ৰয় বাবু। তেওঁ বিজিতাক কলিকতাত এটা কল চেণ্টাৰত কাম কৰিবলৈ সুবিধা কৰি কৰি দিছিল।

---

[২০] উল্লিখিত, পৃ, ২০০

# তৃতীয় অধ্যায়

# ৩.০ নির্বাচিত উপন্যাসত লিংগ-প্ৰসংগ

## ৩.১ 'নিষিদ্ধ' উপন্যাসত লিংগ-প্ৰসংগ

সমাজত নাৰী-পুৰুষভেদে অতীজৰে পৰা অন্যান্য লিংগৰ অৱস্থিতিৰো প্ৰমাণ পোৱা যায় কিন্তু সমাজে কেৱল নাৰী আৰু পুৰুষ এই দুই সত্ত্বাকহে স্বীকৃতি প্ৰদান কৰি আহিছে। সামাজিক স্বীকৃতি নোপোৱা এই লিংগসমূহে পদে পদে নিৰ্যাতিত হব লগীয়া হয়। তেওঁলোকে জীয়াই থাকিবৰ বাবেই জীৱনটো সংগ্ৰাম কৰিব লগীয়া হয়। নিষিদ্ধ উপন্যাসখনত এই লিংগসমূহৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে।

### ৩.১.১ 'নিষিদ্ধ' উপন্যাসত গে' বা সমকামী পুৰুষৰ প্ৰসংগ

নিষিদ্ধ উপন্যাসত সমকামী পুৰুষসকলৰ মানসিক অৱস্থা, তেওঁলোকৰ প্ৰতি সমাজৰ দৃষ্টিভংগী, সমাজে কৰা ব্যৱহাৰ আদিৰ স্পষ্ট প্ৰতিফলন দেখা যায়। উপন্যাসখনত পুৰুষ সমকামিতাৰ দিশটোৰ প্ৰতিফলন ঘটিছে প্ৰথম কাহিনীটোৰ অভিমন্যু চৰিত্ৰটোৰ জৰিয়তে।

অভিমন্যু চলিহা চল্লিশ বছৰীয়া এজন চিত্ৰকৰ, ভাস্কৰ্যশিল্পী তথা ভাল কবি। সমাজত তেওঁৰ এক ভাল নাম আছে। তেওঁ পুৰুষ হৈও নাৰীৰ দৰে থাকি ভাল পাইছিল। তেওঁৰ আচাৰ-আচৰণ নাৰীৰ দৰে। তেওঁ কেৱল পুৰুষৰ প্ৰতিহে আকৰ্ষিত হয়। উপন্যসখনত এই কথাৰ প্ৰতিফলন ঘটিছে এইদৰে-

"...মোৰ মানুহটো কত আছা, নিজকে সুধিলোঁ।..."[২১]

এজন পুৰুষে স্বাভাৱিকতে এগৰাকী নাৰী সংগিনী বিচাৰে, নাৰী লগৰীৰ কল্পনা কৰে কিন্তু অভিমন্যুৱে লগৰী হিচাপে নাৰীক কল্পনা নকৰি এজন পুৰুষকহে কল্পনা কৰিছিল। তেওঁ নিজৰ ডায়েৰীৰ পৃষ্ঠাত সপোনৰ মানুহজনৰ, এজন পুৰুষৰ কথাহে লিখিছিল। অভিমন্যু যে সমকামী এই কথা নিজে তেওঁ ব্যক্ত কৰি ডায়েৰীত লিখিছে এইদৰে-

---

[২১] ড° আকাশীতৰা, *নিষিদ্ধ*, পৃ. ০৯

"...ডাঙৰেই কাম কৰিলোঁ। নিজৰ কথা কৈ দিলোঁ। স্থানীয় মুখ্য বাতৰিত এই বিবৃতিটো দি ক 'লোঁ- মই যে সমকামী বা এয়া মোৰ 'Bromance' হ'ব পাৰে। ১৯৯০ত এই শব্দটো net-ৰ পৰা উদ্ধাৰ কৰিছোঁ- এৰিষ্টটলে ৩০০ BCEতে কৈ গৈছিল, একে লিঙ্গৰ মাজত ৰোমান্স- ইয়াত যৌনতাৰ কোনো কথা নাই।..."[২২]

আকৌ তেওঁ লিখিছে এইদৰে-

"...কাৰো স্বামীবোৰ মোক নালাগে- অকলে ছবি আঁকিম, পাহাৰবোৰ চাম, মাটিৰে ভাস্কৰ্য বনাম আৰু কবিতাৰ মালা গাঁথিম, সপোন দেখিম মোৰ মানুহটোৰ..."[২৩]

"...অভিমন্যু সূৰুযলোচনৰ প্ৰেমত পৰিছে- এটা মানুহ এটা আত্মাৰ প্ৰেমত পৰিছে- এয়াই সত্য। এয়াই সত্য। পেইন্টিংখন সাৱটি আনন্দত কান্দি দিলোঁ।..."[২৪]

"...(মোৰ বিবৃতিৰ পাছত চহৰে জানে মই পুৰুষৰ আকৃতিৰ এক নাৰী- মোৰ প্ৰিয়সঙ্গী পুৰুষ...।)"[২৫]

উপন্যাসখনৰ প্ৰথম কাহিনীটোৰ অভিমন্যুৰ ডায়েৰীৰ পৃষ্ঠাৰ এনে কথাবোৰে তেওঁ যে সমকামী তাৰ সুন্দৰ প্ৰতিফলন ঘটাইছে।

অভিমন্যুৰ নাৰীৰ প্ৰতি কোনো আকৰ্ষণ নাই। নাৰীক তেওঁ বান্ধৱী বা ভগ্নীৰ দৰে ব্যৱহাৰ কৰে। সেয়ে মাক-দেউতাকৰ বাবে বিয়াত বহিবলগীয়া হলেও পত্নী ৰাস্নাক ডিভোৰ্চ দি অন্য এজন পুৰুষলৈ বিয়া কৰোৱাই দিয়ে।

"...মা ঢুকুওৱাৰ পাছতে ৰাস্না মোৰ উদগনিতেই প্ৰেমত পৰিল। ৰাস্নাক মই বিয়াত বহুৱালোঁ। নিজৰ ভুলৰ বাবে এটা নিৰ্দোষ প্ৰাণীক কষ্ট দিয়াৰ দোষবোধৰ পৰা মই পৰিত্ৰাণ পালোঁ।

সৰুৰে পৰা অকলশৰেই ডাঙৰ হৈছোঁ। সমাজ মা-দেউতা এইবোৰ নুবুজোঁ, বুজোঁ এটা কথা, কাকো নিজৰ কাৰণে কষ্ট দিব নালাগে।

---

[২২] উল্লিখিত, পৃ. ১১
[২৩] উল্লিখিত, পৃ. ১২
[২৪] উল্লিখিত, পৃ. ১৬
[২৫] উল্লিখিত, পৃ. ১৭

ৰাম্না গ'লগৈ। মানুহে একো নজনাকৈয়ে বহুত কিবা-কিবি ক'লে। কেয়াৰ নকৰোঁ। মই জানো, ৰাম্নাই জানে- আমি সহজ উপায়েৰে আমাৰ সমস্যা সমাধান কৰিলোঁ।..."[২৬] ০৮

অভিমন্যু পুৰুষৰ শৰীৰেৰে নাৰী মনৰ এগৰাকী সমকামী। উপন্যাসখনত তেওঁৰ ডায়েৰীৰ পৃষ্ঠাত এই কথাৰ প্ৰতিফলন ঘটিছে এইদৰে-

"...মোৰ এই ধুনীয়া পুৰুষৰ শৰীৰটোৰ ভিতৰত এজনী অকণমানী নাৰী শুই আছে। তাই তোমাৰ পৰিবাৰ ৰুমীতকৈ চাগৈ বেছি সংবেদনশীল।..."[২৭]

এইদৰেই নিষিদ্ধ উপন্যাসত অভিমন্যু চৰিত্ৰৰ মাজেৰে গে বা পুৰুষ সমকামিতাৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়।

### ৩.১.২ নিষিদ্ধ উপন্যাসত লেজবিয়ান বা সমকামী স্ত্ৰীৰ প্ৰসংগ

নিষিদ্ধ উপন্যাসখনত স্ত্ৰী সমকামিতাৰ প্ৰসঙ্গও উপস্থাপন কৰা হৈছে। উপন্যাসখনৰ দ্বিতীয় কাহিনীটোৰ মাজেৰে এই প্ৰসঙ্গক অতি বাস্তৱিক ৰূপত তুলি ধৰা হৈছে। কাহিনীটোৰ দুটা চৰিত্ৰ ঝৰ্ণা আৰু ৰুবীক সমকামী হিচাপে উপন্যাসখনত অংকন কৰা হৈছে।

এটা ক্লাৱত ৰুবী আৰু ঝৰ্ণাৰ চিনাকী হৈছিল আৰু দুয়োৰে মাজত বন্ধুত্ব স্থাপন হৈছিল। ঝৰ্ণা লাহে লাহে ৰুবীৰ প্ৰেমত পৰিছিল।

"...তোমাৰ জীৱনত নিজৰা হ'ম।'

ঝৰ্ণাই নিজকেই ক'লে। ভালপাওঁ চাগৈ ৰুবীক। চাগৈ নহয়, ভালপোৱাৰ মামলাত চাগৈ, কিন্তু- কিজানি, এইবোৰৰ কোনো স্থান নাই, 'ভালপাওঁ মই ৰুবীক' সঁচাকৈ। চাগৈ, কিন্তু, কিজানিবোৰ বাদ দি।

সাতচল্লিশ বছৰত প্ৰথমবাৰৰ বাবে মই প্ৰেমত পৰিছোঁ। এজনী নাৰী আনজনী নাৰীৰ প্ৰেমত।

---

২৬ উল্লিখিত, পৃ. ০৮

২৭ ড° আকাশীতৰা, *নিষিদ্ধ*, পৃ. ২০

নিষিদ্ধ এই প্ৰেম।

ক'ব নোৱাৰিম কাকো। আনকি ৰুবীকো।..."[২৮]

ৰুবীৰ প্ৰেমত পৰি ঝৰ্ণাই নিজক উপলব্ধি কৰিছিল। উপন্যাসখনত ৰুবীৰ স্বগোক্তি পোৱা যায় এইদৰে-

"...এই মনটোৱে বিচাৰিছে ৰুবীৰ টোল পৰা গালৰ হাঁহিটো চাই চাই কটাই দিম যেন জীৱনৰ বাকীবোৰ বছৰ। গাঁৱে গাঁৱে, পথাৰে পথাৰে, পাহাৰে পাহাৰে ৰুবীক লৈ ৰুবীক দূৰৰ পৰা চায়েই অকলে হাঁহি থাকিম। কাকো ক'ব নোৱাৰোঁ।

ৰুবীকো ক'ব নোৱাৰোঁ! নিজকে এবাৰ কওঁ।

আইনাৰ আগত বহু বছৰৰ পাছত ঝৰ্ণাই থিয় হৈ, নিজৰ মুখখন চাই ক'লে-হৃদয়ৰে- ৰুবী মই তোমাক ভালপাওঁ। ভগৱানৰ শপত।..."[২৯]

উপন্যাসখনৰ এনে বাক্যাংশবোৰে স্ত্ৰী সমকামিতাক অতি সুন্দৰ ৰূপত ফুটাই তুলিছে।

ৰুবী আৰু ঝৰ্ণাই আত্মাৰ লগৰী বিচাৰি পাইছিল। শেষত দুয়ো বিবাহৰ বান্ধোনত বান্ধ খাইছিল।

"...ৰুবীয়ে শাৰীৰ আঁচলেৰে ঢাকি থোৱা সৰু বস্তুটো ঝৰ্ণাৰ আগত দাঙি ধৰিলে...

ঝৰ্ণাই স্থিৰ চকুৰে ৰুবীলৈ চাই পেন্টৰ পকেটৰ পৰা হাতত লোৱা টেমাটো ৰুবীৰ আগত দাঙি ধৰিলে।

সেন্দুৰ!

দুয়োজনীৰ হাতত !!!

ক্ষন্তেক নীৰৱতা!!

ঝৰ্ণাই হাতত থকা সেন্দূৰৰ টেমাটোৰ পৰা অলপ সেন্দুৰ উলিয়াই লৈ ৰবীৰ শিৰত আঁকি দিলে...

---

[২৮] উল্লিখিত পৃ. ১৪১

[২৯] উল্লিখিত পৃ. ১৫১

সাক্ষী- একমাত্র পাহাৰখন, জুৰিটো আৰু শিৱলিঙ্গ।..."[30]

"....ঝৰ্ণা এক্ষন্তেক ৰ'ল। ৰুবীৰ কপাল আৰু শিৰত সেন্দূৰ! লেপটপটো বেগৰ পৰা উলিয়াই ঝৰ্ণাই লগত অনা চাদৰখনেৰে ৰুবীৰ আঁচলতো বান্ধি দিলে। লেপটপৰ পৰা ভাহি আহিল হোমৰ বৈদিক মন্ত্ৰ-

'তমস্ত হৃদয় মম, মমস্ত হৃদয় তম

তোমাৰ হৃদয় মোৰ আৰু মোৰ হৃদয় তোমাৰ।'

শিৱলিঙ্গৰ চাৰিওকাষে ৰুবীৰ শাৰীৰ আঁচলত চাদৰখন বান্ধি দি ঝৰ্ণাই প্ৰদক্ষিণ কৰিলে মাজত জ্বলাই দিয়া দুগছ বন্তিৰ জুই। চকুপানী বৈ গ'ল ৰুবীৰ দুচকুৰেদি।..."[31]

উপন্যাসখনত এইদৰেই স্ত্ৰী সমকামিতাক উপস্থাপন কৰা হৈছে।

## ৩.২ 'আকাভাইন' উপন্যাসত লিংগ-প্ৰসংগ

সমাজত থাকিও সামাজিকভাৱে স্বীকৃতি নোপোৱা লিংগসমূহৰ এক শ্ৰেণী হৈছে 'কিন্নৰ' বা 'তৃতীয় লিংগ' বা 'ট্ৰান্সজেণ্ডাৰ' লোকসকল। 'আকাভাইন' উপন্যাসখনত এই লোকসকলৰ জীৱন কাহিনী, তেওঁলোকৰ বিষয়ে থকা ভিন্ ভিন্ বিশ্বাস, সমাজত তেওঁলোকে সন্মুখীন হোৱা নানা সমস্যা, তেওঁলোকৰ জীৱন সংগ্ৰামকে আদি কৰি বিভিন্ন দিশ উপস্থাপন কৰা হৈছে।

### ৩.২.১ 'আকাভাইন' উপন্যাসখনত তৃতীয় লিংগৰ প্ৰসংগ

আকাভাইন উপন্যাসখন তৃতীয় লিংগ বা কিন্নৰ সকলক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে। মূলত বিজিতা নামৰ এগৰাকী কিন্নৰৰ কথাৰে উপন্যাসখনৰ কাহিনীটো ৰচনা কৰা হৈছে। এই চৰিত্ৰটোৰ জৰিয়তে উপন্যাসখনত তৃতীয় লিংগৰ নানান দিশৰ প্ৰতিফলন ঘটিছে।

---

[30] উল্লিখিত পৃ. ১৮০
[31] উল্লিখিত পৃ. ১৮২

বিজিত(বিজিতা)ৰ আচাৰ-আচৰণ সৰুৰে পৰাই ছোৱালীৰ দৰে আছিল। সি ছোৱালীৰ দৰে থাকি, সাজোন-কাচোন কৰি ভাল পাইছিল। ল'ৰাতকৈ লগৰ ছোৱালীবোৰৰ লগত থাকিহে সি বেছি থকিছিল। ছোৱালীৰ বস্তুবোৰেহে তাক আকৰ্ষণ কৰিছিল। শৈশৱৰ সময়খিনিতে বিজিতে উপলব্ধি কৰি উঠিছিল যে তাৰ জীৱনৰ কোনোবাখিনিত কিবা এটা কেৰোণ আছে। কিবা নিজকে অইনতকৈ পৃথক ৰূপে আৱিষ্কাৰ কৰিছিল। দৈনন্দিন জীৱনৰ অইন ল'ৰাৰ বাবে সৰু সৰু অথচ সাধাৰণ যেন লগা কথাবোৰ তাৰ বাবে অসাধাৰণহে হৈ গৈ আছিল। উপন্যাসখনত এই কথাৰ প্ৰতিফলন ঘটিছে এনেদৰে-

"...ল'ৰা হৈও কিয় জানো তাৰ লগৰ ছোৱালীবোৰৰ স'তেহে ৰং-ধেমালি কৰি, তামাচা-ফূৰ্তি কৰি বেছি আনন্দ পাইছিল।

কাষৰে ঘৰৰ গৌৰীৰ লগতহে বেছি সময় কটাই সি সৰুৰে পৰা ডাঙৰ হৈ এতিয়া স্কুলীয়া দেওনাও পাৰ হ'ব।

লগৰ ল'ৰাবোৰৰ লগত বল-বেট খেলাতকৈ গৌৰী আৰু তাইৰ লগৰকেইজনীৰ নেইলপলিচটোৰ ৰংবোৰতহে সি হেৰাই গৈ আনন্দ পাইছিল।

সিহঁতৰ লগত ভাতৰন্ধা খেলা, ঘৰ ঘৰ খেলা আৰু কুট কুট, লাচ খেলাতহে সি পাকৈত।

সীমাহীন আনন্দ পাইছিল সেইবোৰত সি।

মাজে মাজে গৌৰীয়ে আলতা লগালে আৰু ফুটফুটীয়া ফ্ৰকটো পিন্ধিলে তাৰো সেইদৰে আলতা লগাব আৰু ফ্ৰকটো পিন্ধিব মন যায়।

আলতাৰ টিকটিকিয়া ৰঙা ৰঙটোৱে তাক আকৰ্ষিত কৰে বহুত।

ভৰিত আলতা লগাব তাৰো মন যায়।

গৌৰীৰ দৰে চুলিখিনি দীঘল কৰি ৰঙা ফিতাৰে মেৰিয়াই বেণী গুঠিব মন যায়।..."[৩২]

---

৩২ পুষ্পাঞ্জলি শিৱম শৰ্মা, আকাভাইন, পৃ. ৪০

লাহে লাহে বিজিতেও নিজকে বুজিবলৈ আৰম্ভ কৰিছিল। বাহিৰৰ পৰা ল’ৰা হলেও ভিতৰৰ পৰা যে সি প্ৰকৃততে ছোৱালীৰ দৰেহে সেই কথা অনুভৱ কৰিবলৈ ধৰিছিল। তাৰ আচাৰ-ব্যৱহাৰ, দৈহিক অৱয়ব আদিৰ দ্ৰুত পৰিৱৰ্তন হৈ ক্ৰমান্বয়ে সি কিন্নৰৰ দৰে হবলৈ ধৰিলে।

“...ইতিমধ্যেই অতি দ্ৰুত গতিত তাৰ কিছুমান শাৰীৰিক পৰিবৰ্তনো হ'ব ধৰিছিল। ভয় লাগিছিল এই পৰিৱৰ্তনত তাৰ।

বুকুখন অইন ল'ৰাৰ তুলনাত উঠন হৈছিল।

গাৰ ৰঙতো আৰু উজ্জ্বল হৈ পৰিছিল।

মাতো কোমল হৈ পৰিছিল।

গাল দুখনত দাড়ি গজি অহাৰ পৰিৱৰ্তে আৰু দেখোন মসৃণহে হৈ পৰিব ধৰিছিল।...”[৩৩]

এইদৰেই উপন্যাসখনত কিন্নৰসকলৰ শাৰীৰিক-মানসিক বিৱৰণ দিয়া হৈছে। উপন্যাখনত কিন্নৰসকলৰ লিংগ পৰিৱৰ্তনৰ সম্পৰ্কেও পঢ়িবলৈ পোৱা যায়। কিন্নৰ বা তৃতীয় লিংগৰ ব্যক্তিসকলে নিজৰ লিংগ পৰিৱৰ্তন কৰি দৈহিকভাৱেও ছোৱালী হৈ পৰে। এই প্ৰক্ৰিয়াটোক স্ত্ৰীকৃত কৰা বুলি কোৱা হয়। এই বিষয়ে উপন্যাসখনত উল্লেখ কৰিছে এইদৰে-

“...প্ৰণামী আৰু বিজিতায়ো সাজু হৈছিল,

'কিন্নৰ' দলটোৰ মাজত থাকিবলৈ আৰু সকলোতকৈ ডাঙৰ পদক্ষেপ আছিল ইমানদিনে ইপ্সিত 'ল'ৰাৰ পৰা ছোৱালীলৈ' হোৱা যাত্ৰাক পৰিপূৰ্ণতা দিয়াৰ বাবে সাজু হ'বলৈ।

সেই বিশেষ প্ৰক্ৰিয়াটোৰ সহায়ত,

যাৰ নাম, 'স্ত্ৰীকৃত' কৰা।...”[৩৪]

৩৩ উল্লিখিত, পৃ. ৮৮

৩৪ উল্লিখিত, পৃ. ১২৩

কিন্নৰসকলৰ লিংগ পৰিৱৰ্তন কি হয়, কিদৰে কৰা হয় এই সম্পৰ্কে উপন্যাসখনত লেখিকাই বিৱৰণ দিছে বিজিতা আৰু প্ৰণামীৰ লগত হোৱা ডাক্তৰ মেননৰ কথোপকথনৰ মাজেৰে-

"...প্ৰণামী আৰু বিজিতা, তোমালোকৰ প্ৰথম 'ফেচিয়েল ফেমিনাই জেচন চাৰ্জাৰী (FFS) কৰা হ'ব। ইয়াত প্ৰধানকৈ এগৰাকী নাৰীৰ মুখাৱবৰৰ যিবোৰ প্ৰাথমিক বৈশিষ্ট্য যেনেঃ ভ্ৰূ লিফট কৰা, বাইনো প্লাষ্টি, কনট্যবিং আদিৰ দৰে সৰু সৰু অস্ত্ৰোপ্ৰচাৰ কৰা হ'ব। ইয়াৰ ফলত তোমালোকৰ মুখ সুন্দৰ মসৃন আৰু কোমল হৈ পৰিব। দাড়ি নগজা হৈ যাব লাহে লাহে।

: তাৰ পিছত তোমালোকৰ পৰ্য্যায় ক্ৰমে স্তন ইমপ্লান্ট বা চৰ্বি গ্ৰাস্টিঙ কৰা হ'ব। নাৰীসুলভ বুকুৰ কনট্যুৰৰ জৰিয়তে বুকুৰ স্তন উঠন হ'ব আৰু অকৰ্ষণীয়ও হ'ব।

ডাক্তৰ মেননে কৈ গৈছিল আৰু সিহঁতে মনযোগেৰে শুনি গৈছিল।

যৌনাংগৰ নাৰীকৰণৰ বাবে 'যোনি প্লাষ্টি' মেট' ইডিঅ' প্লাষ্টি, ফেলোপ্লাষ্টি ইত্যাদি বহুতো পদ্ধতি আছে আৰু তোমালোকৰ নাৰীকৰণৰ বাবে উপযুক্ত বিজ্ঞান সম্মন পদ্ধতিৰে এইবোৰ কৰা হ'ব।

: শেষত কণ্ঠৰো ইচ্ছা কৰিলে অস্ত্ৰোপচাৰ কৰি নিজৰ আকাংক্ষিত কণ্ঠ পাব পৰিবা।

: এই সকলোবোৰ অতি সতৰ্কতাৰে আৰু উন্নতি মানৰ বৈজ্ঞানিক পদ্ধতিৰে কৰা হ'ব আৰু যাৰ বাবে তোমালোকৰ একো হানি বিঘিনি নহয়।

তোমালোকে তোমালোকৰ আকাংক্ষিত দেহাবল্লভৰ অধিকাৰী হ'ব পাৰিবা।

সিহঁতৰ সন্মতিক্ৰমে প্ৰথমে দুয়োৰে যৌনাংগৰ মোনাৰ লিংগ আৰু অণ্ডকোষ আঁতৰাই নাৰীকৰণৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছিল।

ডাক্তৰৰ পৰামৰ্শ মতে পৰ্যায়ক্ৰমে হৰম'ন থেৰাপী ল'বলৈ আৰম্ভ কৰিলে সিহঁতে।..."[৩৫]

[৩৫] উল্লিখিত, পৃ. ১২৫

"...ইয়াৰ ফলত সিহঁতৰ কিছুমান শাৰীৰিক পৰিৱৰ্তন দ্ৰুতগতিত আৰম্ভহ'ল আৰু দুয়ো লাহে লাহে প্ৰায় সম্পূৰ্ণ ছোৱালীৰ পিনে ধাবিত হ'বলৈ ধৰিলে।..."[৩৬]

এইদৰেই উপন্যাসখনত কিন্নৰসকলৰ স্ত্ৰীকৰণ প্ৰক্ৰিয়াৰ কথা পোৱা যায়।

কিন্নৰসকলে জীয়াই থাকিবৰ বাবে, ভোক নিবাৰণৰ বাবে দৈনন্দিন সংগ্ৰাম কৰিব লগীয়া হয়। উপন্যাসখনত এই বিষয়ৰো সুন্দৰ প্ৰতিফলন ঘটিছে।

"...ৰাতি বিছনাত পৰি বিজিতাই ক'লে,

: প্ৰণামী, আমি এতিয়াটো পেটৰ ভোকৰ বাবে চিন্তা কৰিব লাগিব।

: কি কৰি খাম আমি?

: ক'ৰ পৰা টকা উপাৰ্জন কৰিম?

তাতে আমিটো গুৰুমাকো পইচা দিব লাগিব।

এইবোৰ ভাবি 'ডেৰা'ত থকা অন্য কিন্নৰসকলে যি কৰে তাকেই কৰিবলৈ বাধ্য হৈ সিহঁতে পিছদিনা ভিক্ষা কৰিবলৈ যোৱাৰ কথাই চিন্তা কৰিলে।..."[৩৭]

"...নিজৰ উপাৰ্জন বৃদ্ধি কৰি অতিৰিক্ত উপাৰ্জন কৰিবলৈ অন্য কিন্নৰ কিছুমানে যৌন কামতো লিপ্ত হোৱা দেখিছিল সিহঁতে।

উপায়ন্তৰ হৈ বিজিতা আৰু প্ৰণামীয়েও যৌন কৰ্মত নিজকে নিয়োজিত কৰিলে এটা সময়ত।..."[৩৮]

"...তাইৰ নতুন কৰ্মস্থান-

'ডাৰ্ক লাভাৰ্ছ বাৰ'।

---

৩৬ উল্লিখিত, পৃ. ১২৬

৩৭ উল্লিখিত, পৃ. ১২৭

৩৮ উল্লিখিত, পৃ. ১৪০

বিজিতাৰ শৰীৰৰ গঠন লাস্যময়ী আৰু গাৰ ৰংটো কোমল, বগা হোৱা বাবে গুৰুমাই তাইক বাৰ ডান্সিং কামলৈ পঠিয়াই দিলে।...”[৩৯]

কিন্নৰসকলে সহজে চাকৰী নাপায় বা তেওঁলোকক সংস্থাপন দিবলৈ সমাজখন ৰাজি নহয়। সমাজে তেওঁলোকক কৰ্মৰ অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। সেয়ে তেওঁলোকে ভিক্ষা খোজা, বিভিন্ন অনুস্থানত আশীৰ্বাদ দিয়া, বাৰ ডান্সাৰ আদি কামবোৰ উপাৰ্জনৰ পথ হিচাপে নিৰ্বাচন কৰি লয়। তদুপৰি উপায়ন্তৰ হৈ তেওঁলোকে কেতিয়াবা উপাৰ্জনৰ বাবে যৌন কৰ্ম বা বেশ্যাবৃত্তিকো বাছি লব লগীয়া হয়, কিয়নো বেলেগ কাম কৰিবলৈ তেওঁলোকক সমাজে সহজে অনুমতি প্ৰদান নকৰে।

‘আকাভাইন’ উপন্যাসখনত এইদৰেই তৃতীয় লিংগৰ ব্যক্তিসকলৰ বিভিন্ন প্ৰসংগ উপস্থাপন কৰা হৈছে।

## ৩.২.২ আকাভাইন উপন্যাসত কিন্নৰ সমাজৰ প্ৰতিফলন

‘আকাভাইন’ উপন্যাসখনত তৃতীয় লিংগৰ ব্যক্তিসকলৰ বা কিন্নৰসকলৰ জীৱনৰ লগতে তেওঁলোকৰ সমাজখনৰো প্ৰতিফলন ঘটিছে। কিন্নৰসকলৰ নিজা এক সম্প্ৰদায় আছে আৰু তেওঁলোকে তেওঁলোকৰ গুৰুৰ আশ্ৰয়ত ‘ডেৰা’ নামৰ ঘৰত বাস কৰে। ‘ডেৰা’ত বাস কৰা সদস্যসকলে ধন সংগ্ৰহ কৰি গুৰুক দিয়ে আৰু গুৰুয়ে তেওঁলোকৰ জীৱিকা, চিকিৎসা আদিৰ ব্যৱস্থা কৰি দিয়ে। উপন্যাসখনত এই সম্পৰ্কে এনেদৰে বৰ্ণিত আছে-

“...সিহঁতে 'ডেৰা' নামৰ ঘৰত গুৰুৰ ছত্ৰছায়াত এক সুসংগঠনত সম্প্ৰদায়ত থাকিবলৈ ল'লে।

তাত থাকি দেখিলে কিদৰে সিহঁতৰ দৰে অনিশ্চয়তাত দহি দিন পাৰ কৰা একাংশ কিশোৰ তালৈ আহি 'ডেৰা'ৰ অংশীদাৰ হয়।

নিশ্চিতভাৱে এয়া এক ভাল কথা, সকাহৰ কথা।

---

[৩৯] উল্লিখিত, পৃ. ১৪৪

সেই সকলে তাত নিগাজিকৈ বাস কৰিতাৰ নিজা ৰীতি-নীতিবোৰ আপোন কৰি লয়।

ডেৰাৰ সদস্যবোৰে বিভিন্ন ক্ষেত্রৰ পৰা ধন সংগ্রহ কৰি আনি গুৰুক দিয়ে।…”[৪০]

সকলোৰে বাবে জীৱিকাৰ সুবিধা সিহঁতৰ বাবে গুৰুমাই যোগাৰ কৰি দিয়ে। চিকিৎসাৰ বাবে প্রয়োজন হোৱা টকা পইচাও দিয়ে। সেইবোৰে সিহঁতৰ মাজত একতা আৰু সহযোগিতাৰ বান্ধোন আনে। কিন্নৰসকলৰ সমাজত গুৰুৰ এক উচ্চ স্থান তথা গুৰুত্ব আছে। তেওঁলোকে গুৰুমাক ভগৱান জ্ঞান কৰে, কিয়নো বংশ-পৰিয়াল, আপোনজনে হাত এৰি দিয়া এই কিন্নৰসকলক গুৰুমায়েই আশ্রয় দিয়ে।

“…গুৰুমায়ে নিথৰুৱা আমিবোৰক আশ্রয় দিছিল এজন এজনকৈ।

: সকলোকে তেওঁ আকোঁৱালি ল'লে।

: আজি গুৰুহীন হৈ জীয়াই থকাটো ভাবিলে টিনপাত নথকা ঘৰত থকাৰ দৰেই যেন লাগে।

: তোমালোকেও অনুভৱ কৰি উঠিবা এদিন। কিন্নৰ সমাজত গুৰুৰ স্থান হৈছে অভিভাৱকৰ দৰে।

: তেওঁ হ'ল সেইজন ব্যক্তি যি ভগৱানৰ দৰে, সকলো কিন্নৰক গ্রহণ কৰে বাসস্থান দিয়ে আৰু জীৱিকা উপাৰ্জনৰ উপায় দেখুৱায়।…”[৪১]

কিন্নৰ সমাজত গুৰু-শিষ্যৰ সম্পৰ্কৰ বৰ্ণনা পোৱা যায় এইদৰে-

“…আজীৱন আমাৰ দৰে শিষ্যসকলৰ দায়িত্ব গ্রহণ কৰে তেওঁ।

: তেওঁ আমাৰ অভিভাৱক।

: এজন গুৰুৰ বহু শিষ্য থাকে, গুৰুক আমি শিষ্যবোৰে বকচিচ অৰ্থাৎ গুৰু দক্ষিণা দিয়াটো নিয়ম।

: কোনোবাই যদি কিন্নৰ সম্প্রদায়ৰ সদস্য হ'ব বিচাৰি ইয়াত শৰণাপন্ন হয় তেওঁ গুৰুক দক্ষিণা দিব লাগে।

: তাৰ পিছত তেওঁ নিজৰ শিষ্যজনক নতুন নাম এটা দি সেই সদস্যজনক এই সমাজত অন্তৰ্ভুক্ত কৰে।

---

[৪০] উল্লিখিত, পৃ. ১০৮

[৪১] উল্লিখিত, পৃ. ১২১

: তোমালোককো আমাৰ সমাজত আজিৰ পৰা নিগাজিকৈ গ্ৰহণ কৰাৰ ব্যবস্থা কৰা হ'ব।

জয়ন্তীয়ে কৈ গৈ থাকিল।

কিন্নৰ সমাজত গুৰু-শিষ্যৰ পৰম্পৰাক সৰ্বোচ্চ বুলি গণ্য কৰা হয়।..."[৪২]

কিন্নৰ সমাজত দেৱতা আৰৱানৰ লগত এদিনৰ বাবে বিয়া হোৱাৰ এক নিয়ম প্ৰচলিত আছে। এই বিয়া অৱশ্যে কেৱল এদিনৰ বাবেহে কৰা হয়। পাছদিনাৰ পৰা তেওঁলোকে আৰৱানৰ বিধৱাৰ দৰে নিয়ম পালন কৰে। ই কিন্নৰ সমাজৰ এক পৰম্পৰা। উপন্যাসখনত এই বিষয়ত এক বিস্তৃত বৰ্ণনা আগবঢ়োৱা হৈছে।

দক্ষিণ প্ৰদেশত এখন প্ৰাকৃতিক নৈসৰ্গিক প্ৰাচুৰ্যময়তাৰে ভৰা ৰাজ্যখনত 'বিজুধুৰম' নামেৰে এখন সৰু ঠাই এখন আছে। তামিলনাডুৰ কল্লাকুৰিচি জিলাৰ উলুণ্ডুৰ পেট্টাই ভালুকৰ পৰা অলপ দূৰৈত ঠাইখিনি। চহৰখনৰ পৰা মাথোঁ দহ কিলোমিটাৰ বাট বুলি 'কুভাগাম' সৰু গাঁওখনৰ পৰাই কিন্নৰসকলৰ যাত্ৰৰ আৰম্ভণি হয়। গাওঁখনৰ বাবে 'চিঠিৰাই' অসমীয়া ব'হাগ মাহৰ দৰে এটি উল্লেখ যোগ্য উৎসৱৰ মাহ। তামিল কেলেণ্ডাৰত জিলিকি উঠা এই 'চিঠিৰাই' মাহ তেওঁলোকৰ বাবে অতি উলাহ-আনন্দৰে ভৰা এটি উৎসৱৰ মাহ। 'চিঠিৰাই' মাহৰ এটা পৱিত্ৰ দিনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা সেই কুভাগাম গাঁৱলৈ হেজাৰ হেজাৰ কিন্নৰৰ আগমন ঘটিব আমাৰ দৰে। এই সৰু গাঁওখনৰ বাট-পথ কিন্নৰসকলৰ ভিৰেৰে মুখৰিত হৈ পৰে।তাৰোপৰি ইয়ালৈ সেই সময়ত বিভিন্ন বেচৰকাৰী সংস্থাবোৰ আহে আৰু কিন্নৰসকলৰ উন্নত স্বাস্থ্য সেৱা আৰু চিকিৎসাৰ সামগ্ৰী বিনামূলীয়াকৈ দিয়ে সজাগতা সভা পাতে।কিন্নৰ সমাজৰ প্ৰায় সকলোবোৰেই ইয়ালৈ এবাৰ হ'লেও আহে।তেওঁলোক সকলোৰে তালৈ যোৱাৰ আঁৰৰ মূল কথাটো হৈছে যে 'কু'থানদৱা' বুলি কেৱল তেওঁলোকৰ বাবেই স্থাপিত প্ৰধান তথা অন্যতম সেই বিশেষ মন্দিৰৰ দৰ্শন আৰু তাত স্থাপিত দেৱতা 'আৰৱানৰ' সৈতে বিবাহপাশত আবদ্ধ হ'বলৈ।[৪৩]

আৰৱান আছিল এগৰাকী এনে প্ৰভাৱশালী যোদ্ধা ইমান ক্ষমতা আছিল যে, এদিনতে কুৰুক্ষেত্ৰ মহাৰণ সমাপ্ত কৰি দিব পাৰিলেহেঁতেন। কিন্তু শ্ৰীকৃষ্ণৰ মহিমা আৰু আদেশক্ৰমে মহাভাৰতৰ 'কুৰুক্ষেত্ৰ' যুদ্ধ আৰম্ভ হোৱাৰ আগতেই কোনো পক্ষৰ হৈ যুদ্ধ নকৰাৰ প্ৰতিশ্ৰুতিৰে নিজৰ প্ৰাণৰে বলিদান দি দিছিল। মহাভাৰতত

---

[৪২] উল্লিখিত, পৃ. ১২২

[৪৩] উল্লিখিত, পৃ. ১১২

বৰ্ণনা কৰা অনুসৰি আৰাৱনে ভগৱান বিষ্ণুৰ অনুৰোধ ৰক্ষা কৰি মৃত্যুৰ আগদিনা 'মোহিনী' (যি বিষ্ণুৰ অৱতাৰ)ৰ সৈতে বিবাহপাশত আবদ্ধ হয়। এই সম্পৰ্কত প্ৰচলিত অন্য এক কাহিনীও হৈছে- কিন্নৰৰ দেৱতা 'আৰৱান' অৰ্জুন আৰু তেওঁৰ পত্নী, সৰ্প কন্যা উলুপিৰ পৰা জন্ম হোৱা সন্তান আছিল। মহাভাৰত যুদ্ধ আৰম্ভ হোৱাৰ কিছুদিন আগত পাণ্ডৱসকলে মাতৃসহিতে কলিক পূজা কৰিছিল যুদ্ধত জয়লাভৰ বাঞ্চা কৰি। তাৰবাবে সেই পূজাত এজন ৰাজকুমাৰক বলি দিব লগা হ'ল। আৰাৱানে তেতিয়া বলিদানৰ বাবে স্ব-ইচ্ছাই আগবাঢ়ি আহিছিল যদিও তেওঁ এটা চৰ্ত ৰাখিছিল যে তেওঁ বিয়াৰ পিছতহে বলিদান দিব। তেতিয়া সমস্যা এটি আহি পৰিছিল। কোনো ছোৱালীয়ে আৰাৱানৰ লগত বিয়া হ'বলৈ মান্তি হোৱা নাছিল কাৰণ বিয়াৰ পিছদিনাই তেওঁৰ মৃত্যু নিশ্চিত আছিল বুলি জানি। তেওঁৰ এই শেষ ইচ্ছা পূৰণৰ বাবে শ্ৰীকৃষ্ণই পুনৰ মোহিনীৰ ৰূপ লৈ তেওঁৰ লগত বিয়াত বহিছিল। বিয়াৰ পিছদিনাই মোহিনী ৰূপত যিনেকি 'কিন্নৰ'ৰ প্ৰতীকাত্মক অৱতাৰ আছিল, শ্ৰীকৃষ্ণ বিধৱা হৈ পৰিল। পিছদিনা মোহিনীয়ে শোক পালন কৰিছিল আৰু লগতে সকলো ৰীতি-নীতি মানি 'আৰৱান'ৰ বিধৱা হিচাপে নিয়ম পালন কৰিছিল। আজিও সেই পৰম্পৰা কিন্নৰ সমাজে পালন কৰি আহিছে।[৪৪]

এই বিয়াৰ দিনাৰে পৰা কিন্নৰসকলে নাৰীৰ দৰে থাকিবলৈ, সাজ-সজ্জা কৰিবলৈ লয়।

"…..আজিৰ পৰা সিহঁতৰ বেশভূষাকে ধৰি সাজ-সজ্জাবোৰ ব্যতিক্ৰম হ'ব বুলি জয়ন্তীয়ে ক'লে।

মানে এতিয়াৰ পৰা সিহঁতে নাৰীৰ দৰে সাজ-সজ্জা কৰিব আৰু নাৰীৰ পোচাক পিন্ধিব।

সিহঁতৰ এক নতুন চিনাকী হ'ব।

'অৰ্দ্ধ নাৰীশ্বৰ' বুলি।…"[৪৫]

এই বিয়া মাত্ৰ এদিনৰ বাবেহে হয়। বিয়াৰ পাছদিনা কিন্নৰসকলে পৰম্পৰা অনুযায়ী বগা সাজ-পাৰ পৰিধান কৰি বিধবাৰ নিয়ম পালন কৰে। ৰাতিপুৱাই সকলো কিন্নৰে মিলি আৰাৱান দেৱতাৰ মূৰ্তিটো চহৰত ঘূৰাই ফুৰাই আনি ভাঙি পেলায়। তাৰপাছত কিন্নৰসকলে পৰ্যায়ক্ৰমে আৰু পূৰ্ব নিৰ্ধাৰিত সময়মতে 'আভুকালাম' ত উপস্থিত

---

[৪৪] উল্লিখিত, পৃ. ১১২

[৪৫] উল্লিখিত, পৃ. ১১৩

হৈ বিবাহিত মহিলাৰ পৰা উত্তৰণ ঘটি বিধৱাৰ দৰে মেক্‌আপ কৰি বিধৱা হোৱাৰ পিছত শোক পালনৰ পৰ্ব আৰম্ভ কৰে।

আৰৱান দেৱতাৰ মূৰ্তি ভাঙি পেলোৱাৰ সন্দৰ্ভত উপন্যাসখনত উল্লেখ আছে এইদৰে-

"...আৰৱান দেৱতাৰ মূৰ্তিটো ভাঙি পেলোৱাৰ কাৰণ হ'ল, যাতে কাকো অহাজনমত নপুংসক হিচাপে আৰু পুনৰ জন্ম নিদিয়ে।

আৰৱান দেৱতাৰ প্ৰতিমূৰ্তিৰ সমুখত সিহঁতে হিয়া ধাকুৰি কন্দাৰ দৃশ্যত গোটেই পৃথিৱীখনো যেন দুখৰ সাগৰত এক মুহূৰ্তৰ বাবে বিলীন হৈ পৰিছিল।

এনিশাৰ বাবে সধৱা হৈ জীৱনৰ পৰম সুখৰ সন্ধান কৰা কিন্নৰসকলে পুঁৱাৰ পৰা আৰম্ভ কৰিছিল বিধৱা হোৱাৰ পৰম্পৰা।

ওৰেটো নিশা শাঁখা-সেন্দূৰৰে আকৰ্ষণীয় পোছাক পিন্ধি সাজি-কাচি থকি সিহঁতে পুৱাৰ পৰা হাতৰ খাৰু ভাঙি, ডিঙিৰ মংগলসূত্ৰ চিঙি বগা পোছাক পৰিধান কৰিলে।

অৱশ্যে পিছলৈ তেওঁলোকে পুনৰ ৰঙীন সাজ পিন্ধিব পাৰিব।..."[৪৬]

কিন্নৰসমাজৰ আন এক নিয়ম হৈছে তেওঁলোকে বিয়া বা প্ৰেম কৰিব নোৱাৰে। তেওঁলোকৰ কোনো প্ৰেমিক থাকিব নোৱাৰে। তেওঁলোকে 'ডেৰা'ৰ নিয়ম মানি চলটো বাধ্যতামূলক। উপন্যাসখনত এই দিশটোৰ কথাও পোৱা যায়।

"....যিকোনো মূল্যৰ বিনিময়ত আমি ডেৰাৰ নিয়ম মানি চলিব লাগে।

আমি যদি কিন্নৰ সম্প্ৰদায়ৰ অংশ হওঁ, তেন্তে আমি বিয়াও কৰিব নোৱাৰো, আমাৰ প্ৰেমিকো থাকিব নোৱাৰে।

এইবোৰ কিন্নৰ সম্প্ৰদায়ৰ নিয়ম।

---

৪৬ উল্লিখিত, পৃ. ১১৭

যদি কোনোবাই পৰিয়াল গঢ়িব বিচাৰে তেন্তে কৰিব পাৰে,

কিন্তু আমাৰ দৰে আমাৰ মানুহৰ সমাজতে থাকিব লাগিব।

কিন্নৰৰূপী এই অনন্য পৰিচয় লৈ এই পৃথিৱীখনত অকলশৰীয়া আৰু বিচ্ছিন্ন হৈ থকাটো অতি কঠিন কাম।

সেইবাবে আমিয়েই আমাৰ সমাজ গঢ়ি তুলিছোঁ।...”[৪৭]

কিন্নৰসকলৰ মৃত্যু কোনো সাধাৰণ লোকে দেখা পাব নোৱাৰে আৰু কোনো হুলস্থুল নোহোৱাকৈ তেওঁলোকৰ শ দাহ কৰা হয়। ইও কিন্নৰ সমাজৰ এক নিয়ম। উপন্যাসখনত বিন্নী নামৰ এগৰাকী কিন্নৰৰ মৃত্যুৰে এই কথাবোৰো ফুটাই তোলা হৈছে ।

“....সিহঁতৰ মৃত্যু সাধাৰণ লোকে দেখা পাব নোৱাৰে।

কিন্নৰ সমাজত কাৰোবাৰ মৃত্যু হ'লে কোনোধৰণৰ হুলস্থুল নকৰাকৈয়ে সমাধি বা দাহ কৰা হয়। বিন্নীৰ শৱদাহ সংস্কাৰ আৰু ৰীতি-নীতি কিন্নৰ সমাজৰ নিয়ম মতে ৰাতিহে সম্পাদন কৰা হ'ব।

বিজিতাই আজি ৰাতি কিন্নৰ জীৱনৰ নেদেখা তথা অলিখিত চৰম কঠিন বাস্তৱ কিছুমানৰ দৃশ্য প্ৰতক্ষ্য কৰিব।

বিন্নীৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে সকলোবোৰ কিন্নৰ সাজু হৈছিল।...”[৪৮]

আকাভাইন’ উপন্যাসখনত এইদৰেই কিন্নৰ সমাজৰ অকথিত বহুতো সৰু বৰ কথা অতি বৰ্ণনাত্মক আৰু তথ্যভিত্তিক ৰূপত উপস্থাপন কৰা হৈছে।

---

[৪৭] উল্লিখিত, পৃ. ১২২

[৪৮] উল্লিখিত, পৃ. ১৫৩

### ৩.২.৩ আকাভাইন উপন্যাসত তৃতীয় লিংগ সম্পৰ্কীয় কাহিনী আৰু বিশ্বাসৰ প্ৰতিফলন

সমাজত তৃতীয় লিংগ সম্পৰ্কীয় বিভিন্ন কাহিনী আৰু বিশ্বাসৰ প্ৰচলন আছে।কিন্নৰসকলে এই বিশ্বাসসমূহক এতিয়াও মানি চলে। আকাভাইন উপন্যাসখনত কিন্নৰসকলৰ মাজত প্ৰচলিত এনে বহুতো বিশ্বাসৰ কথা তথ্যভিত্তিকভাৱে প্ৰকাশ কৰা হৈছে।

কিন্নৰসকল কোন, কেনেকৈ এওঁলোকৰ জন্ম আদি সম্পৰ্কে সমাজত বহু পৌৰাণিক কাহিনীৰ প্ৰচলন দেখিবলৈ পোৱা যায়। পৌৰাণিক গ্ৰন্থসমূহতো এই লোকসকলৰ বিষয়ে উল্লেখ পোৱা যায়। উপন্যাসখনত বিজিতা আৰু তাইৰ মাকৰ কথোপকথনৰ মাজেৰে এইসমূহ কথা ডাঙি ধৰা হৈছে।

"...কিন্নৰ মানে হৈছে 'অৰ্ধনাৰীশ্বৰ', যি ভগৱানৰে এটি ৰূপ বুলি সমাজে মানি আহি আছে। এয়া আধা নাৰী আৰু আধা পুৰুষৰ এনে এটি ৰূপ যাক সমাজে পূজা কৰে। প্ৰবাদমতে ব্ৰহ্মাৰ ছাঁৰৰ পৰা হেনো তেওঁলোকৰ জন্ম হৈছিল।..."[৪৯]

"...ইতিহাসৰ পৌৰাণিক কথাৰ পাত লুটিয়ালেও তেওঁলোকৰ বিষযে সংবাদ পো ৱা যায়।

মহাভাৰতত শিখণ্ডী, বৃহন্নলা (অৰ্জুন) এনে চৰিত্ৰই আছিল।....."[৫০]

শাস্ত্ৰত উল্লেখ থকামতে কাশ্যপ আৰু আৰিষ্টাৰ পৰা কিন্নৰ বা হিজৰাসকলৰ জন্ম বুলি কোৱা হয়। হিমালয়ৰ পৱিত্ৰ কৈলাশ শিখৰত কিন্নৰসকলৰ প্ৰধান বাসস্থান আৰু য'ত তেওঁলোকে মহাদেৱৰ সেৱাত নিমগ্ন থাকে। তেওঁলোকক দেৱতাসকলৰ গায়ক আৰু ভক্ত হিচাপে গণ্য কৰা হয়। বিশ্বাস অনুসৰি যক্ষ আৰু গন্ধৰ্বসকলৰ দৰেও তেওঁলোক নৃত্য-গীতত বিশাবদ হয়। 'চিত্ৰৰথ' হৈছে তেওঁলোকৰ প্ৰধান অধিপতি। বৌদ্ধ সাহিত্যত এই কিন্নৰৰ কল্পনা মানৱমুখী পক্ষীৰ কৰূপতো বৰ্ণনা কৰা আছে। 'মানসাৰত' কিন্নৰৰ মানৱ শৰীৰৰ বৰ্ণনাৰ উল্লেখ পোৱা যায় যে 'হিজৰা, স্ত্ৰীকৃত মানৱ পুৰুষ'।[৫১]

---

৪৯ উল্লিখিত, পৃ. ৭৩

৫০ উল্লিখিত, পৃ. ৭৪

৫১ উল্লিখিত, পৃ. ৭৫

ভাৰতীয় জ্যোতিষ গণনা অনুসৰি এজন কিন্নৰৰ জন্ম কেনেকুৱা হয়, সেই সম্পৰ্কে উপন্যাসখনত বৰ্ণনা কৰা হৈছে এইদৰে-

"...তাৰ জন্ম তিথি আৰু নক্ষত্ৰবোৰৰ কথা জানিবলৈকে বিজিতৰ জন্মৰ কোষ্ঠীখন লৈ তেওঁ কাষৰ 'পণ্ডিত'ৰ ঘৰত এদিন মনে মনে গৈছিল।

কোষ্ঠী চাই পণ্ডিতে হুমুনিয়াহ এটা কাঢ়ি কৈছিল,

: তাৰ দিনবোৰ ভাল চলি থকা নাই।

: আচলতে আহিবলগীয়া দিনবোৰত সি সাংঘাতিক ধৰণে সংঘৰ্ষ কৰিব লাগিব। কষ্টও পাব বহুত।

: তাৰ জন্মৰ সময়ত কোষ্ঠীত লিখিত মতে যেতিয়া তাৰ জীৱন চক্ৰৰ আঠ নম্বৰ ঘৰত শুক্ৰ আৰু শনি বিৰাজমান হৈছিল আৰু য'ত গুৰু আৰু চন্দ্ৰ অদৃশ্য দেখুওৱা হৈছে তেনেকুৱা অৱস্থাতে জন্ম হৈছিল।

: এনেকুৱা জন্মক ভাৰতীয় জ্যোতিষ গণনা অনুসৰি এজন কিন্নৰৰ জন্ম গণনা হিচাপে গণ্য কৰা হয় ।..."[৫২]

কিন্নৰসকলৰ নিজা এখন সমাজ আছে। তেওঁলোকৰ নিজস্ব নিয়ম, পৰম্পৰা, বিশ্বাস আছে। লৰাৰ পৰা ছোৱালীলৈ ৰূপান্তৰ হোৱা স্ত্ৰীকৰণৰ প্ৰক্ৰিয়াটোক কিন্নৰ সমাজত নিৰ্বাণ নামেৰে জনা যায়। তেওঁলোকৰ বিশ্বাস অনুসৰি লৰাৰ পৰা ছোৱালী হোৱাৰ বাবে প্ৰথমে তেওঁলোকে দেৱতা আৰৱানৰ সৈতে বিবাহ কৰিব লাগে।

"...'কু'থানদৰা' বুলি কেৱল তেওঁলোকৰ বাবেই স্থাপিত প্ৰধান তথা অন্যতম সেই বিশেষ মন্দিৰৰ দৰ্শন আৰু তাত স্থাপিত দেৱতা 'আৰৱানৰ' সৈতে বিবাহপাশত আবদ্ধ হ'বলৈ।..."[৫৩]

তেওঁলোকৰ দেৱতা আৰৱান সম্পৰ্কে প্ৰচলিত কাহিনী উপন্যাসখনত বৰ্ণিত হৈছে এনেধৰণে-

---

৫২ উল্লিখিত, পৃ. ৭৫

৫৩ উল্লিখিত, পৃ. ১১১

আৰৱান আছিল এগৰাকী এনে প্ৰভাৱশালী যোদ্ধা ইমান ক্ষমতা আছিল যে, এদিনতে কুৰুক্ষেত্ৰ মহাৰণ সমাপ্ত কৰি দিব পাৰিলেহেঁতেন। কিন্তু শ্ৰীকৃষ্ণৰ মহিমা আৰু আদেশক্ৰমে মহাভাৰতৰ 'কুৰুক্ষেত্ৰ' যুদ্ধ আৰম্ভ হোৱাৰ আগতেই কোনো পক্ষৰ হৈ যুদ্ধ নকৰাৰ প্ৰতিশ্ৰুতিৰে নিজৰ প্ৰাণৰে বলিদান দি দিছিল। মহাভাৰতত বৰ্ণনা কৰা অনুসৰি আৰাৱনে ভগৱান বিষ্ণুৰ অনুৰোধ ৰক্ষা কৰি মৃত্যুৰ আগদিনা 'মোহিনী' (যি বিষ্ণুৰ অৱতাৰ)ৰ সৈতে বিবাহপাশত আবদ্ধ হয়। এই সম্পৰ্কত প্ৰচলিত অন্য এক কাহিনীও হৈছে- কিন্নৰৰ দেৱতা 'আৰৱান' অৰ্জুন আৰু তেওঁৰ পত্নী, সৰ্প কন্যা উলুপিৰ পৰা জন্ম হোৱা সন্তান আছিল। মহাভাৰত যুদ্ধ আৰম্ভ হোৱাৰ কিছুদিন আগত পাণ্ডৱসকলে মাতৃসহিতে কলিক পূজা কৰিছিল যুদ্ধত জয়লাভৰ বাঞ্চা কৰি। তাৰবাবে সেই পূজাত এজন ৰাজকুমাৰক বলি দিব লগা হ'ল। আৰাৱানে তেতিয়া বলিদানৰ বাবে স্ব-ইচ্ছাই আগবাঢ়ি আহিছিল যদিও তেওঁ এটা চৰ্ত ৰাখিছিল যে তেওঁ বিয়াৰ পিছতহে বলিদান দিব। তেতিয়া সমস্যা এটি আহি পৰিছিল। কোনো ছোৱালীয়ে আৰাৱানৰ লগত বিয়া হ'বলৈ মান্তি হোৱা নাছিল কাৰণ বিয়াৰ পিছদিনাই তেওঁৰ মৃত্যু নিশ্চিত আছিল বুলি জানি। তেওঁৰ এই শেষ ইচ্ছা পূৰণৰ বাবে শ্ৰীকৃষ্ণই পুনৰ মোহিনীৰ ৰূপ লৈ তেওঁৰ লগত বিয়াত বহিছিল। বিয়াৰ পিছদিনাই মোহিনী ৰূপত যিনেকি 'কিন্নৰ'ৰ প্ৰতীকাত্মক অৱতাৰ আছিল, শ্ৰীকৃষ্ণ বিধৱা হৈ পৰিল। পিছদিনা মোহিনীয়ে শোক পালন কৰিছিল আৰু লগতে সকলো ৰীতি-নীতি মানি 'আৰৱান'ৰ বিধৱা হিচাপে নিয়ম পালন কৰিছিল। আজিও সেই পৰম্পৰা কিন্নৰ সমাজে পালন কৰি আহিছে।[৫৪]

সেয়েহে বিয়াৰ পাছৰদিনা কিন্নৰসকলে বগা সাজ পৰিধান কৰি সম্পূৰ্ণৰূপে বিধৱাৰ নীতি-নিয়ম পালন কৰে। বিয়াৰ পাছদিনা ৰাতিপুৱা আৰৱান দেৱতাৰ মূৰ্তিটো চহৰত ঘূৰাই আনি ভাঙি পেলোৱা হয় আৰু সেই প্ৰতিমূৰ্তিৰ সমুখত আগদিনা বিয়া হোৱা কিন্নৰসকলে হিয়া ধাকুৰি কান্দে। মূৰ্তিটো ভাঙি পেলোৱাৰ আঁৰতো আছে তেওঁলোকৰ এক বিশ্বাস।

"...আৰৱান দেৱতাৰ মূৰ্তিটো ভাঙি পেলোৱাৰ কাৰণ হ'ল, যাতে কাকো অহাজনমত নপুংসক হিচাপে আৰু পুনৰ জন্ম নিদিয়ে।..."[৫৫]

---

[৫৪] উল্লিখিত, পৃ. ১১২, ১১৩

[৫৫] উল্লিখিত, পৃ. ১১৭

সন্তান জন্ম, বিয়া আদিৰ দৰে বিভিন্ন শুভ অনুষ্ঠানবোৰত কিন্নৰসকলে আশীৰ্বাদ দিবলৈ যোৱাৰ এক পৰম্পৰা সমাজত দেখিবলৈ পোৱা যায়। এই পৰম্পৰাৰো এক ঐতিহাসিক কাহিনী আছে। উপন্যাসখনত এই সম্পৰ্কে উল্লেখ কৰা হৈছে এইদৰে-

"....ৰামায়ণত ভগৱান ৰামক যেতিয়া ৰাজ্যৰ পৰা বহিষ্কাৰ কৰা হৈছিল আৰু তেওঁক ১৪ বছৰ অৰণ্যত কটাবলৈ কোৱা হৈছিল।

: তেওঁৰ অনুগামীসকলেও তেওঁৰ পিছে পিছে অৰণ্যলৈ গৈছিল যদিও তেওঁ সকলো পুৰুষ-মহিলাক পুনৰ অযোধ্যা চহৰলৈ উভতি যাবলৈ ৰামে অনুৰোধ কৰিছিল।

: একমাত্ৰ 'কিন্নৰ' ব্যক্তিসকলে ভগৱান ৰামৰ আশে-পাশেই ঘূৰি থাকিল আৰু তেওঁক অকলশৰীয়া কৰি এৰি আহিব নুখুজিলে।

: ভগৱান ৰামক তেওঁলোকৰ মৰম আৰু আনুগত্যই অতিশয় আপ্লুত কৰিলে।

: সেইবাবে বিবাহ অনুষ্ঠান, সন্তান জন্ম, উদ্বোধনী অনুষ্ঠানৰ দৰে শুভঅনুষ্ঠানবোৰত তেওঁলোকৰ শুভ আগমন আৰু আশীৰ্বাদ প্ৰদান কৰাৰ ক্ষমতাৰ বৰদান দিয়ে।..."[৫৬]

কিন্নৰসকলৰ মৃত্যু হলে শটো দাহ কৰাৰ পূৰ্বে জোতা, চেণ্ডেলেৰে প্ৰহাৰ কৰা হয়। ইয়াৰ আঁৰৰ বিশ্বাসটো উপন্যাসখনত প্ৰতিফলিত হৈছে এইদৰে-

"....বিজিতাই অপলক দৃষ্টিৰে চাই আছিল কিদৰে প্ৰথমে বিন্নীৰ মৃতদেহবগা কাপোৰেৰে মেৰিয়াই লোৱা হৈছিল আৰু তাইৰ শৰীৰত কোনো বস্তু বান্ধি থোৱা নাছিল।

: কিয়?

তাইৰ কৌতূহল ভৰা প্ৰশ্নৰ উত্তৰত জয়ন্তীয়ে ক'লে,

[৫৬] উল্লিখিত, পৃ. ১১৯

: এনে কৰা হয় যাতে তাইৰ আত্মা মুক্ত হ'ব পাৰে আৰু যিকোনো ধৰণৰ বন্ধন আৰু সম্পৰ্কৰ পৰা চিৰকাল মুক্ত হৈ যায়।...."[৫৭]

"....তাইৰ মৃতদেহটো দাহ কৰাৰ আগতে তাইক জোতা আৰু চেণ্ডেলৰে প্ৰহাৰ কৰা হৈছিল কিয় জয়ন্তী?

: কাৰণ বিশ্বাস কৰা হয় যে ইয়াৰ দ্বাৰা এই জন্মত যিবোৰ পাপ তাই জানিয়েই কৰিছিল বা নজনাকৈয়ো কৰিছিল সেই সকলোবোৰ পাপৰ প্ৰায়শ্চিত্ত হ'ব। পাপবোৰ লগত গুচি নাযায়, সেইবাবে।....."[৫৮]

আকাভাইন উপন্যাসখনত এইদৰেই তৃতীয় লিংগ সম্পৰ্কীয় নানা কাহিনী, বিশ্বাস আদিক সামৰি লোৱা হৈছে।

## ৩.২.৪ আকাভাইন উপন্যাসত কিন্নৰসকলে সন্মুখীন হোৱা শাৰীৰিক-মানসিক নিৰ্যাতনৰ প্ৰতিফলন

তৃতীয় লিংগৰ ব্যক্তিসকলৰ বাবে সমাজত জীয়াই থকাটো বৰ সহজ কাম নহয়। সমাজে তেওঁলোকৰ ওপৰত শাৰীৰিক-মানসিকভাৱে নানা অত্যাচাৰ চলায়। পদে পদে তেওঁলোকে আঘাট লাভ কৰে। উপন্যাসখনত এই দিশটো স্পষ্ট ৰূপত ফুটি উঠিছে। কিন্নৰসকলক বাধ্য কৰি যৌন কৰ্মত লিপ্ত কৰোৱা, ধৰ্ষণ কৰা, মাৰ-পিট কৰা আদি শাৰীৰিক অত্যাচাৰবোৰ কৰা হয়। বিজিত চৰিত্ৰটোৰ মাজেৰে উপন্যাসখনত কিন্নৰসকলক কৰা শাৰীৰিক নিৰ্যাতনৰ ছবি এখন তুলি ধৰা হৈছে।

"...সভ্য সমাজক লজ্জানত কৰিব পৰা এটা জঘন্য ঘটনা সংঘটিত হৈছিল সেইখিনি সময়ত এটি পোন্ধৰ বছৰীয়া ল'ৰাৰ লগত।

"ধৰ্ষন"।

এটি চৈধ্য বছৰীয়া কিশোৰৰ ধৰ্ষন।

---

৫৭ উল্লিখিত, পৃ. ১৫৫

৫৮ উল্লিখিত, পৃ. ১৫৫

বিজিতক তেনেকৈ নৃশংস, বৰ্বৰ অত্যাচাৰেৰে ধৰ্ষণ কৰি এক মৃতদেহসদৃশ অৱস্থা কৰি তাত পেলাই থৈ গ'ল,

এটা চাৰি-পাঁচজনীয়া ল'ৰাৰ দলে।

সি, সেই পিশাচহঁতৰ উচ্চস্তৰত প্ৰতিধ্বনিত হোৱা অট্টহাস্যক শুনিছিল।..."[৫৯]

"...অসুৰক্ষিতভাৱে যৌন সংগম কৰিছিল আৰু প্ৰায়ে তাইৰ লগত মাৰপিট কৰি জোৰকৈ সেই কামত ন্যস্ত কৰাইছিল।

কেতিয়াবা আৰক্ষীয়েও সিহঁতক খেদি ফুৰিছিল।

এবাৰ পুলিচৰ হাতত ধৰা পৰাৰ পৰা ৰক্ষা পাবলৈ ডাঙৰ নলা এটাতো জাঁপ দিছিল তাই। সহজ যে এতিয়া মৃত্যুও নাছিল।

কিমান দিনলৈকে তাইৰ দেহৰ পৰা নলাৰ দুৰ্গন্ধ আঁতৰি যোৱা নাছিল। ..."[৬০]

"...চকুৰ পচাৰতে সিহঁতে মোক থেতালি পেলাইছিল।

: সেই ঠাইডোখৰত মোক শাৰীৰিকভাৱে শোষণ কৰাই নহয়, মন আৰু আত্মাকো মোহাৰি শোষণ কৰিছিল পিশাচহঁতে।

যেন এজাক বনৰীয়া ৰাংকুকুৰ দল।

: ইমানৰ পিছতো সিহঁতে মাত্ৰ দুশ টকা তাইৰ গাৰ পিনে দলিয়াই দি গুচি গৈছিল।

মাংসৰ দাম।

: 'মাত্ৰ দুশ টকাৰ এই জীৱন।

তাইৰ কেঁচা মঙহ বোৰৰ দাম।..."[৬১]

---

[৫৯] উল্লিখিত, পৃ. ২৯
[৬০] উল্লিখিত, পৃ. ১৪১
[৬১] উল্লিখিত, পৃ. ১৪২

কিন্নৰসকলক সৰুৰে পৰাই শাৰীৰিক নিৰ্যাতনৰ সমুখীন হয়। বিজিতাও মাত্ৰ চৈধ্য বছৰ বয়সতে ধৰ্ষণৰ বলি হৈছিল। তাৰ পাছতো বহুবাৰ তাইক শাৰীৰিকভাৱে শোষণ কৰা হৈছিল। কেৱল বিজিতাই নহয়, প্ৰায় কিন্নৰেই এনে শোষণৰ চিকাৰ হয়।

কিন্নৰসকল মানসিকভাৱেও নিৰ্যাতনৰ বলি হয়। বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে তেওঁলোকৰ ওপৰত মানসিক নিৰ্যাতন চলোৱা হয়।

"...বিজিত, তই বাৰু দেখাত ল'ৰাৰ দৰেই অথচ, ছোৱালীৰ দবেহে স্বভাৱ যে তোৰ। আৰু আচৰণবোৰ ছোৱালীৰ দৰে কিয়?

: কৃপালহঁতৰ লগত বহিবলৈ এৰি তই সদায় ছোৱালীকেইজনীৰ লগতহে বহিবলৈ যাব কিয়?

: আজি যদি নকব, আমিয়েই কিন্তু সিদ্ধান্ত এটা ল'ম।

: প্ৰয়োজন হ'লে আজি তোৰ পেন্ট খুলি চাম আৰু এই প্ৰশ্নৰ উত্তৰ জানিহে এৰিম।

: কৃপাল, তাৰ পেন্টটো খুলি দেচোন।

: আমি সকলোৱে চাওঁ।

হা হা হা কৰি একাংশ ছাত্ৰ-ছাত্ৰীৰ পৈশাচিক হাঁহি আৰু খিকিন্দালিবোৰৰে উপচি পৰিছিল শ্ৰেণীকোঠাটো।..."[৬২]

শাৰীৰিক গঠন বা আচাৰ-আচৰণৰ বাবে কিন্নৰসকল প্ৰায়ে এনে অৱস্থাৰ সমুখীন হয়। বিজিতাইও বহুবাৰ এনে মানসিক অত্যাচাৰ সহিব লগা হৈছিল।

"...নিজকে নেজবিহীন সৰীসৃপ যেন লাগে তাৰ মাজে মাজে।

সমাজৰ মানুহে এতিয়া তাৰ লগতে তাৰ পৰিয়ালকো ঠাট্টা-মস্কৰা কৰিবলৈ আৰম্ভ কৰিছিল।..."[৬৩]

---

[৬২] উল্লিখিত, পৃ. ৩৩

[৬৩] উল্লিখিত, পৃ. ৫৮

সমাজখনে কিন্নৰসকলক নিৰ্যাতন কৰাতেই ক্ষান্ত নাথাকি তেওঁলোকৰ পৰিয়ালবোৰকো অত্যাচাৰ কৰিবলৈ ধৰে। সমাজৰ এই নিৰ্যাতনৰ ফলত তেওঁলোক মানসিকভাৱে ৰুগ্ন হৈ পৰে।

"...বহুবাৰ তাৰ মনটো দুৰ্বল হয়, এই সংসাৰখন চিৰকালৰ বাবে এৰি থৈ যাবলৈও মন যায়।

আত্মহত্যাৰ কথা মনলৈ আহিছিল, বোকাময় সময়ৰ নিষ্ঠুৰতাত পৰি।..."[৬৪]

সমাজে তেওঁলোকক ভিক্ষা খোজা, আশীৰ্বাদ কৰা আদিৰ বাহিৰে অন্য কোনো কাম কৰাৰ অধিকাৰ দিব নোখোজে। ফলত তেওঁলোকে এইবোৰ কাম কৰিয়েই উপাৰ্জন কৰিব লগীয়া হয়। এই উপাৰ্জনো কিন্তু সুখৰ নহয়। ভোক নিবাৰণ কৰি জীয়াই থাকিবৰ বাবেই তেওঁলোকে বহু কটু বাক্য, গালি-গালাজ নিৰৱে সহি যায়। উপন্যাসখনত এই কথাটো ফুটি উঠিছে এনেদৰে –

"...সেইসোপা নিজেও একো কামৰ মানুহ নহয় আৰু সিহঁতৰ পৰিয়ালৰো কোনো কামত নাহিল। কেৱল মাত্ৰ সংসাৰত বোজা হ'বলৈহে জন্ম পায়।

: পৃথিৱীৰ কোনো কাম নাইকিয়া বোজা এইচব।

: কেৱল বিনামূলীয়া টকা লুট কৰিবলৈ আহে।..."[৬৫]

এনে কথাবোৰে তেওঁলোকক হতাশ কৰি তোলে, মানসিকভাৱে অসুস্থ কৰি পেলায়। নিজৰ প্ৰতি ঘৃণাৰ ভাৱ সৃষ্টি কৰে।

"...বিকলাংগ দেহ এটিতকৈ কোনোগুণে কম নহয়, এই অবয়ব অস্তিত্ব!

যেনে তুলসীতলৰ চাকি গছি,

ওৰেটো ৰাতি কঁপি কঁপি ঢপকৈ নুমাই গ'ল,

: জোৰকৈ বলা বতাহজাকৰ বাবে প্ৰশ্নবোৰ এই দৰেই আহে, আহিবই।

---

৬৪ উল্লিখিত, পৃ. ৬৩

৬৫ উল্লিখিত, পৃ. ১৩৫

: আশা আৰু উৎসাহৰ শলিতা ডাল কিমানলৈকে জ্বলাই ৰাখিব পাৰিম?..."[৬৬]

আকাভাইন উপন্যাসখনত এইদৰেই কিন্নৰসকলে সন্মুখীন হোৱা নানা শাৰীৰিক-মানসিক নিৰ্যাতনৰ ছবি বাস্তৱ ৰূপত উপস্থাপন কৰা হৈছে। তৃতীয় লিংগৰ ব্যক্তিসকলৰ ওপৰত চলোৱা এনে অত্যাচাৰবোৰে তেওঁলোকৰ মন-মগজু, চিন্তাশক্তিক দুৰ্বল কৰে। তেওঁলোকৰ আত্মবিশ্বাস কমাই আনে আৰু জীয়াই থকাৰ প্ৰতি উদাসীন কৰি তোলে।

[৬৬] উল্লিখিত, পৃ. ১৩৭

# চতুর্থ অধ্যায়

## ৪.০ তুলনাত্মক অধ্যয়ন

### ৪.১ নিৰ্বাচিত উপন্যাস দুখনত উপস্থাপিত লিংগ প্ৰসংগৰ এক তুলনামূলক অধ্যয়ন

নিষিদ্ধ আৰু আকাভাইন লিংগবাদক লৈ ৰচিত অসমীয়া সাহিত্যৰ দুখন বিশিষ্ট উপন্যাস। দুইখন উপন্যাসতে কুইয়ৰ প্ৰসংগ উপস্থাপিত হৈছে যদিও উপন্যাস দুখনৰ বিষয়বস্তু ভিন্ন। দুইখন উপন্যাসত কুইয়ৰ বিষয়ৰ অন্তৰ্গত বেলেগ বেলেগ ধাৰণাক উপস্থাপন কৰা হৈছে।

#### ৪.১.১ সামাজিক লিংগ নিৰ্মাণ সম্পৰ্কীয় দৃষ্টিভংগীৰ তুলনা

নিষিদ্ধ উপন্যাসখনত মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে নিৰ্মাণ কৰা লিংগসমূহক চিত্ৰিত কৰা হৈছে। উপন্যাসখনত গে', লেজবিয়ান, বাইচেক্সুৰেলিতি আদি লিংগ ধাৰণাক উপস্থাপন কৰা হৈছে।

আনহাতে, আকাভাইন উপন্যাসখন জীৱবিজ্ঞান অনুসৰি নিৰ্মিত তৃতীয় লিংগক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে।

নিষিদ্ধ উপন্যাসখনত গে' বা পুৰুষ সমকামী চৰিত্ৰটোক এটা শক্তিশালী, ধৈৰ্যশীল আৰু জ্ঞানী চৰিত্ৰ হিচাপে তুলি ধৰা হৈছে। অভিমন্যু চলিহা এগৰাকী সমকামী। নাৰীৰ দৰে থাকি, নিজকে নাৰী হিচাপে পৰিচয় দি তেওঁ ভাল পায়।

"...ডাঙৰেই কাম কৰিলোঁ। নিজৰ কথা কৈ দিলোঁ। স্থানীয় মুখ্য বাতৰিত এই বিবৃতিটো দি ক'লোঁ- মই যে সমকামী বা এয়া মোৰ 'Bromance' হ'ব পাৰে। ১৯৯০৩ এই শব্দটো net-ৰ পৰা উদ্ধাৰ কৰিছোঁ- এৰিষ্টটলে ৩০০ BCEতে কৈ গৈছিল, একে লিঙ্গৰ মাজত ৰোমান্স- ইয়াত যৌনতাৰ কোনো কথা নাই।..."[৬৭]

অভিমন্যুৰ ডায়েৰীৰ পৃষ্ঠাৰ এই কথাষাৰে তেওঁক এটা শক্তিশালী চৰিত্ৰ ৰূপে চিনাকী দিয়ে, কাৰণ সমাজ, মানুহলৈ কোনো ভয় নকৰাকৈ তেওঁ নিজৰ সমকামিতাৰ কথা ব্যক্ত কৰিছিল।

---

৬৭ ড° আকাশীতৰা, *নিষিদ্ধ*, পৃ. ১১

আকৌ,

"...নামা- গাড়ীৰ পৰা নামা গাড়ীৰ পৰা খোজকাঢ়ি ঘৰলৈ যোৱাগৈ। তোমাক মোৰ সহ্য নহয়! একেবাৰে নহয়!... গাড়ীখন ৰখাই সুৰুযে মোক আধা বাটত নমাই দিব খুজিলে।

: খং-অপমান-বিস্ময়ত মোৰ গাটো কঁপি উঠিল। ধৈৰ্য ধৰ অভি ধৈৰ্য। নিজকে কৈ থাকিলোঁ।

ধৈৰ্য ধৰা জান- সূৰুযক সাৰটি ধৰিলো। ধৈৰ্য সূৰুয। খং নকৰিবা। চ'ৰি... কেতিয়াবা যদি কৈছোঁ ক্ষমা কৰি দিবা... ময়ো মানুহ সূৰুয, মোৰো কেতিয়াবা নিৰাপত্তাহীনতাত ভোগা বেমাৰ হয়। তোমাৰতো সব আছে। মোৰতো কেৱল তুমিয়েই পৃথিৱী।..."[৬৮]

অভিমন্যু আৰু তেওঁৰ প্ৰেমিক সূৰুযৰ এনে কথোপকথনে অভিমন্যুক ধৈৰ্যশীল ৰূপত উপস্থাপন কৰিছে।

এই চৰিত্ৰটোৰ দৰেই উপন্যাসখনত লেখিকাই লেজবিয়ান, ট্ৰান্সজেণ্ডাৰ আদি চৰিত্ৰ কেইটাকো শক্তিশালী ৰূপত অংকন কৰিছে।

আকাভাইন উপন্যাসখনতো লেখিকাই তৃতীয় লিংগৰ চৰিত্ৰটোক শক্তিশালী ৰূপত উপস্থাপন কৰিছে। উপন্যাসখনত এই চৰিত্ৰটোৱে নানা ঘাট-প্ৰতিঘাটক নেওচি, হাৰ নামানি সমাজত অস্তিত্ব ৰক্ষা আৰু আত্মপৰিচয়ৰ যুঁজখনত সফল হৈছে।

"...শূন্যলৈ চালে সি, যি শূন্যত ভগৱান নিহিত আছে।

: আশাত পাখি লগাই লৈছো, এতিয়া শব্দ নোহোৱাকৈ সুৰ এটি বাজি উঠিব আৰু মই উৰিব সাজু অন্তহীন সীমনালৈ।

স্বগোক্তি কৰিলে বিজিতে ওপৰলৈ চাই।..."[৬৯]

উপন্যাসখনৰ এই কথাবোৰে তৃতীয় লিংগৰ চৰিত্ৰটোৰ জীৱনৰ জীৱনৰ প্ৰতি থকা আশা, আগবাঢ়ি যোৱাৰ হেঁপাহ আদিক প্ৰতিফলিত কৰে।

---

[৬৮] ড° আকাশীতৰা, *নিষিদ্ধ*, ৮৩

[৬৯] পুষ্পাঞ্জলি শিৱম শৰ্মা, *আকাভাইন*, পৃ. ৫৫

উপন্যাস দুখনত সামাজিক লিংগ নিৰ্মাণ সম্পৰ্কীয় দৃষ্টিভংগী অধ্যয়ন কৰিলে দুইখনৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। দুইখন উপন্যাসতে কুইয়ৰ চৰিত্ৰসমূহক শক্তিশালী ৰূপত প্ৰকাশ কৰা হৈছে আৰু শেষত এইসকলৰ সামাজিক স্বীকৃতিৰ প্ৰতিফলন ঘটাইছে। উপন্যাস দুখনত নাৰী-পুৰুষৰ উপৰি পৃথিৱীত থকা অন্য লিংগসমূহো যে স্বাভাৱিক এই কথাক সুন্দৰকৈ উপস্থাপন কৰা হৈছে।

## ৪.১.২ চৰিত্ৰসমূহৰ লিংগ নিৰ্মাণ সম্পৰ্কীয় উপস্থাপন শৈলীৰ তুলনা

নিষিদ্ধ আৰু আকাভাইন দুইখন উপন্যাসত বেলেগ বেলেগ কুইয়ৰ চৰিত্ৰক বেলেগ ধৰণে উপস্থাপন কৰিছে।

নিষিদ্ধ উপন্যাসখনত অভিমন্যু চৰিত্ৰটোক শক্তিশালী কিন্তু কোমল মনৰ এগৰাকী সমকামী ৰূপে তুলি ধৰা হৈছে। তেওঁৰ নিজৰ সমকামিতাক লৈ কোনো অভিযোগ নাই। উপন্যাসখনত এই কথাৰ প্ৰকাশ ঘটিছে এইদৰে-

"...মোৰ বিবৃতিৰ পাছত চহৰে জানে মই পুৰুষৰ আকৃতিৰ এক নাৰী - মোৰ প্ৰিয়সঙ্গী পুৰুষ...।

নিজক সুধিবলৈ মোৰ দৰকাৰ নহ'ল, কাৰণ নিজক ভালকৈ চিনি পাওঁ। একেবাৰে জটিলতা নোহোৱাকৈ নিজক পঢ়িব পাৰোঁ। সেয়ে লোককো চিনি পাও..."[৭০]

উপন্যাসখনত সূৰুযলোচন বৰুৱাৰ চৰিত্ৰটোৰ মাজেৰে বাইচেক্সুৱেলিতিক তুলি ধৰা হৈছে। এই চৰিত্ৰটোক এটা দোমোজাৰ চৰিত্ৰৰূপে অংকন কৰা হৈছে। নাৰী-পুৰুষ উভয়ৰে লগত সম্পৰ্ক স্থাপনৰ পাছতো তেওঁৰ নিজক লৈ সন্দেহ আছিল। উপন্যাসখনত এই কথাক তুলি ধৰিছে এনেকৈ -

"...নিজকে আইনাত চাই তোমাৰ ওচৰত সৰু সৰু লাগিছে। হিপ'ক্ৰেট মই। মানুহৰ আগত তোমাক কেতিয়াও চিনাকি কৰাই দিব নোৱাৰিম বদনামৰ কাৰণে। মই আৰু ৰুমী 'আইডিয়েল কাপল'। ভবা নাছিলোঁ

---

[৭০] ড° আকাশীতৰা, *নিষিদ্ধ*, ১৭

প্ৰেম যে এনেকুৱা হয়, এইয়া যদি প্ৰেম তেন্তে কৰ্মীৰ লগত মোৰ সেয়া এক চমঝুতা, এক কম্প্ৰমাইজ। মই নিজকে বুজা নাই, মোৰ Duality আছে। মই নাজানো মই পুৰুষ নে নাৰী বিচাৰোঁ।...”[৭১]

ৰুবীৰ চৰিত্ৰটো আছিল সহজ-সৰল। জীৱনৰ আধা বয়সত তেওঁ অনুভৱ কৰিছিল নিজৰ সমকামিতাৰ কথা। ঝৰ্ণাও এগৰাকী স্ত্ৰী সমকামী আছিল। এই চৰিত্ৰটোক উপন্যাসখনত এটা শক্তিশালী আৰু স্পষ্টবাদী চৰিত্ৰৰূপে চিত্ৰিত কৰা হৈছে।

আকৌ, বুম্বা সৰুৰে পৰা ছোৱালীৰ দৰে আছিল কিন্তু চাৰ্জাৰী কৰি সি তাৰ পুৰুষত্ব ঘূৰাই পাইছিল। উপন্যাসখনত এই চৰিত্ৰটোক সৰল, সৎ আৰু স্পষ্টবাদী ৰূপত উপস্থাপন কৰা হৈছে।

নিষিদ্ধ উপন্যাসখনত বিভিন্ন লিংগৰ চৰিত্ৰবোৰক তেওঁলোকৰ কাম-কাজ, কথা-বতৰা, তেওঁলোকৰ সম্পৰ্ক, আচাৰ-আচৰণ, তেওঁলোকৰ মনোজগত আদিৰ আধাৰত উপস্থাপন কৰা হৈছে। বিশেষকৈ চৰিত্ৰবোৰ নিৰ্মাণ কৰোঁতে তেওঁলোকৰ মনোজগতখনৰ ওপৰত গুৰুত্ব আৰোপ কৰি উপন্যাসখনত উপস্থাপন কৰা হৈছে।

আনহাতে, আকাভাইন উপন্যাসখনত এইসমূহৰ উপৰিও সামাজিক দিশটোৰো প্ৰতিফলন ঘটোৱা হৈছে। উপন্যাসখনত তৃতীয় লিংগৰ মানুহক লৈ থকা সামাজিক দৃষ্টিভংগীকো উপস্থাপন কৰা হৈছে।

আকাভাইন উপন্যাসন তৃতীয় লিংগ বা কিন্নৰ সকলক লৈ ৰচিত। উপন্যাসখনৰ মূল চৰিত্ৰ হৈছে বজিতা। বিজিতা এটা তৃতীয় লিংগৰ চৰিত্ৰ। লেখিকাই এই চৰিত্ৰটোক অন্য তৃতীয় লিংগৰ ব্যক্তিতকৈ শক্তিশালী আৰু সুকীয়া ৰূপত উপস্থাপন কৰিছে।

“...কিন্তু পেটে পেটে বিজিতাই হিজৰাৰ 'গতানুগতিক' পদ্ধতিৰে কেৱল 'ভিক্ষা' খুজি সিহঁতে ধন উপাৰ্জন কৰিব বিচৰা নাছিল।

বিগলিত এতিয়া তাইৰ অন্তৰাত্মাৰ পৰিধি। কলৈ পোনাব বাট?

কিন্তু তাইৰ সপোনৰ পৰিধি আছিল অন্যতকৈ বিশাল।

---

[৭১] ড° আকাশীতৰা, *নিষিদ্ধ*, পৃ. ২৮

মাজে মাজে ওচৰৰ লাইব্ৰেৰীটোলৈ এপাক হ'লেও যাব নাপাহৰে তাই।..."[৭২]

"...কিন্নৰসকলে প্ৰায়ে বেশ্যাবৃত্তি আৰু ভিক্ষাৰ আশ্ৰয় লৈয়ে জীবন নিৰ্বাহ কৰে। বেলেগ কাম কৰিবলৈ সমাজে সহজে অনুমতি নিদিয়ে।

কিন্তু বিজিতাৰ চিন্তাবোৰ যেন অলপ বেলেগ আছিল।

তাই জীৱনটোক অন্য কিন্নৰৰ দৰে ল'ব নিবিচাৰে।

তাইৰো সপোন আছে কিবা এটা ভাল কৰাৰ।

অৰ্থৱহ কৰাৰ।..."[৭৩]

এনেদৰেই আকাভাইন উপন্যাসখনত সমাজৰ তৃতীয় লিংগৰ ব্যক্তিক এক শক্তিশালী আৰু ভিন্ন ৰূপত চিত্ৰিত কৰিছে। এওঁলোকে নিজক প্ৰতিষ্ঠা কৰিবৰ বাবে সমাজত কৰিব লগীয়া সংগ্ৰাম বিজিতা চৰিত্ৰৰ জীৱনৰ মাজেৰে নিখুঁত আৰু বাস্তৱ ৰূপত উপস্থাপন কৰিছে।

এইদৰেই নিষিদ্ধ আৰু আকাভাইন এই দুইখন উপন্যাসত বিভিন্ন লিংগৰ চৰিত্ৰসমূহক বেলেগ বেলেগ ধৰণে উপস্থাপন কৰা হৈছে।

---

[৭২] পুষ্পাঞ্জলি শিৱম শৰ্মা, *আকাভাইন,* পৃ. ১৩২

[৭৩] উল্লিখিত, পৃ. ১৪৯

# উপসংহাৰ

## ০.০ উপসংহাৰ

পৃথিৱীত অতীজৰে পৰা নাৰী-পুৰুষভেদে অন্য লিংগৰ উপস্থিতিৰো ইতিহাস প্ৰসিদ্ধ প্ৰমাণ পোৱা যায়। কিন্তু সমাজে এই লিংগসমূহৰ অস্তিত্বক সদায় অস্বীকাৰ কৰি আহিছে। এই লিংগসমূহে শাৰীৰিক আৰু মানসিক ভাৱে সমাজত নানা ধৰণৰ নিৰ্যাতনৰ বলি হয়। এই লিংগসমূহে সদায় নিজৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। সমাজৰ এনে লিংগসমূহক তেওঁলোকৰ অধিকাৰ প্ৰদান আৰু সকলো লিংগৰ মাজত সমতা স্থাপনৰ উদ্দেশ্যেই সূচনা হৈছিল লিংগবাদৰ।

বৰ্তমান লিংগবাদৰ ধাৰণা কেৱল এক আন্দোলনতেই সীমিত নহয়, ই সাহিত্য-সমালোচনাৰ এক তত্ত্বও। সাহিত্যত সমাজৰ ভিন্ন দিশৰ লগতে লিংগবাদেও ঠাই পাইছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমীয়া সাহিত্যতো লিংগবাদৰ প্ৰতিফলন ঘটিছে। "অসমীয়া সাহিত্যত লিংগ প্ৰসংগ (ড° আকাশীতৰাৰ নিষিদ্ধ আৰু পুষ্পাঞ্জলি শিৱম শৰ্মাৰ আকাভাইন উপন্যাসৰ বিশেষ উল্লিখনসহ)" শীৰ্ষক ক্ষুদ্ৰ গৱেষণা কৰ্মটোৰ জৰিয়তে অসমীয়া সাহিত্যত লিংগবাদৰ প্ৰতিফলন আৰু বিকাশ সম্পৰ্কে অধ্যয়ন কৰা কৰা হৈছে।

গৱেষণা কৰ্মটোৰ অৱতৰণিকাত বিষয়ৰ পৰিচয়, অধ্যনৰ উদ্দেশ্য, গুৰুত্ব, পৰিসৰ, পদ্ধতি, তথ্যৰ উৎস, পূৰ্বকৃত অধ্যনৰ সমীক্ষা আদি দিশসমূহ সামৰি লোৱা হৈছে।

প্ৰথম অধ্যায়ত, লিংগবাদৰ ধাৰণা, সাহিত্যত লিংগবাদ আদিৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত, নিৰ্বাচিত উপন্যাস দুখনৰ কথা আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত, নিৰ্বাচিত উপন্যাস দুখনত লিংগ প্ৰসংগ সম্পৰ্কে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত, উপন্যাস দুখনত লিংগ প্ৰসংগৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা হৈছে।

## ০.১ সিদ্ধান্ত

ক্ষুদ্র গৱেষণা কৰ্মটিৰ অন্তত নিম্নোক্ত সিদ্ধান্তসমূহত উপনীত হব পৰা যায়-

১. লিংগবাদ কেৱল এক আন্দোলন নহয়, ই সাহিত্য সমালোচনাৰো এক অংশ।

২. অসমীয়া সাহিত্যত লিংগবাদৰ ধাৰণা বৰ বেছি পুৰণি নহয়।

৩. নাৰী-পুৰুষভেদে অন্য লিংগসমূহে আইনগত অধিকাৰ পালেও সামাজিক স্বীকৃতি বৰ্তমানো লাভ কৰা নাই।

৪. অসমীয়া সাহিত্যত উপন্যাস, গল্প, কবিতা আদিত লিংগবাদী লাহে লাহে চিন্তা-চৰ্চাই বিকাশ লাভ কৰিছে।

৫. নিৰ্বাচিত উপন্যাস দুখনত লিংগবাদৰ অন্তৰ্গত কুইয়ৰ ধাৰণাৰ সফল উপস্থাপন দেখা যায়।

৬. নিষিদ্ধ উপন্যাসখনত বিশেষকৈ সমকামী লিংগৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়।

৭. আকাভাইন উপন্যাসত তৃতীয় লিংগ বা কিন্নৰসকলৰ জীৱন, সমাজ, সংগ্ৰাম আদি প্ৰতিফলিত হৈছে।

৮. দুইখন উপন্যাসতে উপস্থাপিত কুইয়ৰ ধাৰণাৰ অন্তৰ্গত লিংগসমূহৰ মনস্তাত্ত্বিক বৈশিষ্ট্যৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

৯. উপন্যাস দুখনত নাৰী-পুৰুষৰ বাহিৰে অন্য লিংগসমূহৰ প্ৰতি থকা সামাজিক দৃষ্টিভংগীৰো সফল প্ৰতিফলন পৰিলক্ষিত হয়।

১০. নাৰী-পুৰুষৰ উপৰিও পৃথিৱীত থকা অন্য লিংগসমূহো যে স্বাভাৱিক সেই কথাও উপন্যাসখনত সুন্দৰকৈ উপস্থাপন কৰা হৈছে।

## ০.২ ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনীয়তা

সাহিত্যত লিংগবাদ ধাৰণাটো বৰ বেছি পুৰণি নহয়। অসমীয়া সাহিত্যত ই এটা অতি সাম্প্ৰতিক বিষয়। গতিকে ভৱিষ্যতে এই বিষয়টোৰ সম্পৰ্কে অধ্যয়নৰ যথেষ্ট থল আছে।

১. অসমীয়া সাহিত্যত লিংগ প্ৰসংগৰ আৰম্ভণি সম্পৰ্কে অধ্যয়ন কৰিব পৰা যায়।

২. অসমীয়া সাহিত্যত কুইয়ৰ ধাৰণাৰ অন্তৰ্গত বিভিন্ন লিংগ নিৰ্মাণ সম্পৰ্কে অধ্যয়ন কৰিব পৰা যায়।

৩. বিভিন্ন অসমীয়া উপন্যাসত লিংগ প্ৰতিফলনৰ বিষয়ে অধ্যয়ন কৰিব পৰা যায়।

৪. বিভিন্ন গল্প, কবিতাত প্ৰতিফলিত লিংগ-প্ৰসংগ সম্পৰ্কে অধ্যয়ন কৰিব পাৰে।

৫. বিভিন্ন নাটক, চিনেমা আদিত লিংগ-প্ৰসংগ সম্পৰ্কে অধ্যয়ন কৰাৰো থল আছে।

৬. কুইয়ৰ আন্দোলন, এওঁলোকৰ সামাজিক স্বীকৃতি আদিও অধ্যয়ন কৰিব পৰা যায়।

## ০.৩ সামৰণি

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সমাজ-সংস্কৃতিৰ নানা দিশ সাহিত্যত প্ৰতিফলিত হয়। লিংগাদেও বৰ্তমান সাহিত্যত ঠাই লাভ কৰিছে। বিশ্বৰ বিভিন্ন সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো লিংগবাদী চিন্তা-চৰ্চাৰ বিকাশ হৈছে। উপন্যাস, গল্প, কবিতা আদিত বিভিন্ন লিংগ প্ৰসংগৰ প্ৰতিফলন ঘটিছে। অৱশ্যে, অসমীয়া সাহিত্যত লিংগবাদৰ সকলো দিশৰ পূৰ্ণ উপস্থাপন এতিয়াও হোৱা নাই। ভৱিষ্যতে এই সম্পৰ্কীয় চিন্তা, সৃষ্টিৰ যথেষ্ট থল আছে।

## গ্ৰন্থপঞ্জীঃ


### মূলগ্ৰন্থঃ

১) শইকীয়া,ড° আকাশীতৰা : ***নিষিদ্ধ,*** বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১, প্ৰথম প্ৰকাশ : ২০১১

২) শৰ্মা, পুষ্পাঞ্জলি শিৰম : ***আকাভাইন,*** জাগৰণ সাহিত্য প্ৰকাশন, প্ৰথম প্ৰকাশ : ২০২৪

### সহায়ক গ্ৰন্থঃ

১) কলিতা, ড° ৰঞ্জন(সম্পা.) : ***গৱেষকৰ হাতপুথি,*** বান্ধৱ, পাণবজাৰ, গুৱাহাটী-০১, প্ৰথম প্ৰকাশ : ২০১৪ চন।

২) কাকতি, ড° ডালিমা : ***ভাষা, সাহিত্য, সংস্কৃতিত তৃতীয়ত্বৰ পৰিসৰ,*** পূৰ্বায়ণ প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-০১, প্ৰথম প্ৰকাশ ২০২৪ চন।

৩) তামুলী, গীতাশ্ৰী : ***সাহিত্য আৰু সমালোচনা,*** বান্ধৱ, পাণবজাৰ,গুৱাহাটী-০১, প্ৰথম প্ৰকাশ : ২০১৫ চন।

৪) দত্ত, জুৰি ***সাহিত্য, সমাজ আৰু সাহিত্যতত্ত্ব,*** পূৰ্বায়ণ প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-০১, প্ৰথম প্ৰকাশ ২০২২ চন।

৫) পাদুন, নাহেন্দ্ৰ : ***সাহিত্য তত্ত্ব আৰু সমালোচনা,*** বাণী মন্দিৰ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ : ২০০৯ চন।

৬) বৰা, মহেন্দ্ৰ : *গৱেষণা প্ৰণালী তত্ত্ব,* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-0১,

প্ৰথম প্ৰকাশ : ১৯৯২ চন।

৭) বেজবৰুৱা, জিতেন : *প্ৰসংগ:এল জি বি টি,* বান্ধৱ, আমবাৰী, গুৱাহাটী-০১,

প্ৰথম প্ৰকাশ: ২০২৩ চন।